

বৰ্নৈ কলেজ

# আলোচনী

সম্পাদক • সঞ্জীৱ বৰবৰা

# কানৈ কলেজ আলোচনী

৩১ তম সংখ্যা : ১৯৭৬-৭৭

: সম্পাদনা সমিতি :

: তত্বাৱধায়ক :

শ্ৰীযাদৱচন্দ্ৰ বৰুৱা

: উপদেষ্টা :

শ্ৰীশৰৎ ৰৰবৰা

: সম্পাদক :

শ্ৰীসঞ্জীৱ কুমাৰ বৰা

: সদস্য :

শ্ৰীলক্ষধৰ কলিতা

" কমলাকান্ত গোস্বামী

" দিব্য গগৈ

" কনাইলাল চাহু

" অঞ্জুমনি গগৈ

" চন্দ্ৰমা বৰুৱা

Dr. S. D. GOGOI, *B. E.* ( *Cal* )
D. I. C. Ph. D. ( London ).
M.IAHR., F. I. E. ( Ind )
Vice-Chancellor

PHONE: { OFFICE 63
RESIDENCE 3
DIBRUGARH UNIVERSITY
DIBRUGARH ASSAM

D. O. No DU/ VC /92 /77/958

Date 31 12 77

Dear Shri Borah,

I am happy to learn from your letter of 29th December, 1977, that you are publishing your "Annual College Magazine" very shortly.

A college magazine offers an opportunity to the students to express their ideas and thoughts on contemporary problems. It helps them in developing their faculty of creative thinking and also provides a forum to express their literary talent. I hope the students will use this opportunity to the fullest extent.

I convey, herewith, my best wishes for success in your effort.

Yours sincerely,

( S. D. GOGOI )

To

Shri Sanjib Kr. Borah,
Secretary, College Magazine,
D. H. S. K. College,
P. O. Dibrugarh, ( Assam )

Dr. S. D. GOGOI, *B. E.* ( *Cal* )
D. I. C. Ph. D. ( London ).
M.IAHR., F. I. E. ( Ind )
Vice-Chancellor

D. O. No DU/ VC /92 /77/958

PHONE: { OFFICE 639
RESIDENCE 3
DIBRUGARH UNIVERSITY
DIBRUGARH ASSAM

Date 31 12 77

Dear Shri Borah,

I am happy to learn from your letter of 29th December, 1977, that you are publishing your "Annual College Magazine" very shortly.

A college magazine offers an opportunity to the students to express their ideas and thoughts on contemporary problems. It helps them in developing their faculty of creative thinking and also provides a forum to express their literary talent. I hope the students will use this opportunity to the fullest extent.

I convey, herewith, my best wishes for success in your effort.

Yours sincerely,

( S. D. GOGOI )

To

Shri Sanjib Kr. Borah,
Secretary, College Magazine,
D. H. S. K. College,
P. O. Dibrugarh, ( Assam )

# শ্ৰদ্ধাঞ্জলি

ঃ আমাৰ মাজৰ পৰা বহুজন চিন্তাবিদ, বিচক্ষণ ৰাজনীতিবিদ, সু-সাহিত্যিক আৰু ভাষাবিদ, কলাকাৰ, সমাজসেৱক, সঙ্গীতজ্ঞ আৰু এই মহাবিদ্যালয়ৰ উঠি অহা তুগৰাকী ছাত্ৰ-ছাত্ৰী আঁতৰি গল। সেই সকল ব্যক্তিৰ মৃত্যুত তেওঁলোকৰ পূন্যাত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰি সেই সকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো ঃ

ৰাষ্ট্ৰপতি ঃ ফকৰুদ্দিন আলি আহম্মদ।

কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধক্ষ্য ঃ ডঃ যোগীৰাজ বসু।

শ্ৰমিকনেতা ঃ এ ঃ কে ঃ গোপালন।

অৰ্থনীতিবিদ ঃ শ্ৰীমান নাৰায়ণ।

সংসদীয় সদস্য ঃ প্ৰকাশ বীৰ শাস্ত্ৰী।

সু-সাহিত্যিক ঃ হেম বৰুৱা।

ভাষাতত্ত্ববিদ ঃ ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়।

পদ্মশ্ৰী কবি ঃ নলিনী বালা দেৱী।

গুৱাহাটীৰ বিশিষ্ট নাগৰিক ঃ ৰাধা গোবিন্দ বৰুৱা।

বিশ্ব বিশ্ৰুত নৃত্যশিল্পী ঃ উদয় শঙ্কৰ।

অসমীয়া কথা ছবিৰ সংগীত পৰিচালক ঃ জয়ন্ত হাজৰিকা।

কানৈ মহাবিদ্যালয়ত ছাত্ৰী ঃ চৈনিকা গগৈ।

" " ছাত্ৰ ঃ ৰাম মহন্ত।

# সূচী পত্ৰ


❋ সম্পাদকীয়

⊕ প্ৰবন্ধ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু জাতীয় সংহতি : ১ : জয়কৃষ্ণ মহন্ত

দ্বন্দ্বমূলক বস্তুবাদ কি : ৭: দ্বীপেন্দ্ৰ নাথ কাকতী

চীনৰ সমাজ ব্যৱস্থাৰ বিষয়ে চুআষাৰ : ১৩ : অঞ্জনা গোস্বামী

আত্মহত্যা : এটি সামাজিক ব্যাধি : ১৭ : লক্ষ্যধৰ কলিতা

বিভিন্ন বিষয়ত এগৰাকী মহান ব্যক্তি : ৩০ : মালবিকা চৌধুৰী

ওৰণীৰ তলত নাৰী : ৩৩ : ইমৰাণ হুচেইন বৰা

বিশ্বৰ শ্ৰমিক শ্ৰেণী ঐক্যবদ্ধ হোৱা : ৮৪ : অমুঃ / অঞ্জু বৰকটকী

এজন বিদেশী সাহিত্যিকৰ সৈতে পৰিচয় : : ৮৯ : প্ৰশান্ত আচাৰ্য্য

⊕ পুথি সমালোচনা :

নবীন বৰুৱাৰ 'ফিনিক্স পখীৰ গান' আৰু জয়ন্ত ৰংপিৰ 'পুৱাতে এজাক ধনেশ' : ৭৯ : কমলাকান্ত গোস্বামী আৰু সৰ্বানন্দ দেউৰী ভৰালী

⊕ সাক্ষাৎকাৰ

ড: মহেন্দ্ৰ বৰাৰ সৈতে : ৯৮ :

⊕ কবিতা

এটি অতীত আৰু মই : ৩৮ : পবেশ গগৈ

বেজবৰুৱাৰ স্মৃতি : ৩৯ : ধৰ্ম্ম সন্দিকৈ

দিবা স্বপ্ন : ৪০ : সঞ্জীৱ বড়া

দুটা কবিতা : ৪৩ : যোগেশ বিকাশ সন্দিকৈ

নিৰ্ব্বাসন বসন্তৰ : ৪১ : লক্ষীনাথ গগৈ

এপিটাফ : ৪৪ : মীনা কুমাৰী বৰগোহাঁই

ভাস্কৰ প্ৰস্তুতি : ৫০ : অনুপমা ভূঞা

⊕ অনুবাদ কবিতা

মই এখন পৃথিবীত স্বপ্ন দেখিছো : ৪২ : বিদ্ৰোহী : ৪২ : অঞ্জনা গোস্বামী

হেগেল : এপিগ্ৰাম : ৪৫ : সুন্দৰ পৰিবেশ : ৪৬ : নববৰ্ষ : ৪৭ :

আহ্বান : ৪৭ : দ্বীপেন্দ্ৰ নাথ কাকতী, লক্ষ্যধৰ কলিতা

যাযাবৰী যাত্ৰী : ৪৮ : মাধুৰীমা বৰুৱা

⊕ ৰম্য ৰচনা

সাজ : ৭৪ : প্ৰভাত বৰুৱা

⊕ গল্প

ক্ষত : ৫১ : শৈলেন গগৈ

ধুমুহা : ৫৭ : কানাইলাল চাহু

বাসনা : ৬০ : প্ৰফুল্ল শইকীয়া

এই মনএই মৰমঃ ৬২ : দিপ্তী নেওগ

দহেজ প্ৰথা এটি সামাজিক অভিশাপ : ৫৭ : গোলোক চন্দ্ৰ ডেকা

মৃগতৃষ্ণা : ৭২ : বন্দীতা হাজৰিকা

❋ মুকলি সাহিত্য চ'ৰা : কানৈ কলেজ : ৯৬ : নগেন শইকীয়াৰ মন্তব্য

⊕ ইংৰাজী বিভাগ : ১ — ১৫

⊕ সম্পাদকীয় প্ৰতিবেদন : ১৯ — ৩৩

# কৃতজ্ঞতা স্বীকাৰ

শ্ৰীযুত সুশীল চন্দ্ৰ দত্ত (অধ্যক্ষ্য)
,, যাদব চন্দ্ৰ বৰুৱা
,, সুনীল কুমাৰ বৰঠাকুৰ
,, মুনীন শৰ্ম্মা
,, ভীম কান্ত কোঁৱৰ
,, প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য
,, দ্বীপেন্দ্ৰ নাথ কাকতী
,, হেমন্ত কুমাৰ পেগু
,, গোবিন বৰঠাকুৰ

শ্ৰীযুত প্ৰভাত বৰুৱা
,, বন্দনা সন্দিকৈ
,, গুণমনি বৰা
,, ৰাণী বৰগোহাঁই
,, মিনতী গগৈ
,, অসীম দিগন্ত গগৈ
,, প্ৰণৱ শইকীয়া
,, বিষ্ণু শইকীয়া
,, মহেন্দ্ৰ গগৈ

মনপুৰ প্ৰেছৰ কৰ্ম্মকৰ্ত্তা সকললৈ
বেটুপাত :— প্ৰেৰণা,— প্ৰতিজ্ঞা,— প্ৰয়োগ
শিল্পী :— শ্ৰীঅবিনাশ শৰ্ম্মা
মুদ্ৰন.— মনপুৰ প্ৰেছ, ডিব্ৰুগড় ।

# শলাগৰ শৰাই

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য — ড: শৈল্যধৰ গগৈ
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূখ্য অধ্যাপক ড: মহেন্দ্ৰ বৰা
ডিব্ৰুগড় মহাৰিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক
ড: গৌৰাঙ্গ ধৰ বৰুৱা
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক
নগেন শইকীয়া
কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ সুশীল চন্দ্ৰ দত্ত
কানৈ মহাবিদ্যালয়ৰ অধক্ষ্যা লক্ষীদা দত্ত

# সম্পাদকীয়—

ভৌগোলিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায়—ভাৰতৰ পূৰ প্ৰান্তৰ অসমৰ উজনি অঞ্চলত এই মহাবিদ্যালয় খনি অৱস্থিত ১৯৪৫ চনতেই এই মহাবিদ্যালয় খনি প্ৰতিষ্ঠা হয়। ডিব্ৰুগড়ৰ বিখ্যাত ধনী চাহ খেতিয়ক, ব্যৱসায়ী তথা সম্ভ্ৰান্ত কানৈ প্ৰৰিয়ালৰ দানেৰে। এখন কলেজৰ অগ্ৰগতিৰ খতিয়ান সেইখন কলেজৰ আলোচনীৰ পাতে কঢ়িয়াই আনে প্ৰতি বছৰৰ দৰে এই বছৰো কানৈ মহাবিদ্যালয়ৰ এই অলোচনী খনে কিমান দূৰ সফলতা লাভ কৰিব পাৰিছে সেইটো বিচাৰ্য্যৰ ভাৰ পঢ়ুৱৈ সমাজৰ ওপৰত থলো।

**অপসংস্কৃতিঃ কানৈ কলেজ**

চাৰি বছৰীয়া অভিজ্ঞতাৰ পৰা এটা কথা নিঃসন্দেহে কব পৰা যায় যে বৰ্ত্তমান আমাৰ দেশত অপসংস্কৃতিৰ যি বতাহ বব লাগিছে—সেই বতাহৰ কবল গ্ৰাসৰ পৰা কানৈ কলেজ খনো বাদ পৰি যোৱা নাই বা সেই অপসংস্কৃতিৰ বিৰুদ্ধে যুজিবলৈ কানৈ কলেজে তিল মাত্ৰাও চেষ্টা কৰিছে বুলি আমাৰ মনে নধৰে। কিন্তু শেষৰ দুটা বছৰত দেখিছো-কেইজন মান উদয়ী মান যুৱক যুৱতীয়ে কানৈ কলেজত এটা সুস্থ বাতাৱৰণ গঢ়ি তুলিবৰ বাবে অপ্ৰাণ চেষ্টা চলাইছে যদিও তেওঁবিলাকে সেই চেষ্টাত বিশেষ ভাবে ফলৱতী হব নোৱৰাটোৱেই তেনেই স্বাভাৱিক। এই আলোচনী খন তাৰেই এটা ক্ষীণ প্ৰচেষ্টা।

অসমৰ ঘূণে ধৰা বৌদ্ধিক সংস্কৃতিক পৰিৱেশৰ মাজত আজি! কানৈ কলেজৰ বৌদ্ধিক তথা সাংস্কৃতিক পৰিৱেশো বলি। দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক ভেটিৰ আমূল পৰিৱৰ্ত্তন অবিহনে সাংস্কৃতিক দিশত কিবা বিশেষ পৰিৱৰ্ত্তন আহিব পাৰে বুলি আমাৰ মনে নধৰে। দেশত ঘটি যোৱা সাংপ্ৰতিক ঘটনাবলীয়ে তাকেই ইঙ্গিত দিয়ে।

**একনায়কত্বঃ গণতন্ত্ৰ**

এক বিৰাট ধুমধামেৰে ষষ্ঠ লোক সভাৰ নিৰ্ব্বাচনত এক নায়কত্ববাদী শক্তি সমূহক ধ্বংস কৰি কেন্দ্ৰত 'জনতা চৰকাৰ' শাসনলৈ আহিল। সমাজবাদী (?) বাতৰি কাকত সমূহত বৰ ৰব হৰফেৰে এইদৰে বাতৰি প্ৰকাশ হল—"এক শান্তিপূৰ্ণ পথেৰে (বেলট পেপাৰৰ যোগে) ভাৰত বৰ্ষত এক বিপ্লৱ সংঘটিত হৈ গল।" কিন্তু প্ৰত্যেকেই মনত ৰখা উচিত হব যে সমাজ বিকাশৰ ধাৰণ অবৈজ্ঞানিক নহয়, ই সদায়েই বৈজ্ঞানিক। ইমান দিনে সমাজবাদৰ জয়ঢোল কোবাই অহা ইন্দিৰা চৰকাৰৰ একেটা নিশাতে শাসনৰ গাদীৰ পৰা ওফৰাই কেন্দ্ৰত এক নতুন সমাজবাদী (?) চৰকাৰ শাসনলৈ আহিল। কিন্তু

নানা ঐতিহাসিক কাৰণ বশতঃ শোষণৰ মাত্ৰা তীব্ৰ হৈ অহাৰ লগে লগে ভাৰতবৰ্ষৰ কৃষক, শ্ৰমিকে যেতিয়া বিপ্লৱ সূচনা কৰিবলৈ বাধ্য হব, তেতিয়া গণতন্ত্ৰৰ ধ্বজাবাহী (সমাজবাদী) 'জনতা চৰকাৰ' থিৰেবে থাকিব পাৰিবনে ?

**গণ সংযোগ ঃ সাহিত্য**

এইয়া গণসংযোগৰ যুগ। সাহিত্য-সংস্কৃতিয়ে গণসংযোগৰ এক প্ৰধান মাধ্যম হিচাবে কাম কৰে। জনগণে জনগণক ভাল পাবলৈ শিকিব লাগিব, জনগণে জনগণৰ পৰা শিক্ষা আহৰণ কৰিব লাগিব আৰু প্ৰতিটো সংকটৰ মুহূৰ্ত্তত জনগণই জনগণলৈ সহায় সহযোগ আগবঢ়াব লাগিব। এই ক্ষেত্ৰত সাহিত্যৰ ভূমিকা কি ? প্ৰতিজন সচেতন সাহিত্যিকে কাৰ বাবে সাহিত্য ৰচনা কৰিব ? ইয়াৰ উত্তৰ দি ১৯০৪ চনতেই লেনিনে কৈছিল - সাহিত্য হব লাগিব সৰ্ব্বহাৰা আন্দোলনৰ অন্যতম প্ৰধান অংশ " Literature mast be a part of the general proletarian cause, a little 'cog in the whele' in the one great unified mechanism which is driven by the whole class canscious varguard of the whole working class"

কিন্তু আমাৰ সাহিত্যে সৰ্ব্বহাৰা আন্দোলনৰ সামান্যতম অংশ বিশেষ বুলি দাবী কৰিব পৰা থল আছেনে ? আজি আমাৰ সাহিত্য হব লাগিব দেশৰ অগণন মানুহৰ বাবে। ভাৰতবৰ্ষৰ দৰে এখন এই অৰ্দ্ধ ঔপনিবেশিক অৰ্দ্ধ সামন্ততান্ত্ৰিক দেশৰ সেই অগণন মানুহ ( শ্ৰমজীৱি, কৃষক, শ্ৰমিক শ্ৰেণী ) খিনিক, জনসাধাৰণৰ বাবে কলম লোৱা প্ৰতিজন লেখক লেখিকাই চিনি পোৱাটো উচিত। আমাৰ আলোচনীৰ দুৱাৰ, সৰ্ব্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ হকে কলম লোৱা প্ৰতিজন লেখক লেখিকাৰ বাবে আমি মুকলি ৰখাটো বিচাৰো।

**জৰুৰী অৱস্থাৰ বলি সকললৈ সশ্ৰদ্ধ প্ৰণাম ঃ—**

জাৰ ( Tzar ) ৰ শাসন কালতকৈয়ো বহু বেছি নিষ্ঠুৰ ইন্দিৰা ফেচিষ্ট চৰকাৰৰ শাসন কালত বিশেষকৈ জৰুৰী অৱস্থাৰ সময় ছোৱাত দেশৰ অগণন জনতাই নিজৰ প্ৰাণ বলি দিব লগা হয়। জনগণৰ সপক্ষে আজীৱন কাম কৰা সকলকো জনগণ বিৰোধী বুলি হত্যা কৰা হয় এনেদৰণৰ হত্যাকাণ্ড ( ফাঁচী ) ত বলি হয় অন্ধ্ৰপ্ৰদেশৰ কিষ্টাগাউদ আৰু ভুমাইয়া আৰু আন বহুতো ৰাজনৈতিক বন্দী। কিন্তু দিল্লীৰ টুৰ্কমেনগেটৰ আদিত হোৱা গণহত্যাৰ নিচিনা কাৰ্য্যবোৰ ইন্দিৰা চৰকাৰে জনগণৰ সপক্ষে কৰিছিল নেকি ? জৰুৰী অৱস্থাৰ অতিশৰ্য্যাত মৃত্যু বৰণ কৰিবলগীয়া হোৱা সেই সকল বৰেণ্য দেশ প্ৰেমিক তথা জনগণলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম থাকিল।

**সদৌ নিমন্ত্ৰণ ঃ ব্ৰহ্মপুত্ৰ—**

..............................

........................

শুনিব নেপাও আৰু
ভৰবাৰিষাত, উটি যোৱা মানুহৰ
দুখৰ কিননি। পাৰে পাৰে
জনতাৰ মথাউৰি, ভাঙিব নোৱাৰে
কোনো, ক্ৰূৰৰ মহাকালে। মই ফুৰো
হোৱাং হোৰ পাৰে পাৰে।

( কুলখুৱাৰ চোতাল ঃ হেমাঙ্গ বিশ্বাস)

প্ৰকৃতিৰ লগত যুঁজ মানুহৰ চিৰকলীয়া। সেই যুঁজত সদায় প্ৰকৃতিয়েই জয়ী হয় বোলা কথাষাৰ সচানে ? যদি সেয়ে হয় তেন্তে 'চীনৰ চকুলো" সেই হোৱাং হোৰ দুয়ো পাৰে কেনেকৈ

জনতাৰ মৰ্থাউবি হল ? কেনেকৈ ভৰ বাৰিধা উটি যোৱা মানুহৰ দুখৰ বিননি নাইকীয়া হল। কৃষি শতিকাৰ মানৱ শক্তিয়ে (man-power) প্ৰকৃতিকো বশ কৰিছে। জীৱন্ত উদাহৰণ চীনৰ এই হোৱাংহো। তেন্তে কিয় বাদ পৰি আছে 'অসমৰ চকুলো ব্ৰহ্মপুত্ৰ ? কিয় কৰিয়ে গাবলগীয়া হৈছে !

কেতিয়াবা মনে জুমি চাই বুঢ়া লুইতলৈ
কিমান দিন মাজৰাতি মইতো শুনিছো,
উ্‌পনি তাৰ।

..................................................

..................................................

(কুলখুৰাৰ চোতাল : হেমাঙ্গ বিশ্বাস)

নিশ্চয় সম্ভৱ হব। ব্ৰহ্মপুত্ৰও এদিন মানুহৰ বশলৈ আহিব লাগিব। কিন্তু যদি নিয়ন্ত্ৰণ কৰা কৌশল (Tactics) সেই কৌশলটো জানো আমি জানো ? সেই কৌশল আমি শিকিব লাগিব চীনৰ জন গণৰ পৰা। সেই কৌশল আমাৰ শিকাৰ আগ্ৰহ থাকিলে চীনৰ জন সাধাৰণে আমাক বুজাই শিকাই দিব। প্ৰয়োজন যেন অনুভৱ কৰিলে হয়তু মানৱ শক্তিৰো যোগান ধৰিব। কিন্তু তাৰ বাবে আমিহে আগভাগ লোৱাটো উচিত হব।

**আমাৰ অভাৱ অভিযোগ : —**

প্ৰতি বছৰেই আমাৰ আলোচনীৰ পাতত শ শ কানৈয়ানৰ সমূহীয়া অভাৱ-অভিযোগৰ কথা আজিও অন্ত পৰা নাই। কানৈয়ান বন্ধু সকলে প্ৰথম অভাৱ অনুভৱ কৰিছে অধ্যাপকৰ। তেওঁ বিলাকৰ অভিযোগ যে অন্যান্য কলেজৰ তুলনাত কানৈ কলেজৰ অধ্যাপকৰ সংখ্যা নিচেই নগণ্য হোৱা বাবে শিক্ষাদানৰ ক্ষেত্ৰত বহুতো বেমেৰজালিৰ সৃষ্টি হৈছে। ঠিক সেই দৰে শ্ৰেণীৰ তুলনাত শ্ৰেণী কোঠা (Class Room) ৰ যথেষ্ট অভাৱ।

কানৈ কলেজ অসমৰ ভিতৰত অন্যতম এখন পুৰণি কলেজ। কিন্তু অতি দুখৰ বিষয় যে কানৈ কলেজত-আজি পৰ্য্যন্ত কলা ও বিজ্ঞান বিষয়ৰ কেইবাটাও বিভাগ (Department) খোলা হোৱা নাই। এইয়া কানৈ কলেজৰ ছাত্ৰ ছাত্ৰীৰ দ্বিতীয় অভাৱ-আৰু অভিযোগ।

কানৈ কলেজৰ বহুতো ছাত্ৰ ছাত্ৰীয়ে লাইব্ৰেৰীত সোমাবলৈ নিবিছাৰে। কিয় ? ইয়াৰ কাৰণ হৈছে আৱশ্যকীয় কিতাপ আলোচনীৰ অভাৱ। দ্বিতীয়তে পঢ়া কোঠালিতো (Reading Room) অত্যন্ত ঠেক তৃতীয়তে বেছি ভাগ ছাত্ৰ ছাত্ৰীয়ে লাইব্ৰেৰীৰ ভিতৰত মানিব লগীয়া নিয়ম সমূহ উলঙ্ঘা কৰি চলে। অসমৰ পুৰণি নামজ্বলা অনুষ্ঠান বোৰৰ ভিতৰত কানৈ কলেজৰ খেল পথাৰ নথকাতো বৰ পৰিতাপৰ বিষয়। বিজ্ঞান গাৰ সমূহত আজিও প্ৰয়োজন অনুসৰি আহিলা পাতিৰ যোগান ধৰিব পৰা নাই।

এই কেইটা মূখ্য অভাৱ-অভিযোগৰ উপৰিও কানৈ কলেজৰ ছাত্ৰ ছাত্ৰীৰ এনে বহু অভাৱ অভিযোগ আছে যিবোৰৰ বিষয়ে এই ক্ষুদ্ৰ-সম্পাদকীয়ত লিখি শেষ কৰিব নোৱাৰি।

**"আৰু দুষাৰমান"**

১৯৭৬ চন। ছোটপুৰ্মৰ মাতৰ কোনোবা এটা সন্ধিয়া। এজন বন্ধুৱে গৌৰৱ আহি (ছাত্ৰাবাসত) আলোচনী সম্পাদক হিচাপে কানৈয়ান সকলে আমাক নিৰ্বাচিত কৰাৰ বাতৰিবো

দিয়েছি কিছু সময়ৰ বাবে আনন্দ লাগিলেও এখন কলেজৰ আলোচনী সম্পাদকৰ দায়িত্ব ভাৰ আহি পৰাৰ চিন্তাত পিছ মুহূৰ্ততে মুক হৈ পৰিলো। আগৰ কেই বছৰৰ তুলনাত এইবাৰৰ আলোচনী খন কিছু উন্নত কৰাৰ চিন্তাত আমি সেই আনন্দ মনৰ পৰা মোহাৰি পেলাবলৈ বাধ্য হলো। আমাৰ আচল আনন্দ প্ৰকৃতাৰ্থত সেই দিনাহে হব যিদিনা এখন সৰ্ব্বাঙ্গ সুন্দৰ আলোচনী কানৈয়ানৰ হাতত তুলি দিব পাৰিম।

**দুটি অনুৰোধ কানৈয়ানলৈ।**

সমূহ কানৈয়ানক কওঁ যে কলেজ আলোচনীৰ নামটো কানৈ মহা বিদ্যালয় আলোচনীৰে নামকৰণ কৰে যেন। কাৰণ খেলিমেলি ভাষাৰে নামা কৰণ কৰাটো বৰ নীতি সঙ্গত নহয়। এই ক্ষেত্ৰত প্ৰথমে বেটুপাতুটো কানৈ মহা বিদ্যালয় আলোচনী বুলিয়েই লিখাইছিলো। কিন্তু মোৰ ভাব প্ৰাপ্ত ডাঙৰীয়াই কানৈ মহা বিদ্যালয়ৰ সংবিধানৰ আকুৰ গোঁজ নীতি মতে পুনৰ "কানৈ কলেজ আলোচনী" লিখিবলৈ বাধ্য হলো। গতিকে কানৈয়ান সকলে সংবিধানৰ এই নীতিটো শুদ্ধ কৰি "কানৈ-মহা বিদ্যালয় আলোচনী" কৰে যেন।

কানৈ মহাবিদ্যালয় আলোচনী পুঁজিটো বাজেট মিটিঙত অলপ ভাবি চিন্তি পুঁজি উন্নতি কৰিবলৈ অনুৰোধ কৰিলো। ১৯৭২-৭৩ চনৰ বাজেটৰ অনুযায়ী আলোচনী বিভাগত আৰু ১৯৭৬-৭৭ চনৰ বাজেটত কিমান অৰ্থ আগবঢ়াইছে সকলোৰে বিবেচ্য। এনেস্থলত মই আলোচনীত (Passpost size pHoto) পাচপটট ফটো দিব নোৱাৰিলো। গতিকে এই দুটা বিষয়ৰ ওপৰত যাতে উন্নতিমুখী কানৈয়ানে চকুদিয়ে তাৰ বাবে অনুৰোধ থাকিল।

**অমাৰ্জনীয় দোষ:**

আলোচনীখন বহুতো অভাব অভিযোগৰ হেতু সময় মতে প্ৰকাশ কৰিব নোৱাৰিলো। তাৰো পৰি মোৰ অজ্ঞতাৰ কাৰণে আলোচনী খনত বহুতো ভূল, ত্ৰুটি বৈ গৈছে। পঢ়ুৱৈ সকলে যেই খিনি যাতে নিজ গুণে মোক ক্ষমা কৰে।

শেষত সকলো কানৈয়ানলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা আগবঢ়াই "কানৈ কলেজ আলোচনীৰ" দীৰ্ঘায়ু কামনা কৰিলো।

বিনীত

সঞ্জীৱ কুমাৰ বৰুৱা

(সম্পাদক)

কানৈ কলেজ আলোচনী

ডিব্ৰুগড়

১৯৭৭-৭৮

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু জাতীয় সংহতি

জয়কৃষ্ণ মহন্ত।
সংস্কৃত বিভাগ।

" The old order changeth yeilding place to new lest one good custom should corrupt to world "

The passing of Arthur —(Tennyson)

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰতিভাৰ কেউটা দিশকে লৈ আমাৰ সাহিত্যত যথেষ্ট আলোচনা হোৱা নাই। যুগৰ প্ৰভাৱে তেওঁক ধৰ্ম্মগুৰু হিচাবে গঢ় দিছিল যদিও দৰ্শন —কলা সাহিত্য আৰু সাৰ্বজনীন সমাজ সংগঠনৰ সমন্বয়ত হে পূৰ্ণাঙ্গ ধৰ্ম্মৰ স্বৰূপ প্ৰকাশ পাব পাৰে। ধৰ্ম্মৰ স্বৰূপটো হৈছে মানবীয় গুণ সমূহৰ বিকাশৰ বাবে এটা সূক্ষ্ম জীৱনবোধ বা সূক্ষ্ম চেতনাৰ উপলব্ধি। সেই কাৰণে শঙ্কৰ দেৱৰ সময়তো সাহিত্য কলা দৰ্শন আদি সকলো দিশেই ধৰ্ম্মক কেন্দ্ৰকৰি বিকাশিত হৈছিল।

শ্ৰীমন্ত শঙ্কৰ দেৱক কেৱল ধৰ্ম্মগুৰু হিচাবেই যদি আমি তেওঁৰ ব্যক্তিত্বৰ মূল্যায়ন কৰিব বিচাৰো তেতিয়া কিছু অসম্পূৰ্ণতা ৰৈ যাব যিহেতু তেওঁৰ বহুমূখী প্ৰতিভা কেৱল ধৰ্ম্ম প্ৰচাৰতে সীমাবদ্ধ নাছিল। সি সাহিত্য, কলা দৰ্শন, সমাজ সংস্কাৰ, ৰাষ্টীয় সংহতি আদি সকলো দিশতে নিঃসন্দেহে বিয়পি পৰিছিল। তেওঁ বিচাৰিছিল এখন সমাজ এটা জাতি - য'ত নাই বৰ্ণ বৈষম্য সাম্প্ৰদায়িকতা সংখ্যাৰ লঘুতা গুৰুতা; ধনী দুখীয়াৰ শ্ৰেণী বিভাজন। সেয়েহে আজি পাচশ বছৰ আগতেই তেওঁ ৰিঙিয়াই কৈ গৈছিল গণতন্ত্ৰৰ ( Democracy) সেই বাণী যি গণতন্ত্ৰৰ ৰিং আজি সমগ্ৰ জগতৰ ইমূৰৰ পৰা সিমূৰলৈ শুনা গৈছে। দুৰ্বোধ্য সংস্কৃত সাহিত্য মথি তেওঁ জনগনক দি গল সৰ্ব ভাৰতীয় আহিঁৰ ঐক্য, সংহতি আৰু গণতন্ত্ৰ বাদৰ কাৰ্য্যকৰি পন্থা।

"তাতকৰি সুগম কৰিও ভাগৱত
স্ত্ৰীশূদ্ৰ সৰ্বলোক বুঝে যেন মত॥" বুলি শঙ্কৰ দেৱেই প্ৰথম আধ্যাত্মিক আমোলতন্ত্ৰৰ (Spiritual Bureaucracy) যুগমীয়া বিদ্ৰোহ তোলে আজি পাঁচশ বছৰ আগতেই।

সেই কালত সমাজত প্ৰচলিত জন্মগত জাতি ব্যৱস্থা আৰু স্মাৰ্ত্ত ব্যৱস্থাই দোৰ্ঘোৰ সাম্প্ৰদায়ীকতাৰ জন্ম দিছিল আৰু মানুহে মানুহক ঘিন কৰিবলৈ শিকায়। কিন্তু সেই সাম্প্ৰদায়ীকতাক মথিমূৰ কৰি অদ্বৈতলীলাবাদৰ অনুপ্ৰেৰণাৰে শঙ্কৰদেৱে সমাজক বুজাই দিলে যে- 'নাৰায়ণ' 'নৰ' তে নিহিত এক বিকাশমূখী চেতনাহে। গতিকে অদ্বৈতলীলা- বাদেই মানৱতাবাদ বুলি শিক্ষা দিয়া শ্ৰীমন্ত-শঙ্কৰদেৱে সমাজৰ সকলো সম্প্ৰদায়ৰ শিষ্য গ্ৰহন কৰি জাতীয় ঐক্যৰ বিপ্লৱৰ সূচনা কৰিছিল। তেওঁ নিজৰ শ্ৰেষ্ঠ শিষ্য ৰামৰামগুৰু, দামোদৰ দেৱ প্ৰভৃতিৰ শাৰীলৈ তুলিলোৱা

ব্ৰাহ্মণেতৰ শিষ্য সকলৰ ভিতৰত গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ, বণিয়াৰ হৰিদাস, যৱনৰ ছান্দখাঁ আদি প্ৰধান আছিল। সমাজৰ উচ্চ নীচ ভাৰ আৰু শ্ৰেষ্ঠ জাতি সমূহৰ জাত্যাভিমান চূৰ্ণ কৰি গুৰুজনাই লিখিছিল :

" চণ্ডালো হৰিৰ নামলৰে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ ॥
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক ॥ "

শঙ্কৰদেৱে বুজিছিল যে এখন সাৰ্বজনীন সমাজ গঢ়িবৰ বাবে এলান্ধুকলীয়া লোকাচাৰ আৰু সমাজব্যৱস্থাক বৈজ্ঞানিক দৃষ্টিভঙ্গীত গঢ় দিব পাৰিব লাগিব। সেয়ে তেওঁ ভাৰতৰ সকলো জাতিৰ সকলো লোককে শিষ্যত্ব দিবলৈ কুণ্ঠাবোধ নকৰিছিল।

শাক্ততন্ত্ৰ আৰু বৈষ্ণৱধৰ্ম্মৰ সাধনমাৰ্গত এটি মূলগত আদৰ্শৰ প্ৰভেদ চকুত পৰে। শাক্ততন্ত্ৰই নানা জাতি আৰু উপজাতিৰ মাজত প্ৰচলিত সাধনমাৰ্গক সামৰি লবলৈ যাওঁতে নানা অমাৰ্জিত ব্যৱস্থাকো সামৰি লব লগা হৈছিল। এই আদৰ্শক আৰ্য্যৰূপ দিয়াৰ ক্ষেত্ৰত ব্ৰাহ্মণ সকলৰ প্ৰতিপত্তি আৰু জাত্যভিমান বৃদ্ধিপালে ফলত জাতিধৰ্ম্মৰ বিভাজন বৃদ্ধিহে পালে। আন হাতে বৈষ্ণৱধৰ্ম্মই অমাৰ্জিত সাধনমাৰ্গ গ্ৰহণ নকৰাকৈ এক সাৰ্বজনীন ধৰ্ম্ম আৰু আদৰ্শৰ বাট দেখুৱালে। আৰু সেয়ে হ'ল আধ্যাত্মিক আদৰ্শ। আধ্যাত্মিক আদৰ্শত জড় আৰু স্থুল বস্তুতকৈ চেতন আৰু সূক্ষ্ম সত্তাৰ ওপৰত অধিক বিশ্বাস কৰা হয়। গতিকে সভ্যতাৰ ভৌতিক ৰূপটো আঁৰত মানুহৰ শাৰীৰিক বলতকৈ যে বুদ্ধি বা চেতনাৰ সূক্ষ্ম শক্তিয়েহে অধিক কাম কৰিছে সেই কথা সহজে বুজিব পাৰি; লগতে এই সূক্ষ্ম শক্তিটো যে ব্যক্তিৰ শক্তি নহয় সমষ্টিৰ শক্তি আৰু ক্ষণস্থায়ী নহয় সনাতন তাকো বুজাত সহায় হয়। সেয়েই ব্যক্তিৰ চেতনাক সমষ্টিৰ চেতনালৈ বিকশিক কৰাৰ সাধনটোৱে সামাজিক চেতনাক সাম্প্ৰদায়ীকতা আৰু ৰাষ্ট্ৰীয়তাৰ সীমা অতিক্ৰম কৰি বিশ্বজনীন মানৱতাৰ আদৰ্শলৈ আগবঢ়াত সহায় কৰিব পাৰে। অদ্বৈতবাদৰ এইটোৱেই ব্যৱহাৰিক ৰূপ।

সগুণ ভক্তিক স্বীকৃতি দিয়াৰ কাৰণে শঙ্কৰদেৱৰ সমাজব্যৱস্থাত কলাই মহত্বপূৰ্ণ স্থান অধিকাৰ কৰিব পাৰিলে। লীলাবাদেই সগুণ ভক্তিৰ মূল আধাৰ, আৰু গুণাতীত সত্তাক উপলব্ধিৰ স্তৰলৈ অনাৰ আগতে বুদ্ধিয়ে ঢুকি পোৱা এটা স্তৰৰ খোপনি লগা হয়। এই খোপনিটোৱেই লীলাবাদৰ দৃষ্টিত সগুণ ভক্তি ।

" নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সোহি জন্মে জীৱৰ জনম দূৰ কৰা ॥
সহজ অকৰ্ত্তা কৰ্ম কৰা অপৰ্য্যন্ত।
সোহি কৰ্মে জীৱৰ কৰ্ম্মৰ কৰা অন্ত ॥ "

( বৰগীত ১২৪ )

সেই বাবে সমাজ সংগঠনৰ ক্ষেত্ৰত শঙ্কৰদেৱে এই আদৰ্শক আদৰ্শ কৰিয়েই থৈছে। নৰকে নাৰায়ণ ৰূপে দেখুৱাবলৈ যোৱাৰ এই টোৱেই উদ্দেশ্য।

যি কোনো সমাজৰ দৃশ্য ৰূপটো ঐতিহাসিক অৱস্থা এটাৰ চিত্ৰ মাত্ৰ। সেই ইতিহাসক চেৰাই

খাপচাৰা এটা সাধন মাৰ্গ গঠণ হব নোৱাৰে। হজৰত মহম্মদ যীশুখৃষ্ট অথবা শ্ৰীমন্ত শঙ্কঁৰ দেৱেও সমাজ ভিত্তিক ইতিহাসক আওকান কৰা নাই। কাৰণ তেনে প্ৰতিকূল ব্যৱস্থা সম্ভবো নহয়। গতিকে সেই দিশত দৃষ্টি ৰাখি শংকৰদেৱে এই কথা অধিক গুৰুত্ব সহকাৰে বিবেচনা কৰিছিল যে প্ৰচলিত স্মাৰ্ত্ত বিধানত জোৰ দিলে শক্তিৰ অপচয় হে হব, সমাজৰ পুনৰ্গঠন মূলক কাম নহব। সেয়ে তেওঁ শ্ৰৱন কীৰ্ত্তন আদি সহজ সাধনৰ উপৰিও নানা ধৰণৰ গীত মাত আৰু সুকুমাৰ কলাৰ ওপৰত প্ৰাধান্য আৰোপ কৰিছিল। ফল স্বৰূপে সৰ্বসাধাৰণ জনতাৰ প্ৰতিভাই স্বীকৃতি লাভ কৰিছিল আৰু ত্ৰৈবৰ্ন নিৰ্বিশেষে তেওঁ শৰণ দিয়া ব্যৱস্থাই সাম্প্ৰাদায়ীকতাক এক বিশ্বজনীন ভাতৃত্বলৈ উন্নীত কৰিছিল। ভাগৱতৰ দ্বাদশ স্কন্ধৰ পদবন্ধ ভাঙনিত তেওঁ লেখিছো।

"শূদ্ৰ সব অনেক কৈৱৰ্ত্ত আদি কৰি।
অন্ত্যজ পৰ্য্যন্তে ভজিবেক মহা হৰি॥" ১১১

উপনিষদ আৰু উপনিষদত্তৰ কালৰ পৰা চিত্তশুদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহা হৈছে। এই চিত্তশুদ্ধিৰ সাধন স্বৰূপে ভিন-ভিন সময়ত ভিনভিন দেৱতাক প্ৰাধান্য দি দেখুৱা হৈছে। ছান্দোগ্য উপনিষদৰ সত্যকামৰ কাহিনীয়েও চিও শুদ্ধিকেই বুজাইছে। বৈষ্ণৱ গুৰু সকলে এই ক্ষেত্ৰত সাধন স্বৰূপে নিৰ্গুণ ব্ৰহ্ম অথবা ভগবান বিষ্ণুৰ অব্যভিচাৰী ভক্তি বিধান কৰিছে। শঙ্কঁৰ দেৱৰ ৰচনাতো সেই আদৰ্শৰ ব্যতিক্ৰম হোৱা নাই। কিন্তু আপাত ভাৱে চালে শঙ্কঁৰ দেৱৰ ৰচনাত দোৰ্ঘোৰ সাম্প্ৰদায়ীকতাৰ বীজ নিহিত থকা যেন লাগে ঃ

অন্য দেবী দেৱ নকৰিবা সেৱ গৃহক নযাইবা তাৰ।

মূৰ্ত্তিকো নচাইবা প্ৰসাদো নখাইবা ভক্তি হৈৱে ব্যভিচাৰ॥"

ভাগৱতৰ মূলত তেনে কোনো নিষেধ আৰোপ হোৱা নাই। কিন্তু শঙ্কঁৰ দেৱে কিয় তেনেদৰে লিখিলে? অথচ ওৰেবা ৰৰ্ণন প্ৰভৃতি ৰচনাত জড়স্তুতি শঙ্কৰ দেৱে নিজেই লিপিবদ্ধ কৰি গৈছে। এই সকলোবোৰ পৰস্পৰ বিৰোধী ভাৱৰ তেতিয়াই নিৰসন হব যেতিয়া আমি মহাপুৰুষ জনাৰ প্ৰকৃত ধাৰণা অনুধাৱন কৰিব পাৰিম। প্ৰকৃততে নিৰ্গুণ ব্ৰহ্ম এক। আৰু সেই সৎ চিৎ আনন্দ ৰূপ ব্ৰহ্মাৰ বিভিন্ন প্ৰকাশ দেৱ দেবী সকল নাম আৰু ৰূপৰ সামান্য পাৰ্থক্য থাকিলেও লীলাময় ব্ৰহ্ম এক। গতিকে গছৰ দাল আৰু পাতত পানী দিয়াতকৈ শিপাত পানী দিয়াৰ ব্যৱস্থা কৰি গল শঙ্কৰ দেৱে। সেয়ে হলে সমগ্ৰ ভাৰতবাসীয়ে এক ব্ৰহ্মাৰ উপাসনাৰ মাধ্যমত এটা জাতি হিচাবে ঠিয় দিয়াত কষ্ট নহব বুলি ভাবিছিল শঙ্কঁৰ দেৱে আজিৰ পৰা পাচশ বছৰ আগতেই। প্ৰাকশঙ্কঁৰী যুগত শিৱ আৰু শক্তিক উপলক্ষ্য কৰি বহুতো আৰ্য্যোতৰ দেৱতাক পূজা কৰা হৈছিল। তেনে তামাসিক পূজা আৰু আনহাতে অব্যভিচাৰী ভক্তিলৈ লক্ষ্যৰাখি অন্যদেবী দেৱ পূজা নিষেধ কৰাই সিবিলাকৰ প্ৰতি বিভেদ অথবা বিৰোধৰ ইঙ্গিত নিদিয়ে।

একে সুৰতে খৃঃ পূ দ্বাদশ শতাব্দীৰ আগৰ জৰথুশত্ৰই কৈ গৈছিল zi-Mazdaon hodum (একেশ্বৰে মজদাৰ ভক্ত হোৱা) আনহাতে দি

মহমদীয় ধৰ্ম্মৰ মূল মত আৰু তত্বও হ'ল "তৌহিদ" (ঈশ্বৰৰ ঐকত্ব) আৰু তাৰ পৰাই উদ্ভৱ হল—"লা ইলাহ্ ইল্ল আল্লা" অৰ্থাৎ একেশ্বৰ ঈশ্বৰৰ বাদে কেওঁ উপাস্য দেৱতা নাই। আৰু ইয়াকে উপনিষদে চিঞৰি কৈছেঃ

"একং সদ্ বিপ্ৰা বহুধা বদন্তি।"

ই নিশ্চয় শঙ্কৰ দেৱৰ বাণী "একদেৱ"ৰ সমৰ্থক। গতিকে শঙ্কৰদেৱে যে কেৱল ধৰ্ম্ম প্ৰচাৰতেই মন দিছিল এনে কেতিয়াও নহয়। সকলো ধৰ্মকে সামৰি সকলো ধৰ্ম্মাৱলম্বী লোকে সমানে উপভোগ কৰিব পৰাকৈ যে এটা ধৰ্ম্মৰ গঢ় দিবলৈ চেষ্টা কৰিছিল তাত সন্দেহ নাই।

সমাজ সংস্কাৰৰ ক্ষেত্ৰত আৰু সংগঠনিক প্ৰচেষ্টাত শঙ্কৰ দেৱৰ আন এটি মহৎ কীৰ্ত্তি হৈছে সমাজৰ সকলো সম্প্ৰদায়ৰ মাজত উদাৰ আৰু ওখ মৈত্ৰী ভাবাপন্ন ভাবধাৰাৰ বিস্তাৰ। তেওঁৰ ধৰ্ম্মৰ এই গুণটোৱে সমাজৰ প্ৰায় সকলো সম্প্ৰদায়ৰ লোককে মুগ্ধ কৰিছে। শঙ্কৰ দেৱে বুজিছিল যে কঠিন নিয়ম কিছুমানেৰে গঠিত আৰু সাম্প্ৰদায়ীকত ভাবাপন্ন ধৰ্ম্ম এটা সকলো লোকৰ ধৰ্ম্ম হব নোৱাৰে। আনহাতে তেনে ধৰ্ম্ম সাৰ্বজনীন ভাতৃত্ব পৰিপাঠী। গতিকে সমাজৰ সকলোস্তৰৰ সকলো লোককে সামৰিব পৰাকৈ এটা ধৰ্ম্ম তৈয়াৰি কৰিবলৈ হলে এটা উদাৰ দৃষ্টিভঙ্গীৰ প্ৰয়োজন আৰু তাকেই কৈছে শঙ্কৰদেৱে—

"ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল ॥"

(বৈকুণ্ঠপ্ৰয়াণ)

আৰু এটা মন কৰিবলগীয়া কথা যে শঙ্কৰ দেৱে বৰগীত সমূহত যি কেইটা ৰাগ ব্যৱহাৰ কৰিছিল তাৰ বহু কেইটা ৰাগেই সৰ্বভাৰতীয় আহিত লোৱা হৈছিল। শ্ৰীমন্ত শঙ্কৰ দেৱৰ ৰাগসমূহ আছিল ঃ আশোৱাৰী, নাটমল্লাৰ, ধনশ্ৰী, গৌৰী, সুহাই, বসন্ত, শ্ৰী, কেদাৰ, কল্যাণ, ভূপালী আৰু অহিৰ। ইয়াৰ ভিতৰত আশোৱাৰী আৰু কানাৰা ৰাগ সম্ভৱতঃ সৰ্বভাৰতীয় প্ৰাচীন ৰাগ 'কান্হাৰা' আৰু 'আসাৱৰী'ৰ পৰা অহা যেন লাগে।

আনহাতেদি সৰ্বভাৰতীয় আদৰ্শৰ ওপৰত ভিত্তি কৰি শঙ্কৰ দেৱৰ গীতিসাহিত্য ৰচিত হৈছিল। বাৰশতিকাৰ জয়দেৱ, বিল্বমঙ্গল, কৃষ্ণলীলাশূক প্ৰভৃতিৰ ৰচনাৰ লগত সামঞ্জস্য আৰু সিবিলাকৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি শঙ্কৰ দেৱৰ গীতিসাহিত্য ৰচিত হৈছিল। কাৰণ শঙ্কৰ দেৱে বুজিছিল যে সৰ্বভাৰতীয় সাহিত্যৰ প্ৰভাৱক অস্বীকাৰ কৰিলে কোনো যুগজয়ী সাহিত্য সৃষ্টি হব নোৱাৰে। সেয়েহে জয়দেৱৰ গীতগোবিন্দ কাব্যৰ ঃ

ধীৰে সমীৰে যমুনাতীৰে বসতিবনে বনমালী।
গোপী: পীন পায়োধৰঃ মৰ্দ্দন চঞ্চল কৰ যুগঃ শালী ॥" আদি পদৰ প্ৰভাৱ

শঙ্কৰ দেৱৰ পদত দেখা যায়:

"অঘবক কুবলয় ধেনুক কেশীকংসনাশী বনমালী।
গোপী পীনপায়োধৰ মৰ্দ্দন চঞ্চল কৰযুগ শালী ॥"

শঙ্কৰ দেৱৰ ৰচনাৰ প্ৰধান আৰু অটাইতকৈ গুৰুত্বপূৰ্ণ কথা হল ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ। অসমৰ বাহিৰৰ বৰং কব পৰা যায় যে সৰ্বভাৰতীয় আদৰ্শ এটা আগত ৰাখি, সকলো লোকেই

যাতে তেওঁৰ ধৰ্মৰ উপদেশবোৰ বুজিব পাৰে তাৰ বাবেই ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা যেন লাগে। সেই সময়ৰ প্ৰায়বোৰ বৈষ্ণৱ সমাজতেই ব্ৰজাৱলী ভাষাৰ প্ৰভাৱ আছিল। গতিকে মূলভাষা নহলেও ই এটা উমৈহতীয়া ভাষা আছিল।

আনহাতেদি শঙ্কৰ দেৱৰ আদৰ্শ প্ৰাদেশিকতাত সীমাবদ্ধ নাছিল। সাৰ্বজনীন আদৰ্শৰে অনুপ্ৰাণিত শঙ্কৰদেৱে লেখিছিল :

" ধন্য ধন্য কলিকাল ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষে ॥ " অথবা—
" ভাৰতে মানবী তনু " ইত্যাদি।

দ্বিতীয়তে মন কৰিব লগীয়া কথা হল সৰ্বভাৰতীয় কলাৰ সমন্বয়ত সৃষ্টি হোৱা শঙ্কৰী কলা। তেওঁৰ কালৰ কলা সমূহ বিকশিত হৈছিল এক সৰ্ব-ভাৰতীয় আদৰ্শ আগত ৰাখিহে। নামঘৰ বিলাকত চিত্ৰিত কলা সমূহ আৰু সিংহাসন আদিত খোদিত সিংহ আদিৰ মূৰ্ত্তিৰ নমুনা সম্ভৱতঃ ভাৰতৰ বিভিন্ন উন্নত কলাৰাশিৰ পৰা সংগৃহীত। ফলত এক আচৰিত অথবা আচহুৱা কলাৰ সৃষ্টি নহৈ এক সমন্বয়ধৰ্ম্মী কলাৰ হে সৃষ্টি হৈছিল। গৰুড় পক্ষীৰ মূৰ্ত্তিত মানুহৰ শৰীৰ আৰু চৰাইৰ ঠোঁট, সিংহৰ মূৰ্ত্তিত সিংহতকৈ পৃথক জন্তুৰ মুখাবয়ব দক্ষিণ ভাৰতীয় মন্দিৰৰ ষড়ভ মূৰ্ত্তিৰ অনুকৰণত হোৱা যেন অনুমান হয়। বিল্বমঙ্গলৰ 'কৃষ্ণকৰ্ণামৃত'ত থকা বাল গোপালৰ স্তুতিৰ অনুৰূপ বালগোপালৰ ভৰিৰ আঙুলি চুপি থকা অনুৰূপ মূৰ্ত্তি মাদ্ৰাজৰ সংগ্ৰাহালয়ত আছে। 'চিন্তহু বালগোপালং' বৰগীততো তদৰূপ মূৰ্ত্তিৰ চিত্ৰ ডাঙি ধৰা হৈছে।

শঙ্কৰ দেৱৰ আবিৰ্ভাৱৰ এহাজাৰ বছৰ মান আগৰে পৰাই শাক্ত, বৌদ্ধ, শৈবাদি সম্প্ৰদায় সমূহে ধৰ্ম্মীয় ৰহস্যবোধ আৰু আচৰণ সমূহক সৰ্বভাৰতীয় আদৰ্শত গঢ় দিয়াৰ ক্ষেত্ৰত চেষ্টা কৰিছিল আৰু কিছুপৰিমাণে সফলো হৈছিল। কিন্তু শঙ্কৰদেৱৰ সমাজ সংগঠনৰ প্ৰধান লক্ষ্য আছিল এই আদৰ্শবোৰৰ পৰিবৰ্ত্তে যথাসম্ভৱ এটা ভাৰতীয় আদৰ্শত গঢ় দিয়াতো। কাৰণ এই আদৰ্শ সমূহ জনসাধাৰণৰ ব্যৱহাৰিক জীৱনৰ উপযোগী হোৱাটো বাঞ্চনীয়। ব্যক্তিগত সাধনৰ পথ উত্তম হলেও সি জনসাধাৰণৰ বাবে উপযোগী নহবও পাৰে। গতিকে ভাগৱত ধৰ্ম অনুসৰণ কৰি জাতিবৰ্ণৰ ওপৰত গুৰুত্ব আৰোপ নকৰি মানসিক উৎকৰ্ষৰ ওপৰতহে শঙ্কৰ দেৱে গুৰুত্ব আৰোপ কৰিছিল আৰু জাতিবৰ্ণ নিৰ্বিশেষে সমন্বয়ধৰ্মী চেতনাৰে উদ্ধুদ্ধহৈ গুৰুজনাই লিখিছিল :

"আনো আনে কিছুমাত্ৰ হৈবেক ভকত।
ভজিবে প্ৰচুৰ প্ৰজা দ্ৰাবিড় দেশত ॥
কৃষ্ণৰ চৰণে ধৰি সুদৃঢ়া বিশ্বাসে।
কৰি কৃষ্ণ কীৰ্ত্তন তৰিবে অপ্ৰয়াসে ॥ "

( নিমিনবসিদ্ধ সংবাদ- ৩৯৩)

শ্ৰীমন্ত শঙ্কৰ দেৱৰ উত্তৰ কালত বহু ৰাজনৈতিক আৰু সামাজিক অথবা অৰ্থনৈতিক পৰিবৰ্ত্তন হৈ গৈছে। ৰাজনৈতিক অথবা আৰ্থিক পৰিবৰ্ত্তনৰ লগত সামাজিক পৰিবৰ্ত্তনো অপৰিহাৰ্য্য। বৰ্ত্তমান যুগৰ সমস্যা বোৰ অধিক জটিল আৰু বহল হৈ পৰিছে। হিন্দু, মুছলমান, খৃষ্টান অথবা অসম, বঙ্গ, বিহাৰ আদি ঠেক সীমাৰে সীমিত কৰিবলৈ গলে সমাজক আৰু সঙ্কীৰ্ণ কৰাৰ বাহিৰে লাভ

একো নহব । ভাৰতবৰ্ষৰ দৰে বিশাল এখন দেশৰ সীমাৰ মাজতো আজি সামাজিক আদৰ্শ সীমাবদ্ধ নহয় । কিন্তু পাচশ বছৰ আগতেই শংকৰ দেৱে জনসাধাৰণৰ মাজত এটা সৰ্বভাৰতীয় আদৰ্শ ডাঙি ধৰিছিল যিটো আদৰ্শ আজি সমগ্ৰ মানৱ জাতিকে প্ৰয়োজন হৈ পৰিছে । আজিৰ সমাজৰ আত্মকেন্দ্ৰিকতা; অত্যাচাৰ, ব্যভিচাৰ, অভিচাৰ, আৰু ব্যক্তিবিমুখতা আৰু অবিশ্বাস দূৰ কৰিবলৈ হলে আমি আকৌ পাচশ বছৰীয়া প্ৰাচীন আদৰ্শক ঘঁহি মাজি চিকচিকিয়া কৰি লব লাগিব; উভতি চাব লাগিব শঙ্কৰদেৱৰ আৰু অন্যান্য বৈষ্ণৱ গুৰু সকলৰ সেই সাৰ্ব্বজনীন বিশ্বভাতৃত্বৰ নিৰংকুশ ঐকত্বলৈ ।

লোক সংখ্যাৰ ফালৰ পৰা চালে শঙ্কৰ দেৱৰ ধৰ্ম্মৰ অনুগামী লোক ভাৰতৰ সত্তৰ কোটি লোকৰ ভিতৰত সত্তৰ লাখো নহব । গতিকে তেনে এটা ধৰ্ম্মৰ আদৰ্শৰ স্থায়ীত্বৰ ওপৰত স্বভাবতে সন্দেহ হোৱাটো স্বাভাৱিক । কিন্তু সংখ্যাৰ গৰিষ্ঠতাই স্থায়ীত্ব আৰু প্ৰভাৱৰ লক্ষণ নহবও পাৰে । আদৰ্শৰ স্বচ্ছতা, সিদ্ধান্তৰ যৌক্তিকতা আৰু দৃষ্টি ভঙ্গীৰ গভীৰতা থাকিলে শুদ্ধ আৰু ব্যৱহাৰিক ৰূপ থকা আদৰ্শই স্থায়ী বিকাশ লাভ কৰিব পাৰে । ঠেক ভাবে নাচাই যদি আমি বহল ভাবে চাও দেখিম যে শঙ্কৰদেৱৰ আদৰ্শ কেৱল অসমতে সীমাবদ্ধ নাই । আনহাতে শঙ্কৰ দেৱে একো নতুন বস্তু আৱিষ্কাৰ কৰা নাই। সমাজতে থকা এসাঙ্কুকলীয়া আৰু ব্যৱহাৰিক মূল্য হ্ৰাস হোৱা উপাদানবোৰক ঘঁহি মাজি চিকুন কৰি শুদ্ধ ব্যৱহাৰিক ৰূপ এটা দি সকলোৰে গ্ৰহণ যোগ্য হিচাবে আগবঢ়াই দিছে দেশ কাল আৰু পাত্ৰৰ লগত খাপ খোৱাকৈ । ইয়াতেই আছিল তেওঁৰ বিশেষত্ব । ইউৰোপৰ ৰেনেচা অথবা নবজাগৰণৰ দৰেই মধ্যযুগীয় ভাৰতীয় আদৰ্শৰ সংস্কাৰ ধৰ্ম্মী ৰূপটোৱেই বৈ গ'ল শংকৰ দেৱৰ মতত। গতিকে শঙ্কৰদেৱৰ মত আৰু আদৰ্শৰ অনুধাৱণ কৰিবলৈ হলে আমি প্ৰত্যেকেই প্ৰাদেশিকতাহীন সৰ্ব্বভাৰতীয় উদাৰ দৃষ্টিভঙ্গী একোটা গ্ৰহণ কৰিব লাগিব ।

---

"যি সংস্কৃতি বিশ্বশৃঙ্গলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্বজনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, সুখত, আনন্দত ॥

জ্যোতি প্ৰসাদ ।

# দ্বন্দ্বমূলক বস্তুবাদ কি ?

শ্ৰীদ্বীপেন্দ্ৰ নাথ কাকতী
১ম বাৰ্ষিক স্নাতক মহলা

ইতিমধ্যে অসমৰ ভালেকেইখন প্ৰগতিশীল আলোচনীৰ পাতত দ্বন্দ্বমূলক বস্তুবাদৰ (Dialectical Materialism) ওপৰত বহুতো আলোচনা বিলোগনা হৈ গৈছে। এই বস্তুবাদৰ ওপৰত ভিত্তি কৰি যি দৰ্শন (মাৰ্ক্সবাদ) আজি পৃথিবীৰ এক তৃতীয়াংশ মানুহৰ জীৱনৰ মূলমন্ত্ৰ হৈ পৰিছে। তেনেক্ষেত্ৰত আজিও আমাৰ শিক্ষিত চামৰ বহুতেই এই দৰ্শনৰ নামশুনিলেই দূৰৈতে পলাব খোজে, ঘৃণাত নাক কোচায় অথবা শুনিও নুশুনাৰ ভাও জুৰি টলকা মাৰি থাকে। গতিকে স্বাভাবিকতে বহুতৰ মনলৈ এটি প্ৰশ্ন আহে যে এই ক্ষেত্ৰত যদি আমাৰ শিক্ষিত চামৰেই অৱস্থা একেকুৰা তেন্তে ভাৰতীয় জনগনতান্ত্ৰিক বিপ্লৱ কিমান দূৰৈত ? কাৰণ বস্তুবাদৰ ওপৰত প্ৰতিষ্ঠিত এই দৰ্শনক বাদ দি যদি সমাজতান্ত্ৰিক বিপ্লৱৰ কথা চিন্তা কৰা হয় তেন্তে সেই চিন্তা আমাৰ বাবে অকল বন্ধ্যাই নহয়, বিভ্ৰান্তিকৰো। মাৰ্ক্সবাদ হৈছে এক প্ৰকাৰ বিজ্ঞান। এই বিজ্ঞানে আমাৰ তথা জগতৰ প্ৰতিটো ঘটনা আৰু কাৰ্য্যৰ ওপৰত সূক্ষ্মাতি সূক্ষ্ম তথা বৈজ্ঞানিক বিশ্লেষণ আগবঢ়ায়। দ্বন্দ্বমূলক বস্তুবাদৰ ওপৰত ভিত্তি কৰিয়েই মাৰ্ক্সবাদৰ জন্ম হৈছে। অৰ্থাৎ মাৰ্ক্সবাদৰ ঘাই শিপাডালেই হৈছে দ্বন্দ্বমূলক বস্তুবাদ। তেনেক্ষেত্ৰত এজন কলেজীয়া ছাত্ৰ হিচাপে বস্তুবাদী দৰ্শনৰ এটি মাথো সম্যক ৰূপ দিবলৈ যোৱাটো আমাৰ বাবে ধৃষ্টতাৰ বাদে আন একো নহয়। তথাপি আমাৰ এই ক্ষুদ্ৰ আলোচনাটিত দ্বন্দ্বমূলক বস্তুবাদনো কি তাৰেই এটি সম্যক ধাৰণ দিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হব।

আজিৰ পৃথিবীত দাৰ্শনিক চিন্তাধাৰা প্ৰধানতঃ দুটা প্ৰধান শিবিৰত বিভক্ত। এটা হৈছে ভাববাদী আনটো হৈছে বস্তুবাদী। মাৰ্ক্সে কৈছিল " Philosophers have only interpreted the world in various ways, but the real task is to alter it. " দেখা গৈছে যে ভাববাদী চিন্তাৰ প্ৰজ্ঞাসকলে ইমান দিনে মাথো জগতৰ ব্যাখ্যা আগবঢ়োৱাতেই আবদ্ধ থাকিল। কিন্তু মূল কাম হৈছে জগতৰ ৰূপান্তৰ ঘটোৱাহে। বস্তুবাদী চিন্তাধাৰা দাৰ্শনিক সকলৰ চিন্তা বস্তুৰ উৰ্দ্ধত নেযাই বাবেই তেওঁ বিলাকৰ চিন্তাৰ বাস্তৱ ৰূপ দেখিবলৈ পোৱা যায়। ইতিমধ্যে বিশ্বৰ বহুকেইখন দেশত এই দৰ্শনৰ সফল প্ৰয়োগ আৰু তাৰ ফলত সেইদেশৰ চেহেৰাই সলনি হৈ যোৱা ঘটনাবোৰ কাৰো চকুত নপৰাকৈ থকা নাই। এতিয়া বস্তু বুলিলেনো আমি কি বুজো ? মাটি, পানী, শিল, গছ গছনি জীৱজন্তু আদি এই পৰিদৃশ্যমান জগতৰ সকলো

বোৰ বস্তুকেই আমি সাধাৰণ অৰ্থত বস্তু বুলি কওঁ ।

আধুনিক বিজ্ঞানে এইবোৰৰ উপৰিও বায়ু আৰু নানা বিধ চকুৰে নমনা বস্তুকো এই তালিকাৰ অন্তৰ্ভূক্ত কৰিছে । " মুঠতে আমাৰ প্ৰত্যক্ষ অভিজ্ঞতাই আহৰণ কৰা জৈৱ, অৰ্দ্ধজৈৱ, জড়, ইন্দ্ৰিয়া নুভৱ, বৈজ্ঞানিক বিশ্লেষণত প্ৰমাণ হোৱা সকলো বস্তুকেই বস্তুৰ এই তালিকাভূক্ত কৰিব লাগিব " ।

( বিনন্দ মহন, বস্তুবাদী দৰ্শন, সোমাৰি কলেজ আলোচনী ।)

বস্তুতেই কব খোজে যে বস্তুবাদৰ জন্মভূমি হ'ল ইংলণ্ড । কিন্তু তাৰ বহু আগতেই প্ৰাচীন গ্ৰীচত হেৰাক্লিতাচ, এম্পিদোক্লিচ, এপিকিওতচ প্ৰভৃতি বিখ্যাত দাৰ্শনিক সকলৰ লেখনিত বস্তুবাদৰ প্ৰথম গোন্ধ পোৱা যায় । প্ৰাচীন চীনতো সেইদৰে লাও চুকে আদি কৰি কেইবাজনো দাৰ্শনিকৰ মাজত বস্তুবাদী চিন্তাধাৰাৰ আভাষ পোৱা যায় । "প্ৰাচীন ভাৰততো সেই দৰে লোকায়ত দৰ্শন বস্তুবাদী দৃষ্টি ভঙ্গীৰ প্ৰধান সমৰ্থক আছিল ।" ( অঙ্গীকাৰ, ফেব্ৰুৱাৰী মাৰ্চ সংখ্যা, ১৯৭৫ ) ১৭/১৮ শতিকাত হে ইউৰোপৰ বিখ্যাত বস্তুবাদী দাৰ্শনিক বেকন, কলিন্স, হৰচ্, লক, ডডৱেল, হাৰ্টলি আদিৰ লেখনিত বস্তুবাদৰ সুস্পষ্ট ধাৰা প্ৰৱাহিত হয় । অৰ্থাৎ "অষ্টাদশ আৰু উনবিংশ শতাব্দীত ইউৰোপত দেখা দিয়া যান্ত্ৰিক জড়বাদ (Mechanical Materialism ) " [ ভবানন্দ দত্ত, দৃষ্টি আৰু দৰ্শন ; পৃঃ ১৩ ] বুলিহে এই বস্তুবাদক জনা যায় । প্ৰখ্যাত জাৰ্মান দাৰ্শনিক লোদৱিগ ফ্যুৱেৰবাখৰ ( Ludwig Feuerbach ) হাতত হে বস্তুবাদী দৰ্শনে চূড়ান্ত বিকাশ লাভ কৰিছিল । কালমাৰ্ক্স আৰু ফেড্ৰিক এঙ্গেলচক ফ্যুৱেৰবাখৰ দৰ্শনৰ দৰেই হেগেলৰ দৰ্শনেও জীৱনৰ প্ৰথম চোৱাত গভীৰভাৱে প্ৰভাবান্বিত কৰিছিল । অৱশ্যে পাছত এওঁলোকে দুয়োজনাৰ দৰ্শনৰে কেতবোৰ তত্বৰ মাৰ্ক্স আৰু এঙ্গেলচে দুৰ্যোৰ বিৰোধিতা কৰি কৈছিল : "আমাৰ দ্বন্দ্বমূলক পদ্ধতি হেগেলীয় পদ্ধতিৰ তুলনাত কেৱল মাত্ৰ স্বতন্ত্ৰই নহয়, ঠিক ইয়াৰ বিপৰীতো ।" ( কালমাৰ্ক্স কেপিটেল, প্ৰথম খণ্ড ) ।

ভাৱবাদ অথবা প্ৰাচীন বস্তুবাদৰ তুলনাত যান্ত্ৰিক বস্তুবাদ ( Mechanical Materialism ) যথেষ্ট প্ৰগতিশীল আছিল যদিও প্ৰকৃতিৰ বহুতো নিয়ম তথা ইয়াৰ বিকাশৰ যুক্তিসঙ্গত আৰু বিজ্ঞান সন্মত বাখ্যা দাঙি ধৰিব পৰা নাছিল । মুঠতে "ভাৱবাদ আৰু প্ৰাচীন বস্তুবাদৰ মাজত অৱশেষত ইমানেই পাৰ্থক্য থাকিল গৈ যে ভাৱবাদী দৰ্শনৰ ভিত্তি এক অপৰিবৰ্ত্তনীয় আলৌকিক শক্তি আৰু যান্ত্ৰিক বস্তুবাদৰ, কোনো অপৰিবৰ্ত্তনীয় পদাৰ্থ বা পৰমানু । যান্ত্ৰিক বস্তুবাদৰ মতে জগতৰ সকলো পৰিবৰ্ত্তনৰ কাৰণ হ'ল পৰিবৰ্ত্তনহীন পৰমানুৰ বা পদাৰ্থ সমূহৰ মাজৰ ক্ৰিয়া প্ৰক্ৰিয়া । কিন্তু আধুনিক বিজ্ঞানে যান্ত্ৰিক বস্তুবাদৰ এই ভিত্তিক ওফৰাই দিছে কাৰণ পৰমানুবো ৰূপান্তৰ ঘটিব পাৰে । ( অঙ্গীকাৰ, ফেব্ৰুৱাৰী মাৰ্চ সংখ্যা, ১৯৭৪ চন ) । মুঠতে দ্বন্দ্বমূলক বস্তুবাদৰ ওচৰত যান্ত্ৰিক বস্তুবাদৰ ভুলবোৰ এটাৰ পিছত আনটো কৈ তুখ লগাকৈ ওলাই পৰিবলৈ ধৰিলে ।

দ্বন্দ্বতত্ব ( Dialectics ) মুলতঃ অতীন্দ্ৰিয় তত্বৰ ( Metaphysics ) সম্পূৰ্ণ বিপৰীত ।

মাৰ্ক্সীয় দ্বন্দ্বমুলক পদ্ধতি বা দ্বন্দ্বমুলক বস্তুবাদৰ প্ৰধান লক্ষণ সমুহ সাধাৰণ ভাৱে এনে ধৰণে ভাগ কৰিব পাৰি—

১) সকলো বস্তু আৰু ঘটনাৰ পাৰস্পৰিক সংযোগ আৰু পৰিবৰ্ত্তনৰ নিয়ম ।
( Law of uuiversal interconnection & change )

২) বিপৰীতৰ মাজৰ দ্বন্দ্ব আৰু ঐক্যৰ নিয়ম ।
( Law of unity & Struggle of opposites . )

৩) পৰিমানগত পৰিবৰ্ত্তনৰ পৰা গুণগত পৰিবৰ্ত্তনলৈ ৰূপান্তৰিত হোৱাৰ নিয়ম ।
( Law of transformation of quantitative change into qualitative change.

৪। মানুহৰ জ্ঞান বিকাশৰ নিয়ম ।

১। সকলো বস্তু আৰু ঘটনাৰ পাৰস্পৰিক সংযোগ আৰু পৰিবৰ্ত্তনৰ নিয়মঃ- দ্বন্দ্বমূলক বস্তুবাদে বস্তুজগতক পৰস্পৰ সম্পৰ্কহীন তথা বিছিন্ন, সম্পূৰ্ণ স্বতন্ত্ৰ ঘটনা পুঞ্জৰ আকস্মিক সমাবেশ বুলি নেভাবে । অৰ্থাৎ দ্বন্দ্বমূলক বস্তুবাদৰ মতে বস্তুজগতৰ প্ৰতিটো ঘটনা আৰু বস্তুৰ পৰস্পৰ মাজত প্ৰকৃতিগত সম্পৰ্ক আছে । ইহঁত পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আৰু পৰস্পৰৰ দ্বাৰা নিয়ন্ত্ৰিত এই ক্ষেত্ৰত ই অতীন্দ্ৰিয় তত্বৰ ( Metaphysics সম্পূৰ্ণ বিপৰীত। বস্তুজগতৰ কোনো ঘটনা বা বস্তুকেই ইয়াৰ আন কোনো ঘটনা বা বস্তুৰ পৰা পৃথক কৰি চাব নোৱাৰি । গতিকে দ্বন্দ্বমূলক পদ্ধতিৰ মতে প্ৰকৃতিৰ কোনো ঘটনাই আমাৰ কাৰণে বোধগম্য নহব, যদিহে আমি সেই ঘটনাক পৰিবেশৰ পৰা পৃথক কৰি চাওঁ কাৰণ প্ৰকৃতি জগতৰ যি কোনো ঘটনাৰ ৰহস্য আমাৰ কাৰণে অৰ্থহীন হৈ পৰিব যদিহে আমি সেই ঘটনাক পৰিবেশৰ সৈতে থকা সম্পৰ্কিত ৰূপত বিচাৰ কৰি নাচাও—যদিহে সেই ঘটনাক আমি পৰিবেশৰ পৰা পৃথক কৰি বিচাৰ কৰো।

মানৱ সমাজতে বাস কৰা প্ৰতিজন ব্যক্তিৰ অস্তিত্ব সমাজৰ আন সকলোবোৰ ব্যক্তিৰ অস্তিত্বৰ সৈতে নিবিড় ভাবে জড়িত হৈ আছে। সমাজৰ ৰাজনৈতিক অৰ্থনৈতিক ভেঁটিটোৰ আমূল পৰিবৰ্ত্তন নঘটোৱাকৈ বা এই ভেঁটিটো সম্পূৰ্ণ ৰূপে নকৈ গঢ়ি নোতোলালৈকে সামাজিক ৰীতি নীতি, আচাৰ ব্যৱহাৰ, মানুহৰ আচাৰ ব্যৱহাৰ, স্বভাৱ চৰিত্ৰৰ আমূল পৰিবৰ্ত্তন ঘটোৱা প্ৰায় অসম্ভৱ । কাৰণ অৰ্থনৈতিক ভেঁটিটোৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমাৰ শ্ৰেণী চৰিত্ৰই গঢ় লৈ উঠে । অন্য কথাত আমাৰ শ্ৰেণী চৰিত্ৰৰ গঢ় দিয়ে আমাৰ অৰ্থনৈতিক ভেঁটিটোৱেহে ।

২। বিপৰীতৰ মাজৰ দ্বন্দ্ব আৰু ঐক্যৰ নিয়মঃ— দ্বন্দ্বমুলক বস্তুবাদে বিশ্বাস কৰে যে বিশ্ব প্ৰকৃতিৰ কোনো ঘটনাই অচঞ্চল (স্থায়ী) আৰু সনাতন নহয় । বিশ্ব প্ৰকৃতিৰ প্ৰতিটো ঘটনা আৰু বস্তুৱেই অবিৰাম গতিশীল আৰু পৰিবৰ্ত্তনশীল । প্ৰতি মূহুৰ্ত্ততে আৱৰ্ত্তন আৰু

বিৰৰ্ত্তন ক্ৰিয়া প্ৰক্ৰিয়া চলি আছে, প্ৰতিক্ষণেই নতুন নতুন বস্তুৰ আবিৰ্ভাৱ ও বিকাশ ঘটি আছে অন্য হাতেদি সেইদৰে আন কিছুমান বস্তু ধ্বংস হৈ আছে বা লয় পাইছে। অথাৎ ধ্বংস আৰু সৃষ্টি প্ৰতি মূহুৰ্ত্ততে চলি আছে। এঙ্গেলছে কৈছে ঃ "ক্ষুদ্ৰতমৰ পৰা বৃহতম বস্তু এগুঠি বালিৰ পৰা সূৰ্য্য অবধি, আদিম জীৱকোষৰ পৰা মানুহ পৰ্য্যন্ত সমগ্ৰ প্ৰকৃতি এনে অৱস্থাত আছে যে প্ৰতিক্ষণতেই জন্ম ও লয় ঘটি আছে, প্ৰতিমূহুৰ্ত্ততে পৰিবৰ্ত্তন সংঘটিত হৈছে—সকলো ৱস্তুৱেই নিৰবিছিন্ন গতি ও ৰূপান্তৰৰ অৱস্থাত আছে।" (Engels Dialecties of Nature) পৃথিবীৰ কোনো এটা বস্তুৱেই স্থিৰ অৱস্থাত নেথাকে। প্ৰতি বস্তুৰ মাজতেই প্ৰতিমূহুৰ্ত্ততেই দ্বন্দ্ব হৈছে, ধ্বংস হৈছে আৰু নতুনৰ সৃষ্টি হৈছে। কিন্তু মনত ৰথা উচিত হব যে, দ্বন্দ্বমূলক বস্তুবাদৰ মতে ৰস্তু বা ঘটনাৰ গুণগত পৰিবৰ্ত্তন নোহোৱালৈকে পৰস্পৰ ৰিৰোধী শক্তিবোৰ ইটো সিটোৰ ওপৰত নিৰ্ভৰশীল বাবে ইহঁতৰ মাজত ঐক্যও থাকে। "বিশ্বব্ৰহ্মাণ্ড জোৰা এই নিৰন্তৰ গতিত সম্পূৰ্ণ ভাৱে বিশ্বাস কৰে বাবেই মাৰ্ক্স-ৰাদ এটা প্ৰকৃত বৈজ্ঞানিক মতবাদ আৰু এই মতাৱাদে পৰিবৰ্ত্তন আৰু গতিৰ বৈজ্ঞানিক সত্যক মানি লৈ নতুনৰ প্ৰতি সচেতন হৈ থাকিবলৈ শিকায়। - যিবোৰ বস্তু বা ঘটনা লাহে ল্যাহে ক্ষয় হৈ আহিছে বা বিলুপ্ত হব ধৰিছে। সেইবোৰতকৈ নতুনকৈ বিকাশিত হৈ থকা ঘটনাৰ গুৰুত্বহে বেচি। বিজ্ঞানে যেনেকৈ বস্তুৰ ধ্বংসতকৈ বিকাশৰ ওপৰতহে প্ৰাধান্য দিয়ে, তেনেকৈ মাৰ্ক্স বাদে সমাজৰ ধ্বংসক নহয়, অবিৰাম অগ্ৰগতিকেহে প্ৰাধান্য দিয়ে। অঙ্গীকাৰ, জুন জুলাই সংখ্যা, ১৯৭৪ চন)

৫) পৰিমান গত পৰিবৰ্ত্তনৰ পৰা গুণগত পৰিবৰ্ত্তনলৈ ৰূপান্তৰিত হোৱাৰ নিয়মঃ—

দ্বন্দ্বমূলক বস্তুবাদে বিশ্বাস কৰে যে বিশ্ব প্ৰকৃতিৰ প্ৰতিটো বস্তুৰ পৰিবৰ্ত্তন হয়। আৰু এই পৰিবৰ্ত্তনৰ ৰূপ বিভিন্ন প্ৰকাৰৰ হব পাৰে। অৰ্থাৎ দ্বন্দ্বতত্ত্বৰ মতে দুটা বিপৰীত গুণৰ সংঘৰ্ষ পুৰণি আৰু নতুনৰ সংঘৰ্ষ. গুণৰ লয় আৰু দ্বন্দ্ব বা ক্ষয়িষ্ণু অৱস্থাৰ লগে লগে বিকাশোন্মুখ গুণৰ বিৰোধেই হল ক্ৰমবিকাশৰ ধাৰাৰ মূল কথা; পৰিমানৰ মৌলিক ৰূপান্তৰৰ অন্তৰ্নিহিত তত্ত্ব। এটা বস্তুৰ পৰিমানত পৰিবৰ্ত্তন বা বস্তুটোৰ আকাৰ বৃদ্ধি হৈ গলেই বস্তুটোৰ গুণগত বা আমূল পৰিবৰ্ত্তন হৈছে বুলি কব নোৱাৰি। এটা পাত্ৰত পানীৰ পৰিমান বৃদ্ধি কৰি নি থাকিলেই পানীৰ গুণগত পৰিবৰ্ত্তন হৈ নেযায়। ই হ'ল বস্তু এটাৰ পৰিমানগত পৰিবৰ্ত্তন। এনে ধৰণৰ পৰিবৰ্ত্তনৰ বাদেও বস্তু বা ঘটনাৰ আৰু এক প্ৰকাৰৰ পৰিবৰ্ত্তন সম্ভৱ হয় যাক সেই বস্তু বা ঘটনাৰ ওপৰত পৰিবৰ্ত্তন বুলি জনা যায়। উদাহৰণ স্বৰূপে, ভাপ হৈ উৰি যোৱাৰ আগমুহুৰ্ত্তলৈকে পানীক যেনেকৈ আমি পানীৰ ৰূপতে দেখা পাওঁ কিন্তু তাপমাত্ৰা বৃদ্ধি হোৱাৰ লগে লগে পানীৰ চৰিত্ৰৰ ৰূপান্তৰ ঘটিব ধৰে অৰ্থাৎ পানীৰ ভিতৰত থকা প্ৰতিটো অনুৰ মাজত সংঘৰ্ষ হবলৈ আৰম্ভ কৰে আৰু এটা সময়ত পানীৰ চৰিত্ৰৰ সম্পূৰ্ণ বা আমূল পৰিবৰ্ত্তন ঘটি ভাপলৈ ৰূপান্তৰিত হয়। ঠিক সেই দৰেই কণী ফাঁটি পোৱালী জগাৰ

আগমূহুৰ্ত্তলৈকে সজাটোত যেনেকৈ আমি এটা কণীয়েই দেখা পাওঁ অথচ মাকৰ দেহৰ উত্তাপৰ ফলত ( উম ল্োৱাত ) কণীৰ ভিতৰত থকা পদাৰ্থৰ গুণগত পৰিবৰ্ত্তন ঘটিবলৈ আৰম্ভ কৰে আৰু এটা সময়ত আমি সজাটোত কণীটোৰ পৰিবৰ্ত্তে দেখা পাও এটা পোৱালী। এনে পৰিবৰ্ত্তনক বস্তুৰ 'বিকাশ' বুলিও কোৱা হয়। পানী ভাপলৈ ৰূপান্তৰিত হোৱাটো বা এটা ( যদি কুকুৰা কণী হয় ) কণী কুকুৰা পোৱালী লৈ ৰূপান্তৰিত হোৱাটোকে উলম্ফন বা Leap বোলা হয়।

মাৰ্ক্সীয় বস্তুবাদৰ মতে মানুহৰ সমাজবিকাশ নিয়মো ঠিক একে ধৰণৰ। " বহুদিন ধৰি সমাজৰ ভিতৰত কিছুমান অস্পষ্ট পৰিমাণগত পৰিবৰ্ত্তন ঘটি থাকে। উপযুক্ত বাতাবৰণত এক বিশেষ সময়ত হঠাতে সমাজৰ আমূল পৰিবৰ্ত্তন ঘটে আৰু এখন নতুন সমাজৰ জন্ম হয়। ইয়াকে আমি সামাজিক বিপ্লৱ বুলি কওঁ "।

( অঙ্গীকাৰ, জুন জুলাই সংখ্যা, ১৯৭৪ চন )


(৪) মানুহৰ জ্ঞান বিকাশৰ নিয়ম :— জগৎ এক 'স্বয়ংসিদ্ধ ভাৱ' চেতনা অথবা 'সৰ্ব্বব্যাপ্ত ব্ৰহ্মৰ লীলামাত্ৰ এই ধৰণৰ ভাৱবাদী কল্পনাৰ সম্পূৰ্ণ বিৰোধী হল দ্বন্দ্বমূলক বস্তুবাদ। মাৰ্ক্সবাদী বস্তুবাদৰ মতে চেতনা বস্তুৰ গতিশীল ৰূপৰ বাদে আন একোৱেই নহয় অৰ্থাৎ চেতনা বস্তুজগতৰ প্ৰতিফলন মাথোঁ। এঙ্গেলছে কৈছে: " প্ৰকৃতি জগত সম্পৰ্কে বস্তুবাদী ধাৰণাৰ অৰ্থ সহজ কথাত হ'ল — প্ৰকৃতিক স্বাভাবিক ভাবে নিৰিক্ষণ কৰা যেনেদৰে আছে ঠিক সেইদৰে চোৱা, বাহিৰৰ পৰা জাপি দিয়া কোনো ধাৰণা লৈ নহয়" ( Engels, Ludwing Jeuerbach P. 79) মুঠতে মাৰ্ক্সবাদী দৰ্শণ, চেতনাক বস্তুজগতৰ পৰা পৃথক কৰি চোৱাৰ ঘোৰ বিৰোধী।

চেতনা আৰু বাস্তৱৰ মাজত যথেষ্ট পাৰ্থক্য থাকিব পাৰে যদিও মানুহৰ বাস্তৱ অভিজ্ঞতা যিমানে বাঢ়ে চেতনাৰ গতিও সিমানে উৰ্দ্ধমুখী হয়। কিন্তু এই খিনিতে এটা কথা মনত ৰখা বাঞ্চনীয় যে চেতনা বস্তু জগতৰ হুবহু প্ৰতিচ্ছবি নহয়।

মাৰ্ক্সীয় বস্তুবাদে প্ৰকৃতিজগতৰ সকলোধৰণৰ বস্তু আৰু ঘটনাৰ ধ্বংশ আৰু বিকাশ দ্বান্দ্বিক পদ্ধতিত হয় বুলি বিশ্বাস কৰে কাৰণেই মাৰ্ক্সীয় বস্তুবাদক দ্বন্দ্বমূলক বস্তুবাদ বুলি কোৱা হয়।

দ্বন্দ্বমুলক বস্তুবাদৰ ওপৰত এই থুলমূল আলোচনাৰ পিছত এতিয়া মুলকথা হ'ল যে মাৰ্ক্সবাদ হৈছে সৰ্ব্বহাৰাৰ জীৱন দৰ্শণ। আন হাতে দ্বন্দ্বমুলক বস্তুবাদ হৈছে মাৰ্ক্সবাদৰ মুল দাৰ্শনিক ভেটি। এতেকে আমি প্ৰত্যেকেই— যি সকলে সঘনে সমাজৰ এটা আমূল পৰিবৰ্ত্তনৰ কাৰণে বৃথা আস্ফালন কৰি আছে সেই সকলৰ গুৰুত্বপূৰ্ণ তথা মূখ্য দাৰ্শনিক ভিত্তিটো ভালদৰে আয়ত্ব কৰি আচল মানুহ খিনিৰ ( অৰ্থাৎ কৃষক শ্ৰমিক সকল যাক সৰ্ব্বহাৰা বুলি জানো) মাজলৈ গৈ মূল কথাবোৰ শিকাই বুজাই আমি আমাৰ বৈপ্লৱিক কাৰ্য্যপন্থাত 'এখোজ আগলৈ দুখোজ পিছলৈ' দি আগবাঢ়ি যাব লাগিব। দ্বন্দ্বমুলক বস্তুবাদে আমাক শিকায় যে ওপৰত যি চাৰিটা লক্ষণৰ ওপৰত ভিত্তি কৰি বস্তুৰ

পৰিবৰ্ত্তন আৰু বিকাশ হয় ঠিক সেই একেটা পদ্ধতিতেই সমাজৰো পৰিবৰ্ত্তন আৰু বিকাশ হয়। কিন্তু মনত ৰখা উচিত হব যে, কেৱল তত্বই বা কিতাপৰ শিক্ষাই পৃথিবীৰ পৰিবৰ্ত্তন আনিব নোৱাৰে। তত্বৰ লগে লগে কিতাপৰ জ্ঞানৰ লগে লগে প্ৰতিজন সচাঁ বিপ্লৱী (কমিউনিষ্ট) (Practical) হবলৈ শিকিব লাগিব—সমাজৰ বৃহৎত্তৰ স্বাৰ্থৰ খাতিৰত নিজৰ স্বাৰ্থ একাকাৰ কৰি, বিলিন কৰি দিব পাৰিব লাগিব। নহলে এখন শ্ৰেণী হীন সমাজৰ আশা কৰা কথাটো আমাৰ বাবে এক অলীক কল্পনা হৈয়ে ৰ'ব।



"অতি সামান্য কামকো ঘৃণা কৰা উচিত নহয়। যি মানুহে অতি সৰু কাম কৰে, তেওঁ ডাঙৰ কাম কৰা নতকৈ অলপো সৰু নহয়। কৰ্ত্তব্যৰ ধৰণ দেখি নহয়, কৰ্ত্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰিব"—

—স্বামী বিবেকানন্দ।

# চীনৰ সমাজ ব্যৱস্থাৰ বিষয়ে দুআষাৰ।

শ্ৰীঅঞ্জনা গোস্বামী।
স্নাতক মহলা ১ম বাৰ্ষিক (কলা)।

বৰ্ত্তমান বিশ্ববাসীৰ চকুত বিস্ময়ৰ দেশ হৈ পৰিছে চীন দেশ। শ শ বছৰ ধৰি সামন্তবাদী ধ্যান ধাৰণাৰ কৱলত থকা চীনে আজি সকলোকে আচৰিত কৰি দি অভূতপূৰ্ব উন্নতিৰ শিখৰত আৰোহন কৰিব পাৰিছে। ফেলিক্স গ্ৰীণে চীন সম্পৰ্কে কৰা মন্তব্যৰ পৰাই আমি এই ৰিষয়ে বুজিব পাৰো। তেওঁ কৈছে—"মই এই সিদ্ধান্ততেই উপনীত হৈছো যে, যি কোনো ভাৱে আমাৰ লগত আমাৰ সমাজৰ লগত নতুবা ব্যক্তিগতভাবে আমাৰ প্ৰত্যেকৰে লগত সম্পৰ্কিত কৰি তুলিব নোৱাৰিলে, চীন সম্পৰ্কে বহুত কথাই জনা নাযাব, অনেক তথ্য সংগ্ৰহ কৰাৰ বিশেষ কোনো তাৎপৰ্য্যই নাথাকিব। চীনৰ মানুহে তেওঁলোকৰ দেশত যি কৰিছে মোৰ মতে, সেই হ'ল মানৱ বিকাশৰ ইতিহাসত এটা মাইলষ্টোন স্বৰূপ।"

সাংস্কৃতিক বিপ্লৱৰ পিছৰ পৰাই চীনত ব্যক্তিকেন্দ্ৰীক মনোভাৱ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে আৰু সমাজমুক্তি চিন্তাৰ প্ৰভাৱ সকলোতে পৰিলক্ষিত হৈছে। তেওঁলোকে [illegible] ধৰ্মী কামত একেলগে নিজকে নিয়োজিত কৰিবলৈ সমৰ্থ হ'ল। সমাজ তথা ইয়াৰ অনুষ্ঠানবোৰৰ শুধৰণি আৰু পুনৰ গঠম কৰি ব্যক্তিগত পৰ্য্যায়ৰ সকলোবোৰ স্বাৰ্থপৰতা বিৰোধিতা কৰিবলৈ প্ৰচাৰ কৰি চীনৰ জনগণে অসাধাৰণ ভাৱে সফলতা লাভ কৰিলে। কিয়নো ব্যক্তিগত স্বাৰ্থই হ'ল মানুহৰ আটাইতকৈ দুৰ্বল স্থান আৰু ইয়াৰ যোগেদি যি কোনো উপায়েৰে আমাক বিভ্ৰান্ত কৰিবলৈ শত্ৰুৱে অহৰহ চেষ্টা চলায়। ব্যক্তিগত চিন্তাই বস্তুনিষ্ঠ পৃথিৱীৰ প্ৰতি মানুহক উদাসীন কৰে, জ্ঞানক বিকৃত কৰিব পাৰে। চীনৰ জনগনে এতিয়াও বিশ্বাস কৰে সৰ্বান্তঃ কৰণে জনসাধাৰণৰ সপক্ষে কাম কৰি, নিজৰ শ্ৰম মূল্য নিজেই বিচাৰ কৰি জমসাধাৰণৰ সমৰ্থন লাভ কৰাতো। জনসাধাৰণৰ মাজত এক অসাধাৰণ পাৰস্পৰিক সম্পৰ্কবোধ থকাৰ কাৰণে চীনত গাৱঁতেই হওক বা নগৰতেই হওক এনে কোনো ঠাই নাই য'ত দিন বা ৰাতি অকলে ফুৰা চকা কৰিবলৈ ভয় পায় তেওঁ লাগে নতুনলোক বা বিদেশীয়েই হওক।

উৎপাদনৰ উপাদানখিনি এই দেশত ৰাষ্ট্ৰ বা সমাজৰ মালিকানাত থাকে। ইয়াত এই উপাদানবোৰ পুজি হিচাপে ব্যৱহৃত নহয় আৰু শ্ৰমশক্তিও গন্য হিচাপে বিক্ৰী নহয়। ইয়াত উৎপাদনৰ মূল লক্ষ্য হ'ল জনসাধাৰণৰ ক্ৰমবৰ্দ্ধিমান প্ৰয়োজন পুৰোৱাহে মনাফা নহয়। বৰ্ত্তমান চীনৰ সমস্ত খনি, জলপথ, বন ও অন্যান্য প্ৰাকৃতিক সম্পদ আৰু জমিৰ এক বিৰাট অংশ সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ মালিকানাৰ অধীন।

বিদ্যুৎশক্তি, ট্ৰাক্টৰ, হাভেষ্টাৰ, পৰিবহন দ্ৰব্য, আধুনিক শিল্প ও পৰিবহন অৰ্থাৎ জাতীয় অৰ্থনীতিৰ মূল অংশটোৰেই ৰাষ্ট্ৰীয় মালিকানাৰ তললৈ আহিল। কৃষি আৰু কুটীৰ শিল্পতো যৌথ মালিকানাই ঠাই পাইছে আৰু ইয়ে ৰাষ্ট্ৰীয় মালিকানাৰ অধীনলৈ কম সময়ৰ ভিতৰতে আহিব এইটো নিশ্চিন্ত হৈ পৰিছে।

প্ৰাক বিপ্লৱ চীনত খাদ্যসমস্যা আছিল চীনৰ প্ৰধান সমস্যা। " বিপ্লৱ আৰু উৎপাদনৰ সমন্বয়েই জনতাৰ খাদ্যসমস্যা সমাধান কৰিব পাৰিব " বুলি কোৱা মাওচেটুঙৰ শিক্ষা অনুসৰণ কৰি মুক্ত চীনৰ জনগনে ভূমি সংস্কাৰ, কৃষিৰ যৌথকৰণ, জাতীয় অৰ্থনীতি গঢ়ি তুলিবৰ বাবে " কৃষিৰ ভিত্তি আৰু শিল্পক প্ৰধান হিচাবে গ্ৰহণ কৰি " বৈজ্ঞানিক কৃষি উৎপাদনক জনপ্ৰিয় কৰি তুলিছিল। ফলত বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰৰে প্ৰধান সমস্যা খাদ্য সমস্যা তেওঁলোকে সমাধান কৰিব পাৰিলে। ১৯৭১ চনত চীনৰ খাদ্যশস্য উৎপাদানৰ মুঠ পৰিমান আছিল ২৫০০ লক্ষ টন — ১৯৪৯ চনৰ তুলনাত ২১০% বৃদ্ধি। চীনৰ উত্তৰাংশ যি নেকি তাৰ খাদ্য উৎপাদানৰ চাহিদা কোনোদিনেই পূৰাব নোৱাৰিছিল তাৰো এতিয়া পৰিবৰ্ত্তন ঘটিল। গোটেই দেশেই এতিয়া স্বয়ং নিৰ্ভৰশীলতা অৰ্জন কৰিছে। চীনত যোৱা কুৰিবছৰৰত জনসংখ্যা বাঢ়িছে ২% হাৰে কিন্তু খাদ্যশস্য বৃদ্ধি হৈছে ৪%। এই খাদ্য শস্য বৃদ্ধিৰ হাৰ বৰ্ত্তমান ৫%। এই সমস্যা চীনে সমাধান কৰিব পাৰিছে চীনৰ কমিনিউনিষ্ট পাৰ্টিৰ নেতৃত্বত ব্যাপক গণতান্ত্ৰিক ও সমাজতান্ত্ৰিক বিপ্লৱ সম্পন্ন কৰি। খাদ্যদ্ৰব্যৰ স্থিতিশীলতা ৰক্ষা কৰিবলৈ ও বিশেষ ভাৱে তাত যত্ন লোৱা হৈছে। বৰ্ত্তমান দুবিধ প্ৰধান খাদ্য আটা চাউলৰ ভাৰতীয় মুদ্ৰাত যথাক্ৰমে প্ৰতি কিঃ গ্ৰাঃত ১'২৫ টকা আৰু ১'০০ টকা। ১৯৫৩ চনৰ পৰাই এইদাম একেই আছে লগতে অন্য খাদ্যদ্ৰব্যৰো দামৰ কোনো পৰিবৰ্ত্তন হোৱা নাই।

মুক্তিৰ আগত বেছিভাগ চীনা কৃষকৰ আধুনিক ঔষধৰ লগত চিনাকী নাছিল আৰু পৰম্পৰাগত ঔষধৰ লগতো বৰ ক্ষীণ পৰিচয়হে আছিল। আধুনিক Lype ডাক্তৰ বিলাক চহৰ অঞ্চলত গোট খাই টকা ঘটাত ব্যস্ত আছিল। জমিদাৰ আৰু চাকৰিয়ালৰ লগতহে আছিল তেওঁলোকৰ সম্পৰ্ক। চীনৰ বনৌষধি চিকিৎসাও বৰ ব্যয়বহুল আছিল। অন্ধবিশ্বাসযুক্ত ক্ৰিয়াকলাপৰ প্ৰচলন আছিল বিস্তৰ। ১৯৩৫ চনত চীনৰ জনজীৱনৰ গড় দৈৰ্ঘ্য ২৮ বছৰ বুলি কোৱা হৈছিল। পুৰুষ সকলে পথাৰত কামকৰাৰ বাবে ঘৰত যি অলপ অচৰপ খাদ্যদ্ৰব্য আছিল তাৰ গোটেই খিনি খাইছিল। ফলত নাৰী আৰু শিশুৰ দুৰাৱস্থা আছিল বৰ্ণনাতীত। কিন্তু বৰ্ত্তমান চীনৰ চিকিৎসা পদ্ধতি কেইজনমানৰ মাজত আৰু সীমাবদ্ধ হৈ থকা নাই। দেশৰ প্ৰতিজন নাগৰিকেই সুন্দৰ চিকিৎসা ব্যৱস্থাৰ ফলত বেমাৰৰ পৰা মুক্ত হ'ব পাৰিছে। চীনৰ চিকিৎসা পদ্ধতিৰ বিষয়ে কবলৈ গলে "আকুপংচাৰ"ৰ নাম লবই লাগিব যি নেকি চিকিৎসা বিজ্ঞান ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। শৰীৰৰ বিভিন্ন ঠাইত পিনেৰে ফুটাই এই চিকিৎসা কৰা হয়। এই চিকিৎসা কৰি কেৱল চীনৰে নহয় বিশ্বৰ

বিভিন্ন দেশৰ মানুহো আৰোগ্য হোৱা দেখা গৈছে। এই চিকিৎসাৰ খৰছো কম। অপাৰেশ্যন আদিৰ কামো এই পদ্ধতিৰে কৰিব পৰা হয়।

১৯৪৯ চনত চীনা সমাজত নতুনকৈ প্রতিষ্ঠিত নেতৃবর্গই খুব সোনকালেই উপলব্ধি কৰিব পাৰিলে যে সমাজত পৰম্পৰা গত ভাবে যি ধৰণৰ পাৰিবাৰিক জীৱন চলি আহিছে সি মাৰ্ক্সবাদী লেনিনবাদী নীতিসমূহৰ লগত ৰঞ্জিতা নেখায়। গতিকে সামাজিক জীৱনৰ এই দিশটোৰ শৃঙ্খলাবদ্ধ ভাৱে আমূল সংস্কাৰ সাধনত ব্ৰতী হল। পৰিবৰ্ত্তিত অথনৈতিক আৰু ৰাজনৈতিক জীৱনত খাপখুৱাই ১৯৫০ চনৰ ১ মে'ত বিবাহ আইন জাৰি কৰি পুৰুষৰ ক্ষেত্ৰত বিবাহৰ কম বয়স ধাৰ্য্য কৰা হল বিশ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ওঠৰ বছৰ। পিছত পুৰুষৰ ৩০ আৰু মহিলাৰ ২৫ বছৰ ঠিক কৰিলে। জনসংখ্যা নিয়ন্ত্ৰণ, স্বাস্থ্যজনিত কাৰণ, শিক্ষা-দীক্ষা আৰু চাকৰি বাকৰি আদি বিভিন্ন কাৰণত চীনা ডেকা-গাভৰুৱে এনেদৰে পলমকৈ বিবাহ হোৱাটো পচন্দ কৰিছে। ১৯৫০ চনৰ এই আইনে বাল্যবিবাহৰ বাট মাৰিলে। তদুপৰি এহাল ডেকা-গাভৰুৱে নিজৰ মুকলি মৃৰীয়া মনৰ ইচ্ছাৰ ভিত্তিতহে বিয়া হব পাৰিব বুলি আইন কৰিলে। চীনা ডেকা-গাভৰুক ৰেজিষ্ট্ৰেচন অফিচত স্পষ্টকৈ সোধা হয় তেওঁলোকে ইচ্ছানুযায়ী বিয়া পাতিছেনে নাই। আনকি কেতিয়াবা অনুসন্ধানো চলোৱা হয়। অৱশ্যে লৰা-ছোৱালীয়ে বিয়াৰ পূৰ্বে মাক-দেউতাকৰ পৰামৰ্শ ইচ্ছা কৰিলে লব পাৰে। এই আইনে ঘটক শ্ৰেণীৰো অন্ত পেলালে। এই নতুন আইনৰ ফলত কিছুমান সমস্যা অৱশ্যে হৈছিল। ডেকা গাভৰুৱে মনৰ খুচীমতে বিয়া পাতিবলৈ হলে বিয়াৰ পূৰ্বে তেওঁলোকৰ মাজত মুকলি মিলামিছাৰ প্ৰয়োজন। কিন্তু চীনত তেনে পৰিবেশ ৰৰ কম আছিল। স্কুল কলেজৰ লৰা ছোৱালীৰ মাজত এনে ৰোমাঞ্চ গঢ়ি উঠাতো তাত বৰ পছন্দ নহলেও বাধা আৰোপো কৰা নহয়। কিন্তু বিচৰা হয় যেন তেওঁলোকে কম বয়সতে বিবাহ নকৰায়। যৌতুক দিয়া প্ৰথা চীন দেশত সম্পূৰ্ণ নিবাৰণ কৰি দিয়া হৈছে। কিন্তু এহাল ডেকা-গাভৰুৱে বিবাহ হোৱাৰ পিছত বিবাহ অনুষ্ঠান উত্থাপন কৰোতে পৰস্পৰৰ মাজত উপহাৰ আদান প্ৰদান কৰাত একো বাধা নাই। কিন্তু এনে উপহাৰ সাধাৰণ হোৱাটোহে বিচাৰে। আজি কালি চেয়াৰমেন মাওৰ কিতাপপত্ৰ উপহাৰ দিয়াতো সাধাৰণ কথা হৈ পৰিছে। তদুপৰি পুৰুষে একেসময়তে কেইবা গৰাকীও মহিলা বিয়া কৰোৱা বন্ধ কৰি দিলে আৰু পুৰুষ বা মহিলা যেই সেই একপক্ষৰ অনুৰোধত বিবাহ বিচ্ছেদৰ অনুমতি প্ৰদানৰ নিয়ম প্ৰচলন কৰিলে। তদুপৰি বিবাহ বিচ্ছেদৰ পিছত আৰু স্বামী বা স্ত্ৰীৰ মৃত্যু হলে পুনৰ আন কাৰোবাক বিবাহ কৰিবলৈ পুৰুষ মহিলা উভয়কে স্বাধীনতা দিয়া হ'ল। অৱশ্যে বিবাহ বিচ্ছেদ তাত বৰকৈ পৃষ্ঠপোষকতা কৰা দেখা নাযায়। স্বামী বা স্ত্ৰী কোনোৱেই ইজনে সিজনৰ কাম-কাজত হকা-বাধা নকৰে। ঘৰুৱা কাম কাজ থাকিলেও স্ত্ৰীয়ে যদি সামাজিক কামৰ বাবে দীৰ্ঘদিনৰ কাৰণে ঘৰৰ পৰা আতৰি থাকিব লগীয়া হয় তেন্তে স্বামীয়ে আপত্তি কৰিব নোৱাৰে। মহিলাসকলক ঘৰুৱা কামকাজৰ পৰা আজৰি কৰি দিব পৰাকৈ ছুৰ-

কাৰী সাহাৰ্য্যও যিমান পৰা হৈছে দিয়া হৈছে। চীনা কমিউনিষ্ট পাৰ্টিত সেয়েহে ভালেখিনি মহিলা প্ৰতিনিধি আছে। বহুতে চীনৰ নতুন সমাজব্যৱহাৰ ফলত পৰিয়াল ৰোলা শব্দটোৱেই নাইকীয়া হৈ যাব বুলি ভাবিছিল, বহুতে আৰ্দ্ধসামান্তবাদী পাৰিবাৰিক জীৱন ৰাহাল থকা চানদেশত সাম্য-বাদী সফলতা লাভ কৰিব নোৱাৰিব বুলি ভাবি-ছিল। কিন্তু এই সকলোবোৰ ভুল প্ৰমাণিত হ'ল। চীনত ভবাতকৈ বহুত বেলেগ ঘটিল, পৰিয়াল তথা পাৰিবাৰ্ষিক জীৱনো বৈ গল।

মাওচেটুঙে শ্ৰেণী সংগ্ৰামক অনুধাৱণ কৰি-ৱলৈ কৈ শ্ৰেণী সমস্যাৰো অন্ত পেলালেঁ। যিটো আমাব দৰে বুজোৱা ৰীতি নীতিত ডাঙৰ দীঘল হোৱা চীনাসকলৰ বাবে সহজকাম নাছিল। চীনৰ কাৰিকৰী সাফল্যক জনগণৰ সেৱাত লগোৱা হৈছে। গণতন্ত্ৰই তাত প্ৰকৃত মৰ্য্যদা পাইছে। মহান সাংস্কৃতিক বিপ্লৱে চীনা প্ৰজাতন্ত্ৰৰ উন্নতিত কেনেকুৱা ভূমিকা লৈছে সি বৰ্ণনাতীত। চীনৰ ক্ষেত্ৰতেই প্ৰযোজ্য হয় ই বিশ্বৰ প্ৰত্যেকজন মানুহৰ ক্ষেত্ৰতেই প্ৰযোজ্য। কমিউনিজিম প্ৰতি-ষ্ঠিত কৰিবৰ বাবে ভলোৱা লংমাৰ্চৰ দৰে চীন এক অৱিস্বাশ্য অথচ অবিচ্ছেদ্য সন্তান। চীনৰ এই উন্নতিত চীনৰ জনগণৰ লগতে তেওঁ লোকৰ চেয়াৰম্যান মাওচে টুঙৰ নাম লবই লাগিব। মাওচেটুঙ আছিল নিপীড়িত জনগণৰ মুক্তিৰ পথ প্ৰদৰ্শক। তেওঁৰ নেতৃত্বৰ দৃঢ়তা, ধৈৰ্য্যৰ, ঐতি-হাসিক পথ আৱিস্কাৰ ক্ষমতাই বিশ্বৰ ইতিহাসত তেওঁৰ নাম অমৰ কৰি ৰাখিব। এই মহান নেতাগৰাকীয়েই মানুহক মানুহ হোৱাৰ পথ দেখুৱালে। তেওঁ দেখুৱা পথকে অনুসৰণ কৰি চীনবাসী আগুৱাই গৈ আছে, লক্ষ্য আগত কমি-উনিষ্ট ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা। চীনে আজি মাটিৰ মাও-চেটুঙক ধৰি ৰাখিব পৰা নাই। যোৱা ৯ চেপ্তেম্বৰ ১৯৭৬ চনত তেওঁক হেৰুৱালে। কিন্তু তেওঁৰ আদৰ্শ ৰাখি আগবাঢ়ি গলেহে তেওঁৰ প্ৰতি শ্ৰদ্ধা দেখুৱা হ'ব। বিশ্ব মানৱৰ লগতে আমিও আশা কৰিছো। মাওচেটুঙৰ আদৰ্শ আৰু আশা যাতে চীনৰ মাটিত তথা পৃথিবী ব্যাপি পৰিস্ফুতি হয়।

---

বিঃ দ্ৰঃ—এই প্ৰবন্ধটো যুগুত কৰোতে মাহেকীয়া আলোচনী "অলীক" "Frontier" আৰু অসমীয়া আলোচনী "সাম্প্ৰতিক সাময়িকী"ৰ কেইবাটাও সংখ্যাৰ প্ৰচাৰিত প্ৰবন্ধৰ সহায় লোৱা হৈছে। তদুপৰি সহায় লোৱা হৈছে "China : The Quality of Life" নামৰ কিতাপ খনৰ।

( লিখিকা )

# "আত্মহত্যা ঃ এটি সামাজিক ব্যাধি ॥"

লক্ষ্যধৰ কলিতা
১ম বাৰ্ষিক (কলা)

বহুদিনৰ পৰাই তই মোক আমনি দি আছিলি, আমাৰ আলোচনী খনলৈ কিবা এটা দিবৰ বাবে। কিন্তু কিনো দিম (লিখিম) তাকে ভাবি ভাবি বহুদিন পঢ়া মেজৰ ওচৰত সময় তথা চিন্তাশক্তিৰ খৰছ হৈছিল। গল্প লিখা অভ্যাস মোৰ নাই। কাৰণ মোৰ কল্পনা কৰাৰ ক্ষমতা নাই। আকৌ কবিতা? চেলী, বাইৰণ নাইবা চুৰৰাৰ দৰে কবিতা লিখাৰ মানসিকতা আজি-কালি একেবাৰে নোহোৱা হৈছে। কিয় জানো আজি কালি কল্পনা কৰি মূঠেই ভাল নোপোৱা হলো। ৰোমান্স ৰিচৰাৰ সাহসো নাই। আনফালে ৰোমান্স বিহীন কৰিতা লিখি পাঠকৰ গালি খাওঁনো কিয়? কিয়নো ৰোমান্স বিহীন কবিতা যে আজিৰ কলেজীয়া ডেকা-গাভৰুৰ বাবে অপাঠ্য, দুৰ্বোধ্য। গতিকে মই বিপদত পৰিছো—বাৰু কৈয়ে। তোৰ কথাটো মই কেনেকৈ ৰাখো? অইন দিনাৰ দৰে আজিও তাকেই চিন্তা কৰি আছো। পিছে এয়া আকৌ কি ?? বাহিৰত দেখোন বৰ গণ্ডগোল। মোৰ মনটো দেখোন উগুল থুগুল লাগিল। কিনো ঘটিছে জানিবলৈ ওলাই গলো বাহিৰলৈ। হাঁহাকাৰৰ পম খেদি গৈ জানিব পাৰিলো যে আমাৰ সমাজত সৰ্বাচৰ ঘটি থকা এটা সৰু (?) কথা— "আত্মহত্যা।" মানে আমাৰ পাৰাৰে এজন তেইশ বছৰীয়া যুৱকে হেনো আত্মহত্যা মানে নিজকে নিজে হত্যা কৰিছে। গতিকে আমাৰ সমাজ প্ৰেমী (?) বাইজে যুৱকজনৰ সপক্ষে বিপক্ষে নানা সমালোচনা কৰিছে। আনফালে যুৱকজনৰ একমাত্ৰ ভনী মায়া আৰু বৃদ্ধ দেউতাকে কান্দোনত চোতালৰ মাটি ফালিছে। মই যুৱক-জনৰ মৃতদেহটো চালো। এজন সুন্দৰ, সুঠাম, সুদৰ্শন যুৱক। তই দেখা হলে কেতিয়াও বিশ্বাস নকৰিলিহেঁতেন যে সি মৰিছে। যেন শুই হে আছে। মোৰ মনটো দুঃচিন্তাৰে ভৰি পৰিল। মানুহ মৰণশীল। প্ৰত্যেক মানুহেই এইটো জানে যে তেওঁ এদিন মৰিব। তেন্তে মানুহে আত্মহত্যা কৰে কিয়? অৰ্থাৎ মানুহৰ মৃত্যুৰ সেই নিৰ্দ্দিষ্ট দিনৰ আগতে মানুহেনো কিয় নিজকে মৃত্যু ঘটায়? এনে ধৰণৰ নানাম প্ৰশ্নই মোৰ মগজু ভাৰাক্ৰান্ত কৰি তুলিলে। গতিকে, ইয়াৰ কাৰণ বোৰ জানিবলৈ মই উদগ্ৰীৱ হৈ পৰিলো। ভাবিলো তোৰ কথাটো ৰখাও হব আৰু বিষয়টোৰ ওপৰত মোৰো অলপ জ্ঞান বাঢ়িব। কিন্তু বন্ধু! তইতো জানই মোৰ মগজুৰ তৰলতাৰ কথা। গতিকে কিছু ইংৰাজী, অসমীয়া কিতাপ আলোচনী সহায় লৈ আত্মহত্যাৰ তথ্যবোৰ যুগুতাই দিছো।

এতিয়া আমাৰ প্ৰশ্ন হ'ল আত্মহত্যানো কি? তই হয়তো শুনি আচৰিত হবি যে মানুহে

যিমানে সভ্যতাৰ (?) জখলাত আগবাঢ়িছে সিমানে মানুহৰ মাজত এই ব্যাধিটোৰ প্ৰকোপ বৃদ্ধি পাব লাগিছে। ইতিহাসৰ পাত লুটিয়ালে পাম ৰাজপুত কন্যাবোৰৰ কথা। তেওঁলোকৰ মাজত সেই সময়ত যি সতীদাহ প্ৰথা চলিছিল সি দেখাত আত্মহত্যা নহয় জানো ? কিন্তু সেইটো আছিল সমাজ স্বীকৃত আত্মহত্যা। গতিকে আমি তাক আত্মহত্যা বুলি নকৈ নৰবলি বুলিহে কব পাৰো।

তোক এটা কথা এতিয়াই কৈ থওঁ আত্মহত্যাৰ তাৎপৰ্য্য, বিশ্লেষণ আদি বিচাৰ কৰিবলৈ গলে আমি দুটি পথ অনুসৰণ কৰিব লাগিব। এক ভাববাদী দৃষ্টিভঙ্গী আৰু দুই বস্তুবাদী দৃষ্টিভঙ্গী। এতিয়া মোৰ কথা হল— যি দৃষ্টিভঙ্গী ভাৱৰ ওপৰত প্ৰতিস্থিত তাৰ কোনো স্থিতি নাই। এই পথেৰে ধাবিত হলে নিজকে বহুত ফাঁকি দিব লাগিব; মাজে মাজে আত্ম-সমৰ্পন (নেদেখা জনৰ ওচৰত ?) কৰি আমাৰ নৈতিক কৰ্ত্তব্যৰ পৰা বিচলিত হোৱাৰ সম্ভৱনা খুবেই বেছি। ইয়াতে এটি মাত্ৰ উদাহৰণ দিছো। সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈও বহু সময়ত মানুহে আত্মহত্যাৰ আশ্ৰয় লয়। ই বিশেষকৈ ৰাজনৈতিক আৰু সামাজিক পৰিসৰতে আৱদ্ধ। প্ৰথম মহাযুদ্ধৰ সময়ত জাৰ্ম্মেনীৰ নাজী বাহিনীয়ে ইহুদী সকলৰ ওপৰত যি অত্যাচাৰ চলাইছিল যি সম্পূৰ্ণ ৰাজনৈতিক দৃষ্টিকোণৰ পৰা সংঘটিত হৈছিল। ইহুদী সকলৰ জীৱনৰ কোনো নিৰাপত্তা নাছিল, সদায় শ-শ ইহুদীক কুকুৰৰ দৰে গুলিয়াই হত্যা কৰা হৈছিল। ইমানতো হিটলাৰৰ ভয়ত হওক বা অন্য কাৰণতে নহওক কিন্তু পৃথিবীৰ ৰাজনৈতিক, দাৰ্শনিক তথা আন্তৰাষ্ট্ৰীয় নেতা সকলে মৌনতা অৱলম্বন কৰিছিল। কিন্তু সেই সময়ত বিখ্যাত সাংবাদিক লুই ফিচাৰে এনে ঘৃণনীয় ঘটনা আৰু সহ্য কৰিব নোৱাৰিলে। তেওঁ পৃথিবীৰ বিভিন্ন আন্তঃ ৰাষ্ট্ৰীয় নেতা সকলৰ ওচৰলৈ গৈ এই বিষয়ে তেওঁলোকৰ মতামত লৈছিল। বিভিন্ন জনে দিয়া মতামতৰ আৱশ্যকতা আমাৰ এই প্ৰসঙ্গত নাহে। মাত্ৰ মহাত্মা গান্ধী (ভাববাদী দাৰ্শনিক) ৰ এটি মন্তব্য এই ক্ষেত্ৰত মনত পেলাব পাৰো। তেওঁ লুই ফিচাৰৰ একেষাৰতে কৈ দিছিল যে, সকলো ইহুদিয়ে একেলগে আত্মহত্যা কৰা উচিত। উক্ত মন্তব্যই এইটো স্পষ্ট ভাবে আমাক দেখুৱাই দিয়ে যে ভাববাদী দৰ্শনে আত্মহত্যাৰ নিচিনা এটি সামাজিক ব্যাধিক সদায় এটি আবেগিক অস্ত্ৰ বুলিয়েই ধৰি লৈছে। দেখিলি, ভাববাদী দৰ্শনৰ কি চৰম ট্ৰেজেদি। এই পথটো অনুসৰণ কৰিলে বৈজ্ঞানিক আলো-চনাৰ পৰা আমি বঞ্চিত হব লাগিব। সেয়েহে দুই নম্বৰ পথটোৰে গতি কৰাহে ভাল হব। এই পথটো অতিশয় কণ্টক পূৰ্ণ, কিন্তু শুদ্ধ পথ। বৈজ্ঞানিক তথা নিৰপেক্ষভাবে আলোচনা কৰিবলৈ হলে এই পথ অনুসৰণ কৰিবই লাগিব। আত্মহত্যাৰ ভাব এজন ব্যক্তিৰ জন্মগত ভাব নহয়। নাইবা—'নিপাতনে সিদ্ধঃ' হোৱাৰ দৰে এনেয়ে কোনো কাৰণ নোহোৱাকৈ এজন ব্যক্তিৰ মাজত এই ভাব সোমাই নাযায়। গতিকেই ইয়াৰ ওপৰত এক বস্তুবাদী আলোচনা কৰাটো নিতান্তই আৱশ্যক তথা কৰ্ত্তব্য কাৰণ

কল্পনাৰ কুঁৱলীত জীৱনৰ বাস্তৱ বুটলাৰ বদ অভ্যাস আমাৰ নাই।

এজন ব্যক্তি এখন সমাজৰ একোটা অংশ ( Unit )। সমাজ অবিহনে ব্যক্তিৰ অস্তিত্ব নাই। সমাজৰ ভূমিকা তথা প্ৰয়োজনীয়তাই ব্যক্তিৰ ভূমিকা নিৰ্দ্ধাৰণ কৰে। আমি এই আদৰ্শৰ ভিত্তিতহে আত্মহত্যাৰ তাৎপৰ্য্য আলোচনা কৰিম। তোৰ বোধ হয় নিশ্চয় দৃষ্টি গোচৰ হৈছে যে আমাৰ সমাজৰ বহুতো তথা কথিত শিক্ষিত লোকে যি কোনো কথা আলোচনা কৰোতে ব্যক্তিৰ ওপৰত থকা সমাজৰ সম্বন্ধৰ কথা একেবাৰে পাহৰি পেলায়। ব্যক্তিক এটি স্বকীয়া অস্তিত্ব হিচাপে ভাবিলৈ সকলো কথা আলোচনা কৰা দেখা যায়। ফলত প্ৰায়বোৰ আলোচনাতে সমাজৰ স্বাৰ্থৰ কথা বাদ পৰে।

অ' বহুত বাহিৰা কথালৈ আহি পৰিলো। বিষয়টো কি আছিল জানো? মনত পৰিছে। আত্মহত্যা মানে কি? আমাৰ হিন্দু দৰ্শনৰ আদৰ্শ ( নে অস্ত্ৰ ?) হিচাবে আত্মহত্যা মহাপাপ। আকৌ গীতাত শ্ৰীকৃষ্ণই কোৱা মতে আত্মহত্যা আৰু আত্মপ্ৰশংসা একে পৰ্য্যায়ৰ আচৰণ। এই দৃষ্টি কোণৰ পৰা চাবলৈ হলে আমাৰ দেশৰ শতকৰা ৮০ জন জীৱিত লোকে আত্মহত্যা কৰিছে। কিন্তু আমাৰ সমাজে এওঁলোকক মহাপাপী বুলি গণ্য কৰাতো বাদেই কোৱাও দেখোন মোৰ মনত নপৰে। মই আগতেই কৈ আহিছো ভাৱৰ ওপৰত প্ৰতিষ্ঠিত দৰ্শনৰ কোনো স্থিতি নাই। এই আদৰ্শ বহুমুখী মুখাৰ দৰে। এই দৰ্শনে তোক "সাপ হৈ খুটিব জানে আৰু বেজ হৈ জাৰিবও জানে।" অত্মহত্যাক ভাগ্যৰ লিখন বুলিয়েই বা মানি লও কেনেকৈ? এই খিনিতে Fyodor Dostovosky ৰ মন্তব্য এটি দিলে তোৰ বেচি বোধগম্য হব। তেওঁৰ মতে: "...... If god exists, then the whole will is His and I can nothing. If He does not exist, then all will my free will ...... the supreme gesture of free will is to kill on self. এই খিনিতে তোক কৈ থোৱা ভাল হব যে এই মানুহজনে নিজৰ অস্তিত্ব প্ৰমান কৰিবলৈ আত্মহত্যা কৰিছিল। এতিয়া আমাৰ প্ৰশ্ন হ'ল — আত্মহত্যাক ভগবানৰ ইচ্ছা বুলি লমনে ব্যক্তি বিশেষৰ ইচ্ছা বুলি লম? মোৰ বোধেৰে আমাৰ ভাৰতীয় মানুহে ইয়াক ভগবানৰ ইচ্ছা বুলিয়েই বোধহয় ধৰে। মহলেনো আত্মহত্যাক 'মহাপাপ' বুলি আখ্যা দি তাৰ প্ৰতিৰোধৰ কথা চিন্তা নকৰে কিয়? ভগবানৰ সন্মুখত মাহ-চাউল আগবঢ়োৱাটোৱেই এই মহাপাপ খণ্ডনৰ একমাত্ৰ পথ বুলি ধৰি লয় কিয়? মোৰ মতে ই এটি চৰম আত্মপ্ৰৱঞ্চনাৰ বাহিৰে, আন একো নহয়। আমাৰ মতে আত্ম-হত্যা হ'ল এক দুৰ্ব্বল মনৰ নিষ্ঠুৰ প্ৰতিক্ৰিয়া। ই হ'ল আবেগপূৰ্ণ মনৰ চৰম বিশৃঙ্খলতাৰ জ্বলন্ত উদাহৰণ। এই আবেগপূৰ্ণ বিশৃঙ্খলতা আজিৰ বস্তু নহয়। ই অতীতৰে পৰা মানৱ সমাজক বিভ্ৰান্ত কৰি আহিছে। পুৰণি ইজিপ্ত, হিব্ৰু, গ্ৰীক আদি সাহিত্যৰ লিখনীত আমি এই সম্পৰ্কে উল্লেখ পাওঁ। ইংৰাজী নাট্যকাৰ চেক্সপীয়েৰৰ

লিখনীৰ পৰাও এই বিশৃঙ্খলতাৰ উমান পাওঁ। এই বিশৃঙ্খলতাক আমি মানসিক দুৰ্ব্বলতা বুলি কব পাৰো। কিয়নো সবল মনৰ প্ৰতিক্ৰিয়া সদায় সৰল আৰু শৃঙ্খল। কিন্তু দুৰ্ব্বল মনৰ ক্ৰিয়া সদায় দুৰ্ব্বল, তৰল আৰু বিশৃঙ্খল। এই কথাটো আমি সাধাৰণ মনঃস্তত্বৰ ফালৰ পৰাই কব পাৰো যে বিশৃঙ্খলতাৰ বশবৰ্ত্তী হৈ মানুহে যেতিয়া সঠিক পথত পৰিচালিত কৰাত ব্যৰ্থ হয়, তেতিয়াই ব্যক্তিয়ে পলায়নবাদী হৈ পৰে। বস্তুতঃ মনৰ এই অৱস্থাতে ব্যক্তিয়ে জীৱনৰ লগত আপোচ কাৰ্য্যতো ব্যৰ্থ হলে পথ নাপাই আত্মহত্যাৰ পথ লয়। অৰ্থাৎ আমি এইটো ধৰি লব পাৰো যে — যেতিয়াই এজন ব্যক্তিয়ে তেওঁ নিজে জীয়াই থকাটোৱেই পৃথিবীৰ ভিতৰত আটাইতকৈ বেয়া কাম বুলি ভাবে, তেতিয়াই তেওঁ আত্মহত্যাৰ আশ্ৰয় লয়। এইখিনিতে ষ্টাৰ নামৰ ইংৰাজ লোক এজনৰ উক্তি এটা দিব পাৰি। তেওঁ কৈছিল যে, "Everyone, at some time or other, has the wish to kill himself."— সৌভাগ্যবশতঃ আত্মহত্যাৰ আশ্ৰয় (attempt) লব বিচৰা বেছিভাগ লোকেই কৃতকাৰ্য্য নহয়। যি সময়ত প্ৰায় দুইলাখ মানুহে আত্মহত্যা কৰিবলৈ আগবাঢ়ে, সেই সময়ত মাত্ৰ ২৫,০০০ জনহে কৃতকাৰ্য্য হয়। এতিয়া আমি দুৰ্ভাগ্যজনক ব্যাধিটোৰ উৎপত্তিৰ হেতু থোৰতে আলোচনা কৰিম। আমাৰ এই আলোচনা তিনিটা স্তৰত হব। সেয়া হ'ল মনঃস্তাত্বিক, আন্তঃমানবিক আৰু সামাজিক সাংস্কৃতিক।

১) আন্তঃ মানবিক মানসিক সংকট (Inter personal):— ব্যক্তি সত্বাৰ মানবিক সংকট আত্মহত্যাৰ এটি অন্যতম কাৰণ। ব্যৰ্থ প্ৰেম, সংঘাট, বৈবাহিক অশান্তি আদি এই শ্ৰেণীত পৰে।

ক) অকৃতকাৰ্য্যতা আৰু Self devaluation: এই শ্ৰেণীৰ আত্মহত্যা বিশেষকৈ পুৰুষৰ ক্ষেত্ৰত অত্যন্ত বেছি। আমাৰ সমাজ ব্যৱস্থা পুৰুষ প্ৰধান হোৱাৰ লগে লগে পুৰুষে নিজকে প্ৰতিষ্ঠা কৰাৰ কাৰণতেই হওক বা অইন কাৰণতেই হওঁক, সংসাৰ সমুদ্ৰত সাতুৰি নাদুৰি যেতিয়া পাৰ পোৱাৰ কোনো বেঙনি দেখা নাপায় তেতিয়াই মন পলায়নবাদী হয়, আৰু আত্মহত্যাৰ আশ্ৰয় লয়। তোক হয়তো এইটো কোৱাৰ প্ৰয়োজন নাই যে এনে ধৰণৰ আত্মহত্যা পুজিবাদী নাইবা উন্নতশীল ৰাষ্ট্ৰত বেছি।

খ) জীৱনৰ লক্ষ্যস্থলত উপনীত হোৱাৰ ব্যৰ্থতা:- ইয়ো আত্মহত্যাৰ আন এটি কাৰণ। ব্যক্তিয়ে যেতিয়া নিজৰ জীৱনৰ লক্ষ্য (goal) ত উপনীত হব নোৱাৰে বা স্ব আশা আকাংক্ষা পুৰণ কৰিব নোৱাৰে তেতিয়া ব্যক্তিৰ মনত মানসিক দ্বিধাগ্ৰস্ততা আহি পৰে। এই অৱস্থানত মনৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি অনেকে আত্মহত্যা কৰা দেখা যায়। ১৯৬৯ চনত নামৰ লোক এজনে নিজৰ পুতেকক স্ব ইচ্ছাৰে গঢ় দিব নোৱাৰি আত্মহত্যা কৰিছিল। আমাৰ দেশতো ইয়াৰ উদাহৰণ বিৰল নহয়। পুজিবাদী বা প্ৰাক্— পুজীবাদী সমাজ ব্যৱস্থাত ই এটি সাধাৰণ ঘটনা হৈ পৰিছে।

সামাজিক আধিপত্য, স্বজনৰ বিয়োগ, ৰাজনৈতিক ভাৰসাম্যৰ অস্থিৰতাতো ব্যক্তিয়ে বিভিন্ন

সময়ত আত্মহত্যাৰ আশ্ৰয় লয় । এই আটাইবোৰ কাৰণ ব্যক্তিসত্ত্বাৰ মানসিক সংকটৰ ভিতৰত পৰে ।

২) মনঃস্তাত্বিক কাৰণ ঃ— পুজিবাদী, অৰ্দ্ধ পুজিবাদী, সামন্তবাদী আদি ৰাষ্ট্ৰৰ নাগৰিক সকলৰ মাজত এই কাৰণৰ বশৱৰ্ত্তী হৈ সংঘটিত কৰা আত্মহত্যা বেছি । কাৰণ এনে ৰাষ্ট্ৰৰ মানুহৰ নৈতিকতা অতি সংকীৰ্ণ । ব্যক্তি বিশেষে নিজে নিজক লৈ ব্যস্ত থাকে । ব্যক্তি বিশেষৰ মাজত প্ৰচলিত মানবিক সমন্ধ এনে সমাজত অতি তুখ লগা । কোনো লোকেই সমাজৰ আন লোকৰ কথা চিন্তা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে । ফলত উপযুক্ত প্ৰেৰণাৰ অভাৱত ব্যক্তিয়ে আত্মহত্যাৰ আশ্ৰয় লয় । এটি উদাহৰণৰ দ্বাৰা এই কথাটো আলোচনা কৰিলে বেছ বোধগম্য হব । ধৰ, 'ক' নামৰ লোক এজনে ওপৰত উল্লেখ কৰা কাৰণত আত্মহত্যা কৰিলে । তেওঁৰ আত্মহত্যাৰ যি প্ৰতিক্ৰিয়া আমি উল্লেখ কৰা আত্মকেন্দ্ৰীক সমাজত কোনো ধৰণেৰে ক্ৰিয়া (action) নকৰে । গতিকে তেওঁৰ সেই হত্যাত সমাজে কোনো ধৰণৰ কথাই চিন্তা নকৰিলে আৰু প্ৰতিকাৰৰো কোনো দিহা নকৰিলে । কিন্তু 'ক' নামৰ লোকজনৰ দৰে মানসিক দ্বিধা গ্ৰস্ততাত ভোগা আৰু বহুলোক সেই সমাজত আছে । ধৰ 'খ' নামৰ আন এজন লোকো তেনে মানসিক ৰোগত ভুগিছে । গতিকে তেওঁৰ মুক্তিৰ পথ 'ক' নামৰ লোকজনৰ দৰেই বুলি ভাবি ললে আৰু 'ক' নামৰ লোকজনৰ প্ৰেৰণাত 'খ' য়ো আত্মহত্যা কৰিলে । ঠিক তেনেদৰে 'গ' য়ো আত্মহত্যা কৰিবলৈ আগবাঢ়িব । ফল স্বৰূপে ই এটি সামাজিক বাতুলতা হৈ পৰিল যে — 'ক' নামৰ লোকজনৰ দৰে মানসিক সংঘাটত ভোগা লোকৰ মুক্তিৰ একমাত্ৰ পথ — আত্মহত্যা, ইয়াৰ বাহিৰে গত্যন্তৰ নাই । বৰ্ত্তমান পৃথিৱীৰ বহুতো ৰাষ্ট্ৰত এনে ধৰণৰ আত্মহত্যাই ভয়াবহ ৰূপ ধাৰণ কৰা দেখা যায় । ই এনে সংক্ৰামক যে, মানসিক সংঘাটৰ পৰা পৰিত্ৰাণ পোৱাৰ বিভিন্ন উপায় থকা স্বত্বেও ব্যক্তিয়ে সেই কথা চিন্তা কৰিবলৈ কোনো ধৰণৰে অৱকাশ ও প্ৰেৰণা নাপায়, পোনে পোনেই আত্মহত্যাৰ আশ্ৰয় লয় ।

৩) সমাজ সাংস্কৃতিক কাৰণ ( Socio cultural ) ঃ— আমি এইবাৰহে আচল আলোচনালৈ আহিছো । আত্মহত্যা সংঘটিত কৰাত এখন ৰাষ্ট্ৰৰ সমাজ ব্যৱস্থা, সংস্কৃতি, ৰীতি নীতি আদিয়েও যথেষ্ট পৰিমানে অৰিহণা যোগায় । তাকেই আমি এই প্ৰসঙ্গত আলোচনা কৰিম । শ্ৰেণী-বিভাগ ব্যক্তিবাদী আদি সমাজত এইবোৰ কাৰণত আত্মহত্যা সঘনাই সংঘটিত হয় । প্ৰখ্যাত সমাজতত্ত্ববিদ Durkheim এ এই ধৰণৰ আত্মহত্যাক তিনি ভাগত বিভক্ত কৰিছে । সেইবোৰ হ'ল ঃ—

ক) আত্মস্বাৰ্থমুখী ( Egoistic Suicide),
খ) পৰস্বাৰ্থমুখী ( Althestic Suicide).
গ) সামাজিক বিচ্ছিন্নতা বোধ জনিত ( Anomic Suicide ) ।

ক) আত্মস্বাৰ্থমুখী ( Egoistic Suicide ) ঃ— ব্যক্তিবাদী সমাজত ব্যক্তিৰ অপৰিসীম আধিপত্য হেতু এনে ধৰণৰ আত্মহত্যা সংঘটিত হয় । যিখন সমাজত ব্যক্তি সত্বাৰ প্ৰকৃত

মূল্যায়নক অৱহেলা কৰা হয়, আনহাতে য'ত সেইখন সমাজতে একোজন ব্যক্তিৰ আধিপত্য সমাজতকৈ অকল্পনীয় ভাৱে বেছি হয়, ( অৰ্থাৎ আমি জনাত সমাজে ব্যক্তি সত্বাক নিয়ন্ত্ৰণ কৰাৰ সলনি যত ব্যক্তিয়ে সমাজ নিয়ন্ত্ৰণ কৰে ) তেনে সমাজত ব্যক্তি বিশেষৰ মাজত আত্মহত্যা সাধাৰণ কথা হৈ পৰে। ইয়াৰ বৈজ্ঞানিক তাৎপৰ্য্য আছে। পিছত আমি বহলাই আলোচনা কৰিম।

খ) ( পৰস্বাৰ্থমুখী **Althestic Suicide :**— আত্মস্বাৰ্থমুখী আত্মহত্যাৰ ঠিক বিপৰীত ৰূপটোৱেই হ'ল পৰস্বাৰ্থমুখী আত্মহত্যা। ই গোষ্ঠি, সমাজ বা দলৰ স্বাৰ্থৰ খাতিৰত আত্ম-নিবেদিত হয় আৰু অংহবাদী ধাৰণাৰ বিপৰীত মনোভাৱৰ দ্বাৰা আচ্ছন্ন। সমাজ বা গোষ্ঠিৰ স্বাৰ্থত আত্মবলিদান দিয়াটোৱেই এই আত্মহত্যাৰ চৰম লক্ষ্য। জাপান আদি ৰাষ্ট্ৰত প্ৰচলিত হাৰি কিৰি প্ৰথা এই আত্মহত্যাৰ জ্বলন্ত স্বাক্ষৰ। আমেৰিকা সাম্ৰাজ্যবাদী পোষণৰ কবলত, পৰি ভিয়েটনামী জনগণৰ মুক্তিৰ পথত বাদানুবাদৰ প্ৰতিবাদত যি বুজন সংখ্যক বুদ্ধিজীৱিয়ে আত্মত্যাগ কৰিছিল, তাকো পৰস্বাৰ্থমুখী আত্মহত্যাৰ উদা-হৰণ হিচাপে আমি আগবঢ়াব পাৰো।

গ) সামাজিক বিচ্ছিন্নতা ৰোধ জনিত ( Anomic Suicide ) :—ব্যক্তিৰ ওপৰত থকা সমাজৰ নিয়ন্ত্ৰণ যেতিয়া এখন সমাজে সুচাৰুৰূপে পৰিচালনা কৰিব নোৱাৰা হয়, তেতিয়া এনে ধৰণৰ আত্মহত্যাই ব্যক্তিবিশেষৰ মাজত ঠাই লয়। এতিয়া হয়তো তই মোক প্ৰশ্ন কৰিব পাৰ যে ব্যক্তিসত্বাই সমাজৰ নিয়ন্ত্ৰণক কেতিয়া অৱজ্ঞা কৰে। ইয়াৰ উত্তৰ খুউব সহজ আৰু কবলৈ হলে এনে ধৰণৰ হ'ব যে, যেতিয়া সমাজে ব্যক্তিসত্বাৰ আৱশ্যকীয় মানসিক, শাৰীৰিক, বৌদ্ধিক, অৰ্থনৈতিক আদি অনুকুল পৰিৱেশ সৃষ্টি কৰাত ব্যৰ্থ হয়, যেতিয়া সমাজত শ্ৰেণী বিভাজন আছে, তেতিয়া এটা শ্ৰেণীৰ হাতত সমাজৰ সম্পদ ৰাজী কেন্দ্ৰীভুত হয় আৰু সেই সম্পদ ভোগ কৰা শ্ৰেণীটোৱে আনটো শ্ৰেণীক শোষণ ( সকলো দিশৰ পৰাই যথা সামাজিক অৰ্থনৈতিক, সাংস্কৃতিক আনকি যৌনভাৱেও ) কৰিবলৈ আৰম্ভ কৰি দিয়ে। তেতিয়াই ওপৰত উল্লেখ কৰা পৰিবেশ সৃষ্টি কৰাত সমাজ ব্যৰ্থ হয়। আটাইতকৈ পৰিতাপৰ কথা হ'ল—সম্পদ ভোগ কৰা শ্ৰেণীৰ ব্যক্তি সংখ্যাত তাকৰ, কিন্তু তেওঁলোকৰ আধিপত্য সমাজত ইমান বৃদ্ধি হয় যে, এটা সময়ত সমাজৰ সংখ্যা গৰিষ্ঠ ( শোষিত ) লোক সকলে তেওঁলোকৰ নিয়মকে সামাজিক নিয়ম হিচাপে মানি লবলগীয়া হয়। গতিকে তেওঁলোকে যি নিয়ম কানুন কৰে ই জনস্বাৰ্থৰ প্ৰতিকুলে যায় কিয়নো সকলো নিয়ম কানুন কৰা হয় এই সংখ্যা লঘিষ্ঠ দলৰ স্বাৰ্থৰ অনুকুলে। ফলত এনে নিয়ম নীতিয়ে জনস্বাৰ্থৰ চাহিদা কেতিয়াও পূৰণ কৰিব নোৱাৰে। আৰু এনে পৰিস্থিতিতে জন সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক আদি জীৱনৰ সকলো দিশ বিশৃংখল হৈ পৰে। এনে পৰিবেশত ব্যক্তি বিশেষ নানা কাৰণৰ ( যিবিলাক সামাজিক ভাবে নিৰ্দ্ধাৰিত, গইনা লৈ আত্মহত্যাৰ আশ্ৰয় লয়।

এনেকুৱা সামাজিক পৰিবেশত অকল আত্মহত্যাকাৰী লোকেহে আত্মহত্যা কৰে এনে

নহয়। অলপ বহল দৃষ্টিৰে চালি জাৰি চালে এইটো বোধগম্য হব যে অগনণ জীৱিত লোকেও আত্মহত্যা কৰিছে। তোৰ বোধ হয় কথাটো শুনি হাঁহি উঠিছে নহয়? কিন্তু দৰাচলতে ই হাস্যকৰ নহয়, বৰং বেদনা দায়কহে। ধৰ, শৈশৱত ভৰি দিয়া এটি শিশু—খুউব মেধা আৰু ব্যক্তিত্ব পূৰ্ণ। তাৰ প্ৰখৰ বুদ্ধি, ব্যক্তিত্ব আদিৰ পৰা সি ভাবি লৈছিল যে, সি এজন ডাঙৰ মানুহ হব। কিন্তু তাৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয়। এতিয়া আমাৰ উল্লেখ কৰা সমাজখনে তাৰ ব্যক্তিত্বৰ প্ৰতিটো চকুকাণ নিদিয়ে। বৰঞ্চ, সি যি শিক্ষা পালে নিজৰ ব্যক্তিত্বক গঢ় দিব পাৰিলেহেতেন— অৰ্থ নৈতিক দুৰৱস্থাৰ হেতু সি সেই শিক্ষাকনো লব নোৱাৰিলে। অৰ্থাৎ শৈশৱৰ স্বপ্ন যৌৱনত বিলাস হৈ উটি গল। আৰু এই ক্ষেত্ৰত সমাজ নীৰৱে থাকিল। গতিকে এইটো স্পষ্ট হল যে সেই বিশেষ শিশুটিৰ আশা — আকাঙ্খা, যোগ্যতা, ব্যক্তিত্ব আদি থকা স্বত্বেও সমাজে তাক উপযুক্ত হিচাবে গঢ় দিব নোৱাৰিলে। সেই বিশেষ শিশুটি সমাজত অৱহেলিত হৈ পৰিল। তাৰ আত্মাক (যি আশা আকাঙ্খাৰ যোগ্যতা তাৰ ব্যক্তিত্বত আছিল) হত্যা কৰা নহলনে? এনেকুৱা অত্মহত্যাক এখন ডুবিব ধৰা জাহাজৰ কেপ্তেইন, নাবিক আৰু কৰ্ম্মীসকলৰ লগত তুলনা কৰিব পাৰি। এখন ডুবিব ধৰা জাহাজৰ নাবিক আৰু অন্যান্য কৰ্ম্মীবৃন্দৰ আত্মবিশ্বাস আছে যে তেওঁ-লোকে সাতুৰি হলেও নিজৰ জীৱন বচাব পাৰিব। কিন্তু কেপ্তেইনে তেওঁলোকক অনুমতি নিদিলে সেইটো কেতিয়াও কৰিব নোৱাৰে। ফলত, কেপ্তেইনে নিজেইতো প্ৰাণ হেৰুৱাই, অন্যান্য সকলৰো প্ৰাণ লব। Anomic suicide ও ঠিক তেনে ধৰণৰ। সমাজে জানে যে 'ক' নামৰ লোকজনৰ পথেৰে ধাবিত হলে মানুহৰ দুখ দৈন্য বাঢ়ে। তথাপিও তেওঁলোকে সেইফালেই ধাবিত হবলৈ বাধ্য। যেনেকৈ জাহাজৰ কেপ্তেইন জনেই সৰ্বেসৰ্বা, তেওঁৰ লগত বিপদ আপদ, ভাল বেয়াৰ প্ৰশ্ন নাই ঠিক তেনেদৰে এনে সমাজতো এমুঠি ব্যক্তিৰ নিৰ্দ্দেশত সমাজ পৰিচালিত হয়, তাত সামাজিক স্বাৰ্থৰ কোনো প্ৰশ্ন নাই। কিন্তু প্ৰত্যেক ব্যক্তিৰে এটি নিজস্ব সত্তা আছে। এই সত্যক উপলব্ধি কৰিব নোৱাৰি ব্যক্তি বিশেষক বিপথে পৰিচালিত কৰা হয়। গতিকে ব্যক্তিয়ে বিভিন্ন সময়ত বিপদৰ সন্মুখীন হবলগীয়া হয়, যাক তথা কথিত সমাজে পাপবোধ বুলি গণ্য কৰে। এনে পাপবোধৰ (?) হাত সাৰিবলৈয়ো ব্যক্তিয়ে আত্মহত্যাৰ আশ্ৰয় লবলগীয়া হয়।

এইবোৰৰ উপৰিও ৰাষ্ট্ৰ আৰু সমাজত এনে বিশেষ কিছুমান উপাদান আছে, যিয়ে আত্মহত্যাক প্ৰশ্ৰয় দিয়ে। তই এতিয়া প্ৰশ্ন কৰিব পাৰ যে ওপৰত বৰ্ণোৱা কাৰণবোৰেই যে আত্মহত্যাৰ প্ৰকৃত কাৰণ তাৰ প্ৰমান মোৰ হাতত কিম্বা আছে নেকি? প্ৰমান নিশ্চয় আছে। উদাহৰণ স্বৰূপে চীন বা ছোভিয়েট ৰাছিয়াৰ কথাকে ধৰিব পাৰো। বিপ্লৱৰ আগেয়ে চীনত আত্মহত্যাৰ হাৰ পৃথিবীৰ ভিতৰতে অন্যতম আছিল। দিনে শ শ লোকেআত্মহত্যা কৰিছিল। সেই সময়ত চীনৰ সমাজ ব্যৱস্থা আছিল সামন্তবাদী। কৃষি ব্যৱস্থা আছিল সম্পূৰ্ণ জমিদাৰী প্ৰথাৰ গ্ৰাসত। এনে পৰিবেশত মানুহৰ জীৱনৰ শলিতাৰ তেলৰ মালিক আছিল

এই সামান্ত প্রভুসকল। সকলো সময়তে ত্ৰাস, শঙ্কা, মানসিক উদ্বেগ, ভোক-লঘোনৰ মাজেৰে অতিবাহিত হৈছিল মানুহৰ জীৱন। ন্যায়ৰ পৰিবৰ্ত্তে চীনৰ মজিয়া কপাই তুলিছিল নিষ্ঠুৰ পদাঘাত আৰু চাবুকৰ কোবে। কিন্তু বিপ্লৱৰ পিছত চীনত বিজ্ঞানসন্মত সমাজবাদ স্থাপিত হয়। ফলত পূৰ্বৰ সেই সামন্তযুগীয় শোষণ নিষ্পেষণ, জ্বলা-যন্ত্ৰণা, অত্যাচাৰ পদাঘাট আদিৰ পৰা চীনৰ জনসাধাৰণ মুক্ত হয়। কোৱা বাহুল্য মাথো যে এই বিজ্ঞানসন্মত সমাজবাদ প্ৰতিষ্ঠা হোৱাৰ দিন চেৰেক পিছুতে চীনৰ বুকুৰ পৰা আত্মহত্যাৰ মাৰাত্মক ৰূপটো নাইকীয়া হয়। এসময়ত পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি আত্মহত্যা হোৱা চীনত আজি পৃথিবীৰ ভিতৰতে আটাইতকৈ কম আত্মহত্যা হয়। ঠিক তেনেদৰেই অক্টোবৰ বিপ্লৱৰ আগেয়ে জাৰৰ শাসনৰ ছত্ৰ ছায়াত থকা এক বুজন সংখ্যক লোকে আত্মহত্যা কৰিছিল। সমাজ সংস্কৃতি আছিল তেতিয়া, মই আগেয়ে বৰ্ণনা কৰা প্ৰকৃতিৰ। কিন্তু অক্টোবৰ বিপ্লৱৰ পিছত আত্মহত্যাৰ হাৰ যি পৰিমাণে হ্ৰাস পালে সি কল্পনাৰো অতীত। বৰ্ত্তমান ৰাছিয়াৰ আত্মহত্যাৰ হাৰ বছৰি ত্ৰিশজন। তোৰ হয়তো মনত আছে যে, ৰাছিয়াৰ অক্টোবৰ বিল্পৱ আছিল সম্পূৰ্ণ ৰাজনৈতিক ও অৰ্থনৈতিক। কিন্তু তাত বিভিন্ন কাৰণ বশতঃ সাংস্কৃতিক বিল্পৱ নহ্‌ল। গতিকেই তাৰ প্ৰচলিত সমাজবাদ সম্পূৰ্ণ নিকা নহ'ল। কোনোবা এঠাইত কিবা এটা আসোৱাহ বৈ গল।

এতিয়া আমি এই সিদ্ধান্তত উপনীত হব পাৰো যে আত্মহত্যা সংঘটিত হোৱাৰ ক্ষেত্ৰত এখনসমাজ বা ৰাষ্ট্ৰ ব্যৱস্থায়ে যথেষ্ট পৰিমাণে ইন্ধন যোগায়, যদিও সেই কাম পৰোক্ষভাৱেহে সিদ্ধ হয়।

ইমান পৰে আমি আত্মহত্যাৰ কাৰণসমূহ যিমান পাৰো সুক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিলো। এতিয়া আমি আমাৰ দেশ ভাৰতবৰ্ষলৈ আহোহক। যিখন দেশৰ জলবায়ু সেৱন কৰি আমি জীয়াই আছো, সেইখন দেশৰ বুকুত সংঘটিত হোৱা এই মাৰাত্মক সামাজিক ব্যাধিটোৰ বিষয়ে আগতকৈও বেছি গুৰুত্ব দি আলোচনা কৰা অতি প্ৰয়োজন। কিন্তু পৃথিবীৰ অন্য উন্নতশীল ৰাষ্ট্ৰৰ সন্মুখত এইটো যি সমস্যা ভাৰতৰ ক্ষেত্ৰতো একেই সমস্যা। পৃথিবীৰ অন্য ৰাষ্ট্ৰবোৰৰ পৰা পৃথক কৰি ভাৰতৰ এই সমস্যাতো জুকিয়াই চালে এটি কথা আমাৰ স্পষ্ট হৈ পৰে যে পৃথিবীৰ অন্যান্য ৰাষ্ট্ৰৰ তুলনাত ভাৰতৰ আত্মহত্যাৰ দুটিমান মৌলিক কাৰণো আছে। তাৰ ভিতৰত প্ৰথমেই উল্লেখ কৰিব পাৰো — ভাৰতৰ জনসাধাৰণৰ মাজত কোনোবা কাহানিৰে পৰা প্ৰচলিত হৈ অহা জাতিভেদ প্ৰথা। জাত্যাভিমানৰ ঠেক গণ্ডীৰ চক্ৰবেহুত সোমাই পৰি ভাৰতৰ জনসাধাৰণৰ এটি চাম সদায়েই সমাজৰ বুকুত লাঞ্চিত হৈ আহিছে। নৈতিক অধঃপতনমুখী আন এচাম লোকে সকলো সময়তে ইয়াৰ সুযোগ লৈ নানা অত্যাচাৰ অনাচাৰ কৰা দেখা যায়। এই সামাজিক অবিচাৰত বলি হয় শ শ আত্মহত্যাকাৰী লোক। ভাৰতৰ সামাজিক বিচাৰ এক বিশেষ ধৰণৰ। অতি প্ৰাচীন কালৰ পৰা চলি অহা কিছুমান ৰীতি-নীতি ইয়াৰ বাহক। এই ৰীতি

নীতিবোৰে বাস্তৱক কেতিয়াও স্বীকাৰ নকৰে। শোষক তথা অত্যাচাৰী শ্ৰেণীৰ বাবে ই হল অস্ত্ৰ। দিনৰ পোহৰত ই যিমান অভেদ্য কটকটিয়া ৰীতিৰ, আন্ধাৰত যিমান শিথিল আৰু উপভোগ্য এই ৰীতি নীতিয়ে আমাৰ জনসমাজৰ প্ৰতিটো দিশতে বৰ নিষ্ঠুৰ ভাবে আঘাত হানিছে। প্ৰেম-প্ৰীতি, সাহিত্য সংস্কৃতি আদি সকলো গ্ৰাস কৰি ই জাতীয় প্ৰগতিৰ পথ ৰুদ্ধ কৰি ৰখাৰ লগতে আত্মহত্যাৰ পথো সুগম কৰি ৰাখিছে। বৰ্ণ, বৈষম্য, অসবৰ্ণ বিবাহ আদিয়ে নিতৌ আত্মহত্যাৰ পৰিসংখ্যা বৃদ্ধি কৰিব লাগিছে। এইটো প্ৰানিধান যোগ্য যে ভাৰতত যি পৰিমানৰ আত্মহত্যাৰ বছৰি হয়। তাৰ শতকৰা ৭·০ ভাগ এনে ৰীতি নীতিৰ কবলত পৰি কৰা আত্মহত্যা ।

দ্বিতীয়তে, ভাৰতীয় সমাজৰ বুৰ্জোৱা ' ঢং 'ও আত্মহত্যাৰ আন এটি কাৰণ। উদাহৰণ স্বৰূপে ধৰ ভাৰতৰ যুৱক যুৱতীৰ প্ৰেম। ভাৰতৰ যুৱক যুৱতীয়ে প্ৰেম কৰিব জানে, প্ৰেমৰ নামত উপভোগ কৰিব জানে, কিন্তু বাস্তৱৰ সন্মুখীন হব নাজানে। বাস্তৱৰ সন্মুখীন হবলগীয়া হলেই তেওঁলোক পলায়নবাদী হয়। অৰ্থাৎ আমি প্ৰেম কৰিবলৈ শাৰীৰিকভাবে সদায় প্ৰস্তুত কিন্তু মানসিক ভাবে সদায় অপ্ৰস্তুত। গতিকে বৰ্ণ বৈষম্য, শ্ৰেণী বৈষম্য, জাত্যাভিমানৰ পৰশ আদিয়ে যেতিয়া প্ৰেমিক প্ৰেমিকাৰ সামাজিক মিলনৰ পথ দুৰ্গম কৰি তোলে তেতিয়াও আমাৰ যুৱক যুৱতীৰ বেছি ভাগেই আত্মহত্যা কৰা দেখা যায়। ভাৰতত এনে ধৰণৰ আত্মহত্যা শতকৰা ৭·৩ ভাগ। তোৰ

এটা কথা হয়তো অস্পষ্ট হৈ আছে যে শাৰীৰিক ভাবে, মানসিক ভাবে আদি পদবোৰৰ দ্বাৰা মই কি বুজাব খুজিছো। এতিয়া এটা উদাহৰণ লও নহয় জানো? ধৰ তোৰ বান্ধবী নমিতাৰ কথা। তাই ছন্দনক সচাঁই ভাল পাইছিল হেনো। সিহঁত পৰস্পৰৰ শাৰীৰিক মিলনো হৈছিল—সমাজ (?) ৰ আৰেঁ আৰেঁ। কিন্তু যেতিয়া সিহঁতৰ মাজত বিয়াৰ প্ৰশ্ন আহিল. তেতিয়া ছন্দনৰ দেউতাকে দুৰ্ঘোৰ প্ৰতিবাদ কৰিলে। সেই প্ৰতিবাদৰ উৎস আছিল ছন্দনৰ দৰে ধনীৰ ঘৰৰ দুলালে নমিতাৰ দৰে দুখীয়া ঘৰৰ অভাগিনিক (?) কেতিয়াও বিয়া কৰাব নোৱাৰে। ইয়ে হেনো ছন্দনৰ দেউতাকৰ সামাজিক আধিপত্যত চেকা পেলাব। ফলত নমিতাই আত্মহত্যা কৰিলে। কাৰণ, নমিতাৰ সন্তানটোৱেতো কোনো দিনেইসমাজৰ স্বীকৃতি নাপায় এতিয়া কত গল ছন্দনৰ সেই প্ৰেম? যেতিয়া নমিতাক ভাল পাইছিল তেতিয়া ছন্দনে কেতিয়াও ভবা নাছিল সিহঁতৰ শ্ৰেণী-চৰিত্ৰ কথা। কিন্তু পিছত? নিজৰ শ্ৰেণী আধিপত্য বজাই ৰাখিবৰ কাৰণে ছন্দনে নমিতাক মৃত্যুৰ মুখলৈ আগবঢ়াই দিলে। গতিকেই বুজা গল ছন্দনৰ প্ৰেমত শাৰীৰিক মাদকতা আছে। কিন্তু মানসিক প্ৰেৰণা নাই। যদি সিহঁতৰ প্ৰেমত প্ৰেৰণা থাকিলহেতেন তেন্তে ছন্দনে নিশ্চয় প্ৰতিজ্ঞা কৰিলহেতেন যে শ্ৰেণী — বৈষম্যক প্ৰশ্ৰয় নিদি; নিজৰ শ্ৰেণী আধিপত্যক প্ৰত্যাহ্বান জনাই হলেও সি নমিতাক বিয়া কৰিব। কিন্তু সেইটো নহল। নহল মানে আমাৰ সমাজৰ মানসিকতাই সেইটো। অন্তৰৰ ভিতৰত এটি বিশেষ লক্ষ্য

আমি সকলো সময়তে অভিনয় কৰো। আমাৰ এই অভিনয়ৰ মুৰ যি বুজি নেপাই আমাক ৰাস্তব বুলি লৈ বিশ্বাস কৰে সিয়ে আত্ম প্রৱঞ্চনাৰ সন্মুখীন হব লগীয়া হয়। কাৰণ, বুৰ্জোৱা সমাজৰ ধাৰণা যে এই সমাজৰ আৰেঁ আৰেঁ কৰ কামবোৰ পাপ নহয়, কিন্তু সমাজক বাস্তৱতো দেখুৱাই দিলেই তাত পাপবোধৰ সৃষ্টি হয়। আৰু এই পাপবোধেই আমাৰ ভাৰতীয় সমাজত আত্মহত্যাৰ এটি প্ৰধান কাৰণ। এইটো নকলেও হব যে যৌন উশৃঙ্খলতা, বৈবাহিক অশান্তি, পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ দেহ পণ্য দ্ৰব্যলৈ ৰূপান্তৰিত হোৱা আদি কাৰণতো আত্ম-হত্যাৰ হাৰ দিনে দিনে ভাৰতত বৃদ্ধি হব ধৰিছে।

তৃতীয়তে, আমাৰ দেশৰ ইতিহাসৰ শিক্ষা আৰু তাৰ মূল্যায়ণৰ অনুশীলন খুউব কম কল্পনাৰ কাপেৰে ভাবি লোৱা কোনো কাহিনীক আমাৰ সমাজৰদৰ্শন, আধ্যাত্মিকতা, বা অনুপ্রেৰণা বুলি কেতিয়াও গ্ৰহণ কৰা উচিত নহয়। নীতিবোধ মানুহক লাগে, কিয়নো ই সমাজত অনুশাসন আনে। কিন্তু সেই নীতিবোধ বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত হব লাগিব। যেতিয়া মানৱ সমাজ বৰ্বৰ আছিল — তেতিয়া আত্মহত্যা নাছিল। কিন্তু তাত জানো মানসিক সংকট উদ্ভৱ হোৱা নাছিল ? নিশ্চয় হৈছিল। আদিম মানৱ সমাজতো ব্যক্তিয়ে মানসিক সংকটত ভুগিছিল। কিন্তু সেই সংকটৰ গইমা লৈ ব্যক্তিজনক সমাজৰ ঘৃণনীয় ব্যক্তি কৰি তোলা নাছিল। তেওঁলোকে এজন ব্যক্তিৰ সেই পৰিস্থিতিক সকলোৱে উমৈহতীয়া দায়িত্ব হিচাবে লৈ সেই সংকট দূৰ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সভ্য বুলি গৰ্ব কৰা আজিৰ জনসমাজে তেনে কৰা দেখা নাযায়। ইয়াৰ কাৰণ আছে। প্ৰাচীন সমাজত ব্যক্তিগত স্বাৰ্থ নাছিল। তেওঁলোকৰ সকলো কাম কাজ সমাধা হৈছিল উমৈহতীয়া (collective) স্বাৰ্থ আগত ৰাখি। ঐতিহাসিক সকলে এই সময়ছোৱাক আদিম সাম্যবাদী অৱস্থা বুলি কৈছে। কিন্তু সমাজত যেতিয়াই ব্যক্তিগত সম্পত্তিৰ উৎপত্তি হল তেতিয়াই মানুহ ব্যক্তিগত ভাবে স্বাৰ্থ-মুখী হৈ পৰিল। আৰু এই স্বাৰ্থ অটুত ৰাখিবলৈ কিছুমান নীতিবোধৰ সৃষ্টি হয়। এই নীতিবোধ সম্পূৰ্ণ ভাৱৰ ওপৰত প্ৰতিষ্ঠিত বুলি কলেও ভুল কৰা নহব। কবলৈ ক্ষোভ জাগে যে এই নীতিবোধ হল স্বাৰ্থান্বেষী শ্ৰেণীবোৰৰ, জনসমাজক ভূৰা দিয়া, শোষণ কৰাৰ পাশুপাত অস্ত্ৰ। আমাৰ জনসমাজ আজি এই নীতিবোধৰ দ্বাৰা আক্ৰান্ত। আমাৰ সমাজে এতিয়াও বুজি পোৱা নাই যে এইনীতি বোধ মানুহে সৃষ্টি কৰিছে, ই কোনো ঈশ্বৰে (?) সৃষ্টি কৰা নহয়। শেষ পৰ্য্যায়ত এই নীতিবোধৰ নিষ্ঠুৰতম বলি হব-লগীয়া হয় নিৰীহ, অসহায় ব্যক্তি সকল যিয়ে আত্মমুক্তিৰ পথ চিনি পায়ো সেই পথে গতি নকৰি আত্মহত্যাৰ আশ্ৰয় লয়।

চিঠিখন বৰ দীঘলীয়া হল নহয় ? তোৰ চাগৈ আমনি লাগিছে, এনেদৰে সময় নষ্ট কৰা দেখি। ৰ'বি, আৰু অলপ লিখিব লগীয়া আছে। আত্মকেন্দ্ৰিয়কতাৰ কানি টানি টানি, প্ৰেমৰ চিঠি লিখি লিখি, ফিল্মফেয়াৰ পঢ়ি পঢ়ি, বুকুত গাৰু লৈ আৰাম কৰি থাকোতে তহতৰ সময় নষ্ট নহয়। ভাল কথা অলপ মনদি পঢ়িব বা

শুনিব লগীয়া হলে তইঁতৰ সময় নাই, ৰবিচোন, ধৈৰ্য্যধৰ— অথনিৰ সেই হুলস্থূলটো দেখোন কমিছে, সেই যুৱক জনৰ তুখত সমাজ প্ৰেমী ৰাইজ দেখোন নিশা ন বজাতে নিতাল মাৰিলে। ভালেই হৈছে নিস্তব্ধ পৰিবেশত মোৰ চিন্তা কৰা সুবিধা হৈছে —। পঢ়ি যা —।

কিছুমান লোকে আমাৰ দেশত তুৰাৰোগ্য বেমাৰত পৰিও আত্মহত্যা কৰা দেখা যায়। এতিয়া কথা হ'ল —- যি মানুহ এবাৰ জন্মিছে সি মৰিবই। বেছি ভাগ মানুহৰ বেমাৰতেই মৃত্যু হয়। সি যি বেমাৰেই নহওক, অধিক খাই কম কাম কৰাৰ ফলত হাই ব্লাড প্ৰেছাৰেই হওক বা গোটেই দিনটো হাড় ভঙা শ্ৰম কৰি নিশা পানী এগিলাছ বা মুড়ি দুটামান খাই শুই থকাৰ ফলত ৰক্তহীনতাৰ বাবেই হওক মানুহ বেমাৰত মৰে। তেন্তে তুৰাৰোগ্য বেমাৰত পৰা লোকে আত্মহত্যা কৰে কিয় ? ইয়াৰ মূলতে হ'ল সামাজিক অৱহেলা। কিবা ডাঙৰ বেমাৰত পৰিলে আমাৰ সমাজে সেই সকল ব্যক্তিক ঘৃনাৰ চকুৰে চায়। সেই দৃষ্টি সহ্য কৰিব নোৱাৰি আৰু দাৰিদ্ৰ, কিছুক্ষেত্ৰত বৈজ্ঞানিক গবেষণাৰ অভাৱত আমাৰ দেশত আত্মহত্যা কৰা লোক সঘনাই দেখিবলৈ পোৱা যায়।

ইমানপৰে আমি আত্মহত্যাৰ কাৰণবোৰ চমুকৈ আলোচনা কৰিলো এতিয়া চোৱা যাওক এই আত্মহত্যাই আমাৰ জাতীয় স্বাৰ্থ বা জাতীয় অৰ্থনীতিত কেনেদৰে প্ৰভাৱ পেলাইছে।

পৃথিৱীত প্ৰতিদিনেই প্ৰায় ১০০০ এহেজাৰ জনলোকে আত্মহত্যা কৰে আৰু তাৰ ভিতৰত ১১০ (এশ দহ) জনেই ভাৰতীয়। আকৌ ভাৰতীয় সকলৰ ভিতৰত শতকৰা ৬০ (ষাঠি) ভাগ পুৰুষ, বাকীখিনি মহিলা। বেছিভাগ আত্ম-হত্যাকাৰীৰে গড় বয়স ত্ৰিশ, মানে একোজন কৰ্ম্মঠ যুৱক বা যুৱতী। আনফালে ভাৰতত প্ৰতি তিনি মিনিটৰ মূৰত এটি শিশু (অৰ্থাৎ লোকৰ ওপৰত ভেজা দি জীয়াই থকা) ৰ জন্ম হয়। অৰ্থাৎ দিনে ৪৮০ জন কৰ্ম্মহীন লোকৰ জন্ম হয়। গতিকে তই ভাবি চাছোন। যি সময়ত এশ দহ জন কাম কৰিব পৰা লোক ভাৰতৰ পৰা নোহোৱা হৈছে, সেই সময়ত কাম কৰিব নোৱাৰা লোক ৪৮০ জন বৃদ্ধি হৈছে। এনে ভয়াবহ প্ৰতিক্ৰিয়া এখন উন্নতশীল ৰাষ্ট্ৰৰ সন্মুখত এক মাৰাত্মক প্ৰত্যাহ্বান। আনফালে আকৌ ভাৰতৰ প্ৰতি জন মূৰি আয় ২২৫ টকা। সেইফালৰ পৰা চাবলৈ গলে প্ৰতি দিনেই ভাৰতৰ জাতীয় আয় হানি হৈছে প্ৰায় ২৫ হেজাৰ টকা। এনেকুৱা এটা অৱস্থাত আমি দেশৰ প্ৰগতিৰ কথা কেনেকৈ চিন্তা কৰিব পাৰো ? গতিকে আত্মহত্যা যদিও ব্যক্তি বিশেষৰ কাম তথাপিও তাক সামাজিক দৃষ্টিৰে চাবৰ হ'ল।

প্ৰতিকাৰৰ উপায় নাই নেকি ? :- ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈ ওলাই পৰিল যে আত্মহত্যা কেতিয়াও কপালৰ লিখন নহয়। আত্মহত্যা পৃথিৱীৰ ব্যক্তি আৰু সমাজৰ ব্যৱধানৰ ফলত সৃষ্টি হোৱা সংঘাটৰ ফল। গতিকে ইয়াক আকাশৰ পৰা নেদেখা কোনো ভগৱান, আল্লা বা গডে নিয়ন্ত্ৰণ নকৰে। পৃথিৱীৰ সমস্যা পৃথিৱীতে নিয়ন্ত্ৰিত হয়। গতিকে ইয়াৰ প্ৰতি-কাৰৰ ব্যৱস্থাও মানুহৰ অৰ্থাৎ সমাজৰ হাততে আছে যদিহে সমাজে এই ব্যাধি দূৰ কৰিবলৈ সমাজ সচেতন হয়।

উক্ত আলোচনাত আন এটি কথা প্ৰকটভাৱে ধৰা দিছে যে আত্মহত্যাৰ যিবোৰ কাৰণৰ কথা কোৱা হল। সেইবোৰ সামন্তবাদী, প্ৰাক পুজিবাদী আৰু পুজিবাদী ৰাষ্ট্ৰৰ ক্ষেত্ৰত বিশেষ ভাৱে প্ৰযোজ্য। গতিকে প্ৰতিকাৰৰ দৃষ্টি লৈ আত্মহত্যাক উপকুৰা ভাবে চালে নহব। আমাৰ মতে, ইয়াৰ শিপা শেষ কৰিবলৈ হলে গুৰিৰ পৰা অহা দৰ্কাৰ। অৰ্থাৎ সমাজ ব্যৱস্থা পৰিবৰ্ত্তনত মনোনিৱেশ কৰিব লাগিব। কিন্তু সেইটো হব বস্তুবাদী দৃষ্টি-ভঙ্গীৰ দ্বাৰাহে। গতিকে ভাৰতৰ জনসমাজত বস্তুবাদী শিক্ষা জনপ্ৰিয় কৰি তুলিব লাগিব। এইটো হব আত্মহত্যাৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ প্ৰথম পদক্ষেপ।

এখন সমাজৰ সকলো দিশ নিৰ্ণয় কৰে অৰ্থনীতিয়ে। যিখন দেশৰ অৰ্থনীতি সুস্থ সেই খন দেশত মানসিক সংঘাতো পাতল। প্ৰায়বোৰ মানসিক সংঘাতৰ মূলতে হল অৰ্থনীতি। এইটো বহল দৃষ্টি-ভঙ্গীৰে চাব লাগিব। শ্ৰেণী বৈষম্যৰ হেতু সমাজত অৰ্থনৈতিক অক্ষমতাৰ সৃষ্টি হয়, সেই বৈষম্যৰ স্বাৰ্থ বজাই ৰাখিবলৈ, শোষণৰ পথ মুকলি ৰাখিবলৈ সমাজত সৃষ্টি কৰা হয় বৰ্ণ-বৈষম্য, জাতি বৈষম্য, আমি আগতেই আলোচনা কৰি আহিছো যে এই শ্ৰেণী, বৰ্ণ তথা জাতি বৈষম্য ভাৰতীয় লোকৰ আত্মহত্যাৰ এটা প্ৰধান কাৰণ। সেয়ে, এনে আত্মহত্যা ৰোধ কৰিবলৈ হলে সমাজৰ পৰা শ্ৰেণী, বৰ্ণ তথা জাতি-বৈষম্য দূৰ কৰিবই লাগিব। গতিকে এখন বৰ্ণহীন, শ্ৰেণীহীন, নিষ্পেষনহীন সমাজ স্থাপন কৰিবলৈ হলে আমি বস্তুবাদী দৰ্শনৰ আশ্ৰয় লবই লাগিব। বস্তুবাদী দৰ্শনক বাদ দি সমাজ পৰিবৰ্ত্তনৰ কথা চিন্তা কৰাটো এটি সাধাৰণ বিলাসিতাৰ বাহিৰে অন্য একো নহয়। প্ৰেমজনীত আত্মহত্যাও ইয়াৰ ভিতৰত ধৰিব লাগিব। কিয়নো সুস্থ যৌন নৈতিকতাৰ ওপৰত প্ৰেম আৰু বৈবাহিক জীৱনৰ স্থায়িত্ব নিৰ্ভৰ কৰে আৰু সেই নৈতিকতা নিয়ন্ত্ৰিত হয় প্ৰচলিত সমাজ ব্যৱস্থাৰ দ্বাৰা।

ইয়াৰ পিছত আন এটি প্ৰয়োজনীয় কথা হল আমাৰ সমাজে প্ৰচলিত বুৰ্জোৱা ঢংবোৰ এৰিব লাগিব। মানসিক সংঘাতৰ পৰা পৰিত্ৰাণ পোৱাৰ পথ, মদ, আত্মহত্যা আদি নহয়। আমাক মদ নালাগে, লাগে মনোবল, হত্যা নালাগে, লাগে মুক্তি। এনে সমাজ ব্যৱস্থাৰ পৰা আমি একো আশা কৰিব নোৱাৰিলেও আমি হতাশ হোৱা উচিত নহয়। আমি প্ৰত্যেকেই আত্ম-সংযম, আত্মপ্ৰত্যয়, আত্মসচেতনতাৰ দ্বাৰা চালিতহৈ জীৱন যুদ্ধত আগবাঢ়িব লাগিব। তেতিয়াহলে হতাশ হোৱাৰ প্ৰশ্ন নুঠে। এনে এটি মনোবল যদি আমাৰ উঠি অহা যুৱক যুৱতী সকলৰ মনত সুমুৱাই দিব পৰা হয়, তেন্তে আত্মহত্যাৰ পৰা বহুতো লোকে আহৰি পাব।

ব্যক্তিকেন্দ্ৰিক মনোভাৱ পৰিহাৰ কৰি সমাজকেন্দ্ৰিক মনোভাব লব পাৰিলে আমি আত্মহত্যাক সমাজৰ পৰা নিৰ্মূল কৰিব পাৰিম। ব্যক্তি স্বাৰ্থক যদি সামাজিক স্বাৰ্থলৈ ৰূপান্তৰিত কৰিব পৰা হয় তেন্তে এই ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ দিব পৰা যায়। এই কথাটো আমি অলপ বহলাই আলোচনা কৰিলেহে বোধগম্য হব। ধৰিল— 'ক নামৰ এজন যুৱক খুউব মেধা আৰু প্ৰখৰ বুদ্ধিৰ, সি কিবা কাৰণত

ফাইনেল পৰীক্ষাত অকৃত কাৰ্য্য হ'ল। গতিকে তাৰ মাজত মানসিক সংঘাটে দেখা দিলে আৰু সি আত্মহত্যা কৰিলে। এতিয়া প্ৰশ্ন আহে যে সি কিয় আত্মহত্যা কৰিলে ? ? একেবাৰতে উত্তৰ আহিব সি আত্মস্বাৰ্থান্বেষী। নিজৰ স্বাৰ্থ পূৰণ নোহোৱাত সি নিজকে হত্যা কৰিলে। এই যে 'নিজৰ স্বাৰ্থ' এই ভাবটো সমাজৰ পৰা নিৰ্মূল কৰিব লাগিব। কাৰণ কোনো ব্যক্তিয়েই স্বকীয় ভাবে সমাজত থাকিব নোৱাৰে। গতিকে স্বকীয় স্বাৰ্থও থাকিব নোৱাৰে। প্ৰত্যেক জন ব্যক্তিৰে একোটাকৈ সামাজিক দায়িত্বও আছে, যাক মই সামাজিক স্বাৰ্থ হিচাবে ইয়াত আলোচনা কৰিছো। সেয়েহে এজন ব্যক্তিয়ে নিজৰ কাম এটিত অকৃতকাৰ্য্য হব পাৰে, কিন্তু সামাজিক দিশত তেওঁৰ প্ৰয়োজন সদায়েই থাকে। গতিকে এই সমাজৰ স্বাৰ্থৰ কথা যেতিয়াই চিন্তা কৰিব তেতিয়াই ব্যক্তিৰ আত্মকেন্দ্ৰিক মনোভাবটো নাইকীয়া হব। অৰ্থাৎ — "মই সমাজৰ বাবে পঢ়িম, লিখিম সমাজৰ বাবে কাম কৰিম আৰু জীয়াই থাকিম সমাজৰ বাবে" এনে মনোভাবলৈ আগবাঢ়িলে আত্মহত্যা নিৰ্মূল হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

এই বিষয়ত সমাজৰ দায়িত্বৰ গুৰুত্বও অনস্বীকাৰ্য্য। সমাজে বিজ্ঞানৰ লগত 'খোজতে খোজ মিলাই পৰম্পৰাগত (Traditional) গোড়ামিবোৰ এৰিবৰ সময় হ'ল। এজন ব্যক্তিৰ সামাজিক স্বীকৃতিটো নিঃস্বাৰ্থ ভাবে দিবলৈ সমাজে শিকিব লাগে। ব্যক্তি সত্ত্বাক মৰমৰ চকুৰে চাই বৰ্ণ বৈষম্য, জাত্যাভিমান, আভিজাত্য-ভাৱ আদি পৰিহাৰ কৰি সকলো ব্যক্তিক সামাজে সাবটি লওক —। বৰ্ণ বৈষম্য, জাত্যাভিমান এটি মনৰ ভাবৰ বাহিৰে আন একো নহয়, সেইটো সমাজে উপলব্ধি কৰক।

বদনাম, পাপবোধ, অন্যায়, ব্যভিচাৰ সমাজে নিৰ্মূল কৰক তাত আমাৰ কবলগীয়া একো নাই। কিন্তু বদনামী বা পাপী বুলি ঘৃণা কৰাৰ ফলত হোৱা আত্মহত্যাৰ ভয়াবহ ৰূপটো আমি তেতিয়াও সহি থাকিব নোৱাৰো। এই ক্ষেত্ৰত অবৈধ প্ৰেমৰ গৰ্ভধাৰণৰ কথা প্ৰণিধান যোগ্য। অবৈধ গৰ্ভধাৰণক সমাজে পাপবোধ বুলি ধৰে। কিন্তু সেই পাপবোধ অকল নাৰীৰ ক্ষেত্ৰতেই প্ৰজোজ্যনে ? আমি জানো যে পাপাচাৰ, যৌনাচাৰ সমাজৰ নৈতিক স্খলনৰ জ্বলন্ত নিদৰ্শন। এনে দুৰ্ব্বলতাৰ সুযোগ লৈ শ শ নাৰীক আত্মহত্যাৰ মুখলৈ ঠেলি দিয়াৰ কোনো যুক্তি নাই। পুৰুষৰ ক্ষেত্ৰত শিথিলতা আৰু নাৰীৰ ক্ষেত্ৰত প্ৰতিশোধৰ ভাৱ লোৱা সামাজিক নৈতিকতা সলনি কৰিব পাৰিলেহে ভাৰতত কিছুক্ষেত্ৰত আত্মহত্যাৰ পথ ৰোধ কৰিব পৰা যাব।

সদো শেষত, আমি পুনৰ দোহাৰো যে সামাজিক ৰীতি, অৰ্থনৈতিক নীতি পৰিবৰ্ত্তনৰ বিকল্পে আত্মহত্যা ৰোধ কৰাৰ অন্য পথ নাই। সেই অপ্ৰিয় সত্যটোক অস্বীকাৰ কৰি কোনো-বাই এইপথ ৰোধ কৰিবলৈ গলে পৰ্য্যবেক্ষণৰ তৰলতা, পৰিস্থিতিৰ জটিলতা, চিন্তাৰ বিভ্ৰান্তি আৰু সমাধানৰ অস্পষ্টতা সদায়েই থাকি যাব।

চিঠিখন বৰ দীঘলীয়া হ'ল। আৰু বহুতো কবলগীয়া আছিল, তোৰ আমনি লাগে বুলি ভয় কৰি চুটিকৈ লিখিলো। যদিও মূল আৰু মৌলিক কথাখিনি তোক মই শুনালো। এই খন সম্পূৰ্ণ ব্যক্তিগত চিঠি। তথাপিও তই যদি ভাব যে, ইয়াৰ এটা সামাজিক মৰ্য্যদা আছে, তেন্তে তই আনকো পঢ়িবলৈ দিব পাৰ। মান-সিক সংঘাটত ভুগি আত্মহত্যাৰ কথা চিন্তা কৰা এজন ব্যক্তিয়ে যদি এই চিঠি খন পঢ়ি অনুপ্ৰানিত হয়, আত্মহত্যাৰ পৰা বিৰত হব, তেন্তে তোৰ এটি সামাজিক দায়িত্ব পালন কৰা হয় আৰু মোৰো এই কষ্টৰ সাৰ্থক হব। ইতি

তোৰ —

লক্ষ্য

# —বিভিন্ন বিষয়ত এগৰাকী মহান ব্যক্তি—

— মালবিকা চৌধুৰী।
স্নাতক মহলা ১ম বাৰ্ষিক (কলা)
অসমীয়া। (অৰ্নাচ)

সেইয়া যে চ'তৰ শেষত বহাগৰ আগমনত ঋতুৰাজ বসন্তই প্ৰকৃতি দেবীক চৌদিশ উন্মনা কৰাৰ সময়। কৰ্ম্ম ব্যস্ত জীৱনৰ মাজেদিও মানুহে প্ৰকৃতিৰ ৰেহ ৰূপত ভোল গৈ সকলো আনন্দত মতলীয়া হোৱাৰ বতৰ, কিন্তু আনন্দৰ লগতে বেজাৰ থকাটোও কেতিয়াবা হৈ পৰে স্বাভাবিক। সেই বেজাৰ নামি আহিছিল অসমীয়াৰ মাজলৈ ১৯৭৭ চনৰ এপ্ৰিল মাহৰ ৯ তাৰিখ শনিবাৰে পুৱা। হঠাতে অসমৰ মহানগৰী গুৱাহাটীত ভাৰতৰ বিশিষ্ট সমাজবাদী নেতা, সৌসিদিনালৈকে সংসদ জিনি থকা সিংহ পুৰুষ, আধুনিক অসমীয়া সাহিত্য আৰু কাব্য জগতৰ দুৱাৰ মুকলি কৰোতা, শিক্ষাবিদ সাংবাদিক আৰু বক্তা হেমবৰুৱাৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ গল লগে লগে অসম তথা ভাৰতৰ সাহিত্য আৰু ৰাজনীতিৰ ক্ষেত্ৰৰ ডাঙৰ ভাৱমূৰ্ত্তিৰ অধিকাৰী এগৰাকী মহান ব্যক্তি চিৰকাললৈ লোক চক্ষুৰ পৰা আতৰি গল।

১৯১৫ চনৰ ২২ এপ্ৰিল তাৰিখে উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ ভবানী বৰুৱাৰ ঘৰত অসম গৌৰৱ হেম বৰুৱাই জন্ম গ্ৰহণ কৰে, অসমীয়াৰ জাতীয় জীৱন সজাই পৰাই থৈ যোৱা এইজন মহান ব্যক্তিয়ে অতি কষ্টেৰেহে শিক্ষালাভ কৰিছিল। হেম বৰুৱাই তেজপুৰৰ পৰা প্ৰবেশিকা পৰীক্ষাত উৰ্ত্তীণ হয়। গুৱাহাটীৰ কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্চ সহ স্নাতক হয়। তাৰ পিচত সুদূৰ কলিকতাৰ পৰা এম, এ, ডিগ্ৰী লাভ কৰি ১৯৪১ চনত তেওঁ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত ইংৰাজী আৰু অসমীয়াৰ অধ্যাপক হয়। বিয়াল্লিছৰ আন্দোলনৰ সময়ত দুবছৰ জেল খটাৰ পিচত ১৯৪৪ চনত গুৱাহাটীৰ বি বৰুৱা কলেজত অধ্যাপক হয়। গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজতো তেওঁ অধ্যাপনা কৰিছিল, আৰু শেষলৈ বি বৰুৱা কলেজৰ অধ্যক্ষ হৈছিল। ১৯৫৭ চনৰ পৰা সংসদী সদস্য হোৱা স্বত্বেও মূলতঃ শিক্ষাবিদ আৰু সাহিত্য-সংস্কৃতি সেৱী হেম বৰুৱাই কলেজৰ লগত যোগসূত্ৰ ৰক্ষা কৰিছিল ১৯৬৭ চনলৈ।

ৰাজনীতিত হেম বৰুৱা আছিল বাওঁ পন্থী। স্বাধীনতাৰ পৰৱৰ্ত্তী কালতে তেওঁ দেশৰ সমাজবাদী আন্দোলনৰ সৈতে নিজকে জড়িত কৰি ৰাখিছিল। সেই আন্দোলনত বহুত বিভাজন, বহুত পৰিবৰ্ত্তন হৈছে. কিন্তু যি কম সংখ্যাক লোক নিজৰ আৰ্দশ আৰু বিশ্বাসত অটল হৈ ৰৈ গৈছে, আৰু তাৰদ্বাৰা সং অনুৰাগী সকলকো আশান্বিত কৰিছে সেই সকলৰ ভিতৰত হেমবৰুৱা অন্যতম।

ৰাজনৈতিক নততা তেখেতৰ শিৰৰ ভূষণ হৈ আছিল। যি সময়ত ছচিয়েলিষ্ট পাৰ্টিৰ বেয়া অৱস্থা, বিৰোধী দল হিচাপে স্থিতি থৰক বৰক আৰু দলৰ বিশিষ্ট সকলৰ শাসক দললৈ ভগন হোৱা দি হৈছিল। সেই সময়তো বৰুৱাই আদৰ্শ আৰু বিশ্বাসত অটল হৈ থাকি ছচিয়েষ্ট পাৰ্টিৰ পতাকাৰ তলৰ পৰা উন্নত শিৰ নতৰালে।

সংসদী সদস্য হিচাপে হেমবৰুৱা বুলিলে বুলিবৰ নাছিল। সেই নামে সংসদ ৰজনজনাই আছিল। সংসদ জিনি থকা এইজন সিংহ পুৰুষে সংসদৰ প্ৰতিটো গুৰুত্বপূৰ্ণ বিষয়তে মাত মাতিছিল, আৰু শাসক সমালোচনাৰ বানেৰে থকা সৰকা কৰিছিল। যিজন সিংহ পুৰুষৰ আক্ৰমণত থাৰৰিব নোৱাৰি তেতিয়াৰ ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰীয়েও সংসদী প্ৰতিজ্ঞা পাহৰি ভীষ্মৰ দৰে তেওঁলৈ চোচাঁ লৰ লগা হৈছিল। সিংহ পুৰুষ হেমবৰুৱা এনে এটা নাম যিটোৱে তেওঁৰ দিনৰ শিক্ষিত ডেকাচাম আৰু যি সকলক লৈ তেও ৰাজনীতিত নামিছিল সেই অগনণ সাধাৰণ ৰাইজক উদ্বুদ্ধ কৰিব পাৰিছিল। তেওঁৰ বহুমুখী ব্যক্তিত্বত এনে কিছুমান গুণ আছিল যিবোৰে তেওঁক সামাজিক জীৱনত অতিশয় জনপ্ৰিয় কৰি তুলিছিল। তেওঁ সেইসকল অসমীয়াৰ শাৰী পূৰাইছিল যি সৰ্ব ভাৰতীয় ক্ষেত্ৰত দৃষ্টি আৰু সন্মান আহৰণ কৰিবলৈ সমৰ্থ হৈছিল, আৰু বিশেষ ৰূপে অসমৰ হৈ মাতমাতোতা হৈও অনান্য ৰাজ্যবাসীৰ মনতো বহুক্ষেত্ৰতে আশাৰ সঞ্চাৰ কৰিব পাৰিছিল. সংসদৰ প্ৰশ্নোত্তৰৰ সময়খিনিত তেওঁ হৈ পৰিছিল সংসদৰ নায়ক।

সাহিত্যিক হেমবৰুৱাই 'বান্দৰ' পুজা' আদি কবিতা লিখি তেওঁৰ ছাত্ৰ অৱস্থাতেই প্ৰচলিত কাব্য সাহিত্যত এটি বিপ্লবৰ সূচনা কৰিছিল। তেতিয়াৰ পৰা ক্ৰমে অধ্যয়ন আৰু অভিজ্ঞতাৰে পুষ্ট হৈ আধুনিক কাব্য সাহিত্যৰ জেৰে দুৱাৰ মুকলি কৰিছিলে। ভ্ৰমণ সাহিত্যই হেমবৰুৱাক আটাইতকৈ জনপ্ৰিয় কৰি তুলিছিল। তেওঁৰ সাগৰ দেখিছা, ৰঙাকৰবীৰফুল 'ইজৰাইল মেকং নৈ দেখিলো' আদি ভ্ৰমণ কাহিনীৰ কিতাপ কেইখনে এজন তীক্ষ্ম পৰ্যবেক্ষকৰ কথা সোঁৱৰাই। অসমক বাহিৰৰ মানুহৰ আগত দাঙি ধৰাৰ প্ৰচেষ্টাত তেওঁৰ দি ৰেড ৰিভাৰ এণ্ড দি-ব্লু-হিল, আছামিজ লিটাৰেচাৰ আগষ্ট ৰিভলিউচন ইন আসাম, লক্ষ্মীনাথ বেজবৰুৱা মৰ্ডাণ আছামিজ পয়েট আদিৰ অৱিহণা সৰ্বজন স্বীকৃত। আনহাতে আধুনিক সাহিত্য সৃষ্টিৰ পাপৰি, সাননিহিলি, আচুফুল এই গাওঁ এইগীত, কন্নকী, কিউপিড আৰু ছাইকী এমুখ্যে গ্ৰন্থৰাজি তেওঁৰ অমৰ কীৰ্তিস্তম্ভ। তেওঁৰ মমতাৰচিঠি' এন্ধাৰ, আইতা, গতিশীল মানৱ, আদি কবিতাৰ মাজত যেনেকৈ নবীন চিন্তাধাৰা আৰু প্ৰকাশৰ সাবলীলতা দেখা যায়, তেনেদৰে দেশ প্ৰেমমূলক কবিতাৰ মাজত মানুহৰ মনৰ ছবিফুটি উঠে — এইখন আমাৰ দেশ/ইয়াত আছে জীৱনৰ জুইশিখা, জীয়াইথকাৰ/ মতলীয়া আশা, ৰক্ত গঙ্গা তৃষ্ণা আৰু মহামানবৰ প্ৰশান্ত

জোৱাৰ যত্ত জুই জ্বলে / মেজিৰ জুই — বালিচন্দা আৰু মনময়ূৰী নামৰ কবিতা সঙ্কলন দুখনি চিৰসঙ্গৰ শিক্ষাবিদ হিচাপেও হেমবৰুৱা অসমত প্ৰখ্যাত কলেজ শিক্ষক ৰূপে, তেওঁ কৰ্ম্ম জীৱনৰ পাতনি মেলিছিল আৰু অসমৰ প্ৰথম নৈশ কলেজ, গুৱহাটী বি, বৰুৱা কলেজৰ অধ্যক্ষ ৰূপে থাকি, বহুদিনলৈকে ঐকান্তিক শিক্ষাব্ৰতী হৈ সুনাম আৰু সম্মান আৰ্জিছিল। তেওঁ কলেজত অধ্যাপনা কৰি থকা কালছোৱাত শ্ৰেণীত ইংৰাজী আৰু অসমীয়া সাহিত্য এনে ৰসলগাকৈ পঢ়াইছিল যে সেই শ্ৰেণীত উপস্থিত থাকিবলৈ ছাত্ৰসকলকে তেওঁৰ স্বভাৱসুলভ ৰসাল কথাই আকৰ্ষণ কৰি আনিছিল।

সাংবাদিকতাৰ ক্ষেত্ৰত পছোৱা নামৰ আলোচনীৰ সম্পাদক ৰূপে হেমবৰুৱাই অসমীয়া সাহিত্যৰ নতুন গতিধাৰা আগুৱাই নিয়াত বৰঙনি যোগাইছিল। এখন ইংৰাজী দৈনিক কাকত আসাম এক্সপ্ৰেছৰ তেওঁ সম্পাদক আছিল। আধুনিক অসমীয়া সাহিত্যৰ দৃষ্টিত (জয়ন্তী, পছোৱা আৰু ৰামধেনুৰ কালত) তেওঁৰ ব্যক্তিত্বই যি প্ৰেৰণা যোগাইছিল সেইকথা অসমীয়া সাহিত্যৰ বুৰঞ্জীত এদিন স্বীকৃত হব বুলি সকলোৰে বিশ্বাস। লগে লগে তেওঁৰ 'পছোৱা' আলোচনীৰ ইতিহাসো প্ৰকাশ বোধকৰো হব।

সকলোৰে কল্যাণ হওক — ইয়াকে প্ৰাৰ্থনা জনাই সামৰিলো"। এই বাক্যটি বক্তা হেম বৰুৱাৰ জীৱনৰ আলোক মন্ত্ৰ আছিল। তেওঁৰ আধুনিক যুগৰ নগৰীয়া তথা গাৱলীয়া ছাত্ৰছাত্ৰীৰ মনতো আবেগময়ী আৰু সাৰগৰ্ভ ভাষণে গভীৰ ৰেখাপাত কৰিছিল। এসময়ত ভাৰতৰ অন্যতম শ্ৰেষ্ঠ সংসদী প্ৰবক্তা হিচাবে স্বীকৃতি লাভ কৰা এই জন বক্তাই সাধাৰণতে বৈদেশীক নীতি আৰু অৰ্থনৈতিক উন্নয়ণৰ প্ৰশ্নত বিশেষ আগ্ৰহ দেখুৱাইছিল। সেয়েহে তেওঁৰ বীৰত্ব বক্তব্যত প্ৰকাশ হৈছিল — "এখন নতুন অসম ছাই মাকতিৰ মাজত হলেও পুনৰ গঢ়লৈ উঠিব"। এয়ে আছিল তেওঁৰ যুক্তি সঙ্গত বক্তব্য। তেওঁৰ অন্তৰে কান্দি উঠিছিল এনে এক সাহিত্যৰ বাবে যি সাহিত্য খৰিকটীয়ায়ো বুজে আৰু যি মহৎ হবলৈ প্ৰেৰণা পায়। পঢ়া আৰু লিখাই তেওঁৰ ধৰ্ম আছিল। তিনিকুৰি এবছৰীয়া জীৱনকালত তেওঁ যি কবি গল্প সি অসামান্য। সাতাইখন গ্ৰন্থই তেওঁৰ সাহিত্যিক সাধনাৰ স্বাক্ষৰ বহন কৰিছে। অধ্যাপনা, আন্দোলন, ৰাজনৈতিক সংগঠণ; বক্তৃতা, বিদেশ ভ্ৰমণ আৰু নিৰ্বাচন আদি বিভিন্ন ক্ষেত্ৰৰ কামত ব্যস্ত থাকোতেও তেওঁ আজৰি পাইছিল পঢ়িবলৈ আৰু লিখিবলৈ। তেওঁ শ্ৰমিক কৃষকৰো বুকুৰ বান্ধৈ আছিল। কঠিন ৰোগে হেমবৰুৱাক নিশ্চল আৰু এক-প্ৰকাৰ বাকৰুদ্ধ কৰি পেলাইছিল। অনাতাঁৰ কেন্দ্ৰত প্ৰথম নাট মহোৎসৱৰ আধা অকা ছবিৰ অভিনেতা, চলচিত্ৰ চেন্সৰ বৰ্ডৰ সদস্য আনহাতে নতুন পৰিবৰ্তিত ৰাজনৈতিক তথা সামাজিক বাতাবৰণত অসমে আৰু বহুবেছি তেওঁৰ পৰা নতুন বৈশিষ্টৰে ভৰপুৰ অৱদান পালেহেঁতেন। অবিৰাম তামোল চোবাই থকা আৰু শুদ্ধ বগা খদ্দৰৰ দীৰ্ঘ পাঞ্জাবী চোলা পিন্ধা হেমবৰুৱাৰ জীৱন আছিল অসীম সম্ভাৱনাময়। এই সম্ভাৱনা সম্পূৰ্ণৰূপে প্ৰতিভাত নৌহওঁতেই নিষ্ঠুৰ নিয়তিয়ে তেওঁক হৰণ কৰি নিলে। কিন্তু এইজন অসমীয়া ক্ষণজন্মা পুৰুষৰ পাৰ্থিৱ শেষ স্মৃতিকণ ধোৱাঁত বিলীন হৈ গলেও অমৰ অক্ষয় হৈ ৰব তেওঁৰ চিৰস্মৰণীয় অৱদান সমূহ।

"জয়তু হেমবৰুৱা"।

# 'ওৰণিৰ তলত নাৰী'

ইমদাদ হুচেইন বৰা
১ম বাৰ্ষিক স্নাতক মহলা (কলা)

সৃষ্টিৰ পাতনিৰে পৰা সৃষ্টি ৰক্ষত নাৰী জাতি দেশ মাতৃ বুলি পৰিগণিত হৈ আহিছে। যেনেকৈ ভ্ৰুণৰ অবিহনে বীজৰ সৃষ্টি হব নোৱাৰে তেনেকৈ নাৰী অবিহনে সৃষ্টি মেৰুদণ্ড আপোন কক্ষত ঘুৰিব নোৱাৰে। ইতিহাসৰ পাট লুটিয়াই চালে আমি দেখিবলৈ পাওঁ যে সৃষ্টিৰ প্ৰথম নাৰী ইভৰ পৰাই মানৱ জাতিৰ ক্ৰমবিবৰ্তন হয়।

নাৰী শক্তিৰ আধাৰ। নাৰী শক্তিক কেন্দ্ৰ কৰিয়েই এখন দেশৰ ভাগ্য ৰবি উদিত হব বা অস্তমিত হয়। সময়ৰ প্ৰবল সোতত জাহ যোৱা বুৰঞ্জীৰ চাবিকাঠিয়ে বন্ধ দুৱাৰ মেলিলে নাৰী জাতিৰ সৃষ্টি প্ৰলয়ৰ অনেক দৃষ্টান্তৰ আভাস পোৱা যায়।

ধৰ্ম্ম শব্দৰ অৰ্থ হল "ধৰি ৰখা"। অৰ্থাৎ যিবোৰ নীতি নিয়ম চাল চলনক কঠোৰ ভাবে ধৰি ৰখা হ'য় তাক সাধাৰণ অৰ্থত ধৰ্ম্ম বুলি অভিহিত কৰা হ'য়। কোৱা হয় তিৰোতাৰ কাৰণে কৰ্ত্তব্য অনুকুল, গণিত প্ৰতিকুল। পুৰুষৰ পৰাক্ৰমশীলতা অধিক, বিপৰীতে নাৰীৰ কৰুণা সৌন্দৰ্য্য ভাৱনা আদি মৃদু শক্তিৰ প্ৰভাৱ অধিক। এয়া সৃষ্টি কৰ্ত্তাৰ সৃষ্টি মহিমা। সৃষ্টি কৰ্ত্তাৰ সৃষ্টি জগতত বিভিন্ন বাতাবৰণৰ দ্বাৰাই কোনো জাতিৰ ধৰ্ম্ম আচাৰ ব্যৱহাৰ গঢ়ি উঠে। এই বাতাবৰণৰ প্ৰভাৱ অতি গোড়া আৰু ইয়াক সম্বন্ধে অপসাৰণ কৰাৰ বাবে সহজ সাধ্য নহয়। পৰিৱৰ্ত্তনৰ যুগৰ আগলৈ নাৰী কেবল পুৰুষৰ হাতৰ পুতলা বুলি পৰিগণিত হৈ আহিছে। নাৰীৰ কৰ্ত্তব্য আছিল ঘৰখন সু-সজ্জিত ৰূপে চলাই ঘৰৰ সমস্ত দায়িত্ব বিনা দ্বিধাই পালন কৰি সু-গৃহিনী ৰূপে প্ৰভাৱ বিস্তাৰ কৰা। এয়া নীতি নিয়মেই আছিল নাৰীৰ প্ৰাথমিক ধৰ্ম্ম। ভাৰতৰ ইতিহাসতো তেনে এটি যুগ আছিল যি যুগত পুৰুষৰ দৃষ্টিত নাৰীৰ মানদণ্ড বহুখিনি অধো নমিত হ'ল। স্মৃতিকাৰ, শাস্ত্ৰকাৰ সকলে নাৰীক বহু খিনি তলত স্থান দিলে। নাৰীয়ে যাগ যজ্ঞত অংশ গ্ৰহণ কৰিব নোৱাৰা হ'ল। বেদপাঠ কৰাৰ পৰা বঞ্চিত হ'ল। তেওঁলোক ঘৰৰ চাৰি বেৰৰ মাজত আবদ্ধ থাকিব লগীয়া হ'ল। সেই সময়ত ভাৰতত বিভিন্ন সামাজিক প্ৰথাৰ প্ৰচলন বিশেষ ভাবে মন কৰিব লগীয়া। তাৰ ভিতৰত বাল্যবিবাহ, পৰ্দা প্ৰথা আৰু সতীদাহ প্ৰথাৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ তথা সমাজত শীৰ্ষস্থান লাভ কৰি নাৰী জাতিক ধৰ্ম্মৰ অনুপ্ৰেৰণা যোগাইছিল। বহুকাললৈ এনে কিছুমান কঠোৰ নীতিৰ গতি বিনা বাধাই চলি থাকিল।

আধুনিক ভাৰতত ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বত সতীদাহ প্ৰথা বিলোপৰ দ্বাৰা নাৰীৰ মৰ্য্যাদা ৰক্ষাৰ প্ৰথম সংগ্ৰামৰ আৰ-

স্তন হয়। তাৰপিছত আহিল মহাত্মা গান্ধীৰ নীৰৱ আন্দোলনৰ প্ৰচণ্ড জোৱাৰ। গান্ধীৰ জন্মৰ প্ৰায় ১০০ বছৰ আগৰে পৰাই ভাৰতবৰ্ষ বৃটিছৰ পৰাধীনতাৰ শিকলিৰ দ্বাৰা শৃঙ্খলিত হৈ আছিল। পৰাধীন ভাৰতৰ অলেখ কুপ্ৰথা কু সংস্কাৰ দূৰৈকৈ শিপাই ভাৰতীয় জনগণৰ মহা ব্যাধি স্বৰূপ হৈ সমাজক বহুত তললৈ নমাই নিছিল। যুগমানৱ গান্ধীয়ে অহিংসা নীতিৰে ভাৰতৰ পৰাধীনতাৰ বান্ধ ছিন্ন কৰি কুসংস্কাৰৰ দূৰীকৰণৰ প্ৰয়াস কৰে। সত্য, অহিংসা আৰু প্ৰেমেৰে ভাৰতবৰ্ষত নাৰী পুৰুষৰ কোনো ভেদা ভেদ নেৰাখি সম পৰ্য্যায়ৰ সংগঠন মূলক তথা আদৰ্শ মূলক সমাজৰ অৱতাৰণা কৰাই আছিল গান্ধীৰ প্ৰথম আৰু প্ৰধান আন্দোলন। এনে এক গাভীৰ দৃষ্টি ভঙ্গীৰে নাৰী জীৱনলৈ অৱ-লোকন কৰি গান্ধীজীয়ে নাৰী জীৱনৰ মহাত্ম্য নাৰীৰ প্ৰতি সমাজে কৰা অবিচাৰ, দুৰ্নীতিৰ দূৰীকৰণ আদি কাৰ্য্য আৰু নাৰীৰ ভূমিকা, ভাৰতৰ মুক্তি সংগ্ৰামত নাৰীৰ ভূমিকা আদি বিভিন্ন নীতি মূলক বাণীৰে নাৰী জাগৰণৰ প্ৰাচীনি মেলে।

মুনিহ তিৰোতা দুয়োৰে যুগ্মতা অতুলনীয়। এজন আনজনৰ পৰিপূৰক। এজনৰ অবিহনে আনজনৰ অৱস্থিতি তুলনা কৰিব নোৱাৰি। নাৰী আৰু পুৰুষৰ মৰ্য্যাদা সমান কিন্তু একে নহয়। ভাৰতীয় নাৰীৰ এটা ঐতিহ্য আছে, এক পৰম্পৰা আছে। মনুস্মৃতি, যাজ্ঞবল্ক স্মৃতি আদি কেইবোৰ শাস্ত্ৰই নাৰীক সমাজত তেনেই নিম্নস্তৰত ৰখা দেখা যায়। শাস্ত্ৰৰ এনেবোৰ কথাৰ প্ৰতি বৰ্তমান যুগৰ শ্ৰদ্ধা নাই। দৈহিক গঠনত পুৰুষতকৈ নাৰী বেলেগ হলেও নাৰী শক্তিৰ উৎস সমাজৰ মঙ্গলৰ অৰ্থে দেশৰ কল্যাণৰ কাৰণে নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে নাৰী ত্যাগৰ প্ৰতিমূৰ্ত্তি, মংগলময়ী। ত্যাগৰ মহিমামণ্ডিত নাৰী জীৱনৰ সাৰ্থকতা প্ৰেম আৰু স্নেহৰ দীক্ষাৰে নিজৰে জীৱন দেশৰ কামত বিলাই দিয়া। অহিংসা বিপ্লৱ অৰু সংগ্ৰাম আন্দোলনত অংশ গ্ৰহণ কৰাটো নাৰীৰ কৰ্ত্তব্যৰ ভিতৰত পৰে।

হিংসা নীতিৰ ৰণত নাৰী, তথা দুৰ্বলৰ স্থান নাই। বিপৰীতে অহিংসা ৰণত নাৰীয়ে সক্ৰিয় অংশ লৈ নীৰৱ বিপ্লৱৰ সৃষ্টি কৰিব পাৰে। এই কামত সফলতা লাভৰ বাবে প্ৰগতিশীল যুগক স্বাগতম জনাবলৈ হলে পূৰণি কলীয়া বাল্যবিবাহ, আৰু পৰ্দা প্ৰথা আতৰাব লাগিব। যি পৰ্দা প্ৰথাই নাৰীৰ অসীম শক্তিক অৱদমিত কৰি ৰাখিছে, যি পৰ্দা প্ৰথাই তিৰোতাৰ ওপৰত অনধিকাৰ আধিপত্য চলোৱাৰ সুযোগ দিয়ে সেই পৰ্দা প্ৰথাক সম্পূৰ্ণ ধ্বংস কৰি নাৰী মুক্তিৰ আন্দোলনৰ শ্লোগান দিবলৈ হলে স্ত্ৰী শিক্ষাৰ প্ৰচলন বহুল ভাৱে হ'ব লাগিব।

যুগৰ খোজৰ লগত খোজ মিলাই নতুনক আদৰি লবলৈ হলে শিক্ষাৰ প্ৰয়োজন অতি গুৰুত্বপূৰ্ণ। পুৰুষ আৰু নাৰীৰ উভয়ৰে আত্মা সমান সংস্কাৰণ। এয়া হ'ল প্ৰথম সমানতা। গুণ বিকাশৰ বাবে শিক্ষাৰ অৱদানে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। নাৰীয়ে সমাজত উন্নতিৰ

ঘোষণা কৰিছে । ভাৰতীয় মহিলাই সম্পূৰ্ণ মানৱতাৰ ভেটিত এই অধিকাৰ লাভ কৰিছে । স্ত্ৰী শক্তিৰ অৰ্থ যদি পুৰুষৰ লগত সমানে সমানে বা অৰিয়া অৰিকৈ কাম কৰিব পৰা বুজায় তেন্তে আধুনিক যুগত মহিলাই সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে সমানে কাম কৰাৰ সুবিধা পাইছে আৰু বহুতো ক্ষেত্ৰত তেওঁলোকে অধিক দক্ষতাৰে কাম কৰাৰ উদাহৰণ আছে । স্ত্ৰী শক্তি কিন্তু সেইটো নহয় । স্ত্ৰী শক্তি হৈছে আধ্যাত্মিক শক্তি । ই হৈছে প্ৰেম, ত্যাগ, ক্ষমা, স্নেহ আৰু ধৈৰ্য্যৰ শক্তি । ভাৰতীয় সমাজত মহিলাই উচ্চ আসন লাভ কৰিব পাৰিছিল এই আধ্যাত্মিক শক্তিৰ গুণতেই । পিছে আধুনিক যুগৰ বাহ্যিক আড়াম্বৰেৰে ভৰা বস্তুবাদী পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱত আজি ভাৰতীয় সংস্কৃতি আক্ৰান্ত হৈছে । সংস্কৃতি বিপন্ন হোৱা বাবেই ভাৰতীয় মহিলাৰ শুদ্ধতা তথা পবিত্ৰতা আঘাত পৰিছে । আধ্যাত্মিকতাৰ উৎপত্তিস্থল ভাৰতত আজি আধ্যাত্মিক গুণৰ মহত্বৰ হ্ৰাস পাইছে । ভোগ, বাসনা, বিলাসিতাই দুনীতিৰ দেউল বন্ধাত সহায় হৈছে । অৱশ্যে ভাৰতীয় নাৰীৰ মঙ্গলৰ বাবে স্ত্ৰী শক্তি প্ৰতিস্থা কৰিবলৈ আচনি লোৱা হৈছে । ব্যক্তিগত আৰু পাৰিবাৰিক মঙ্গলৰ বাবে স্ত্ৰী শক্তিৰ জাগৃতিৰ আহ্বান দিয়া হৈছে । ইয়াৰ বাবে নাৰীয়ে নিজৰ আধ্যাত্মিক গুণক বুজিব লাগিব, নিজৰ শক্তিৰ ওপৰত বিশ্বাস ৰাখি সমাজত প্ৰতিস্থিত হব লাগিব ।

সমাজতন্ত্ৰৰ প্ৰতিস্থাতা মাৰ্ক্স লেনিন হৈছে নাৰীৰ প্ৰকৃত মুক্তিৰ পথ প্ৰদৰ্শক । লেনিনে এনেকুৱা এটা বিষয় কথা কল্পনা কৰিছিল — যিদিনা প্ৰতিজনী ৰান্ধনীয়ে ৰাষ্ট্ৰ চলাব পাৰিব, ৰাষ্ট্ৰ প্ৰশাসনৰ সকলোবোৰ ব্যৱসায় আৰু বৃত্তিতে নাৰীক অৱসৰ দিয়া হব । আজি ছোভিয়েট কাৰখানা আৰু কাৰ্য্যালয় কৰ্ম্মচাৰী সকলৰ আধাখিনি নাৰী । উচ্চতৰ, মাধ্যমিক আৰু নিম্নথাপৰ সকলোবোৰ বিশেষজ্ঞৰ ভিতৰত সৰহ সংখ্যক নাৰী, কিয়নো তাৰ শতকৰা ৫৮ ভাগ নাৰী । অভিবক্তা আৰু উকীলৰ ভিতৰতো এনে অনুপাতেই নাৰী সংখ্যা । ই বাস্তবিকতে স্বাধীন আৰু মুক্ত নাৰী সম্পৰ্কে লেনিনৰ কল্পনাৰে জীৱন্ত ৰূপ । মাৰ্ক্স আৰু তেওঁৰ অনুগামী সকলৰ মতে নাৰী ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ দূৰৰ প্ৰান্তৰলৈ আতৰি গৈ অকল ঘৰ সংসাৰৰ কামকে লৈ চাৰিসীমাৰ ভিতৰত যদি আবদ্ধ থাকিব লগা হয় তেতিয়া কোনো নাৰীয়েই স্বাধীন হ'ব নোৱাৰে । সংগ্ৰামত শ্ৰেণী বিভাগ থাকিব নোৱাৰে । পুৰুষ বা মহিলা যিয়ে নহওঁক, সকলো কামৰ গুণাগুণ নিৰ্ভৰ কৰিব কামৰ ফলাফলৰ ওপৰত । ইজৰাইলৰ পিনে চালে দেখা যায় অধিক সংখ্যক নাৰীয়ে আজি দেশৰ অগ্ৰগতিত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে ।

পুৰুষে নিজে শিক্ষিত হোৱাৰ লগে লগে বিচাৰে শিক্ষিতা স্ত্ৰী । যদি নাৰী অশিক্ষিতা হয় তেতিয়া জীৱন ধাৰণৰ সম্যক জ্ঞানৰ অভাৱে দেখা দিয়ে । পৰিবৰ্ত্তনৰ সোঁতত দেশ আগবাঢ়ে । সলনি হয় ৰুচিৰ । সলনি হয় নীতিৰ দৃষ্টি ভঙ্গীৰ । এয়া চিৰন্তন প্ৰবাহ—এই প্ৰবাহ সনাতন । আজিৰ নাৰীয়ে ঔদ্যোগিক জগতত প্ৰৱেশ কৰি বিৰাট বিৰাট কল-কাৰখানা চলাইছে

পুলিচৰ পোচাক পিন্ধি দেশৰ আইন তথাশৃঙ্খলা ৰক্ষা কৰিছে, বিচাৰালয়ৰ আসনত বহি বিচাৰ কৰিছে। আজিৰ সমাজত নাৰীয়ে ইমান উন্নতি কৰা দেখিও পুৰুষে নাৰীৰ বিষয়ে 'লাও যিমানেই ডাঙৰ হক, তথাপি পাতৰ তল' বুলি প্ৰকাশ্য ভাবে আৰু নাৰীৰ কাষত হাৰ মানিবলৈ টান পায়।

বৰ্ত্তমান প্ৰাচ্য আৰু প্ৰতীচ্যৰ নাৰীৰ মাজত বিভেদ হ্ৰাস পাইছে। ভাৰতৰ নাৰীয়ে প্ৰগতিশীল যুগত বহুতো মহৎ কাম কৰাৰ উদাহৰণ দেখা যায়। আজিৰ নাৰীয়ে পুৰণি সমাজৰ চাবিকাঠিক সাৱটি লৈ থাকিব নিবিচাৰে। তেওঁলোকে নিবিচাৰে অতীত সমাজৰ ঠেক মনোভাবৰ ভেকো-ভাওঁনা। তেওঁলোকে বিচাৰে সুস্থ সৰস একোখন সমাজৰ আদৰ্শ মূলক গঠন তথা নৈতিক শিক্ষাৰ দ্বাৰা প্ৰবাহিত চিন্তাৰ জিলিকনি।

সময়ৰ স্তৰে স্তৰে বিজ্ঞানৰ উন্নতিৰ লগে লগে মানুহৰ মনবোৰো দ্ৰুতগতিত আগবাঢ়িল। আজিৰ সমাজত বৈজ্ঞানিক যন্ত্ৰ পাতিৰ প্ৰচলন বহুল ভাবে হোৱাৰ বাবে মানুহৰ মনবোৰ হৈ পৰিছে আকাশ মুখী। বিজ্ঞানে আনি দিছে জীৱন সংগ্ৰামৰ মৌলিক চিন্তাধাৰা। যুগৰ গাথিৰ লগত পাখি মিলাই যাবলৈ আজিৰ সমাজে প্ৰাণপনে বিচাৰিলে. তাৰ লগে লগে সৃষ্টি হ'ল নাৰীৰ মুক্তি আন্দোলন। নাৰীয়ে সময়ৰ ঢেউকা লগাই পুৰণিক নেওচি নতুন দিশৰ পিনে ধাৱিত হ'ল। বৰ্ত্তমান যুগ হ'ল যুদ্ধোত্তৰ যুগ। এই যুগ হ'ল প্ৰতিযোগিতাৰ। প্ৰতিযোগিতাৰ যুগত প্ৰত্যেক প্ৰতিযোগীয়ে বিজয়ৰ নিচান উৰাবলৈ প্ৰয়াস কৰে। নাই তাত পুৰুষ আৰু নাৰীৰ ভেদাভেদ, নিজ নিজ প্ৰখৰ বুদ্ধি-বৃত্তিৰ বলত প্ৰত্যেক প্ৰতিযোগীয়ে নিজৰ আধিপত্য বিস্তাৰ কৰিব পাৰে। এইয়া হ'ল যুদ্ধোত্তৰ যুগৰ মূল মন্ত্ৰ। আজিৰ ভাৰত আগৰ ভাৰত নহয়। নাই ইয়াত ধৰ্ম্ম, ৰীতি-নীতিৰ কঠোৰ ব্ৰত। স্ত্ৰী শিক্ষাৰ বিস্তাৰৰ লগে লগে বিভিন্ন ওপৰঞ্চি কৌতুকৰ সৃষ্টি হ'ল। আজিৰ নাৰী ওৰণি তলত থাকি ঘৰৰ দায়িত্ব পালন কৰাৰ কাৰণে যথেষ্ঠ নহয়। তেওঁলোকে কৰিব পৰা যথেষ্ট ওপৰঞ্চি বিদ্যা আছে যাৰ দ্বাৰা দেশ আৰু সমাজ উপকৃত হ'ব পাৰে। নিজকে সমাজত বুদ্ধিজীৱি বুলি প্ৰতিষ্ঠা কৰিব পাৰে।

সবল সুস্থ উপাদানেৰে দেশৰ ভৱিষ্যত উন্নতি কামনাৰ বাবে নাৰী জাতীয়ে দেশক প্ৰগতিৰ পথত আগুৱাই নিব লাগিব। তেওঁবলোকে বুজিব লাগিব 'Work While You Work, Play While You Play' শ্ৰমত আনন্দ আছে। বিনা শ্ৰমে বিনা সাধনাই কোনো কামেই সিদ্ধ হ'ব নোৱাৰে। নাৰী জৈবিক শক্তিৰ আধাৰ। তেওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰে সমাজৰ ক্ৰমোন্নতি, দেশৰ অগ্ৰগতি। আজিৰ যুগৰ নাৰীয়ে স্নাতিকা হৈ জীৱন বিশাল ক্ষেত্ৰত বাস্তৱিক সংসাৰ প্ৰৱেশ কৰিছে। তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিছে ভৱিষ্যত দেশৰ ভাগ্য ৰবিৰ বিকিৰণ বৰ্ণালী।

---

# এটি অতীত আৰু মই

শ্ৰীপৰেশ গগৈ ।
স্নাতক মহলা ১ম বাৰ্ষিক
(বিজ্ঞান)

হেৰাই যোৱা এটি অতীত
দুটি প্ৰেতাত্মা —
টুকুৰা টুকুৰ দুখঃ স্মৃতিবোৰ
কাল সৰ্পৰ একোটা খোঁট ।
সন্মুখত অন্যমনস্ক সৰু পথ
অথচ কণ্টকময় আৰু পংকিলতা ।
লোটক বিহীন জঁই পৰা চকু —
নিস্তেজ মেগ্‌মা গহ্বৰ দৰে ।
দুৰু দুৰু বুকুত মোৰ
শুকান মেঘৰ প্ৰত্যয়হীন চিঞঁৰ ।
যৌৱন কাৰাৰুদ্ধ মনৰ মাজত ।
নীৰৱ মূহুৰ্ত্তৰ উম বিছাৰি —
কিছুমান গান গাইছো —
গম্ভীৰ অনুকম্পাৰে
অতীতক জগাই তুলিবলৈ নহয়,
হত্যাৰ ফাঁচি শাল ৰচি ।
কিন্তু মৃত্যু শব্দটোৰে অভিধান
নহয়, শব্দটোৰ মৃত্যু হ'ল ।

---

"জনসংহতিতেই যে জনমুক্তি তাক উপলব্ধি কৰি আজি ভাৰতত, এছিয়াত, য়ুৰোপত, আমেৰিকাত জনতাৰ প্ৰাণত মহাজীৱনৰ সঞ্চাৰ জাগিছে । মহাপোহৰৰ বাটে আগবাঢ়ি এই জনতাই বিশ্বৰূপ ধৰি থিয় হৈছে ।"

—জ্যোতি প্ৰসাদ ।

# বেজ বৰুৱাৰ স্মৃতি

শ্ৰীধৰ্ম্ম সন্দিকৈ।
প্ৰাক স্নাতক বিজ্ঞান শাখা
( প্ৰথম বাৰ্ষিক )

(১)

বুঢ়া লুইতৰ নাৱঁত ওপজা
কতো নুশুনা কথা,
সেইহে আজি অসমীয়া জাতি
তেওঁলৈ ইমান বেথা।
সোনত সুৱগা লক্ষীৰ পূৰ্ণিমা
শৰৎ কালত আহি,
নিবিত জাতিক জগাই তুলিলে
কাপেৰে ৰজাই বাঁহি,
বাঁহিৰ মাতত পাগলী গোপীৰী
যমুনা উজাই বলে,
তোমাৰ লিখনিত অসমীয়া জাতি
ভাষাৰ জীৱন পালে।

(২)

চিৰ চেনেহী ভাবা জননীৰ
বাৰ প্ৰতিভাত আহি,
সাহিত্য সেৱাৰে আই অসমীক
তুলিলা মুখত হাঁহি।
বিদেশী কবলত ৰঘুমলা কাটি,
ভাষাৰ পচাই গুটি,
তাৰ পৰা গহ ভাষা দিলে গঢ়
হলো অসমীয়া জাতি।

(৩)

শিশুৱে পালে পাঠ্য পুথি
যুৱকে পালে নাটক,
সাধু কবিতা উপন্যাস পঢ়ি
সমাজে সোৱাদ পালে।
ৰং ৰহস্যৰ খুহুটীয়া গল্প
ৰসেৰে উপচি পৰা;
বেজবৰুৱাৰ বিমলা কৰণি
ভাষাক জীয়াই তোলা।

(৪)

আমি অসমীয়া কিহৰ দুখীয়া
সমাজে কবলৈ হ'ল,
বেজ বৰুৱা চন্দ বৰুৱা
হেমৰে ত্ৰিমূৰ্ত্তি ৰ'ল।
হোজা হেমচন্দ্ৰ বৰুৱা ফুকন
ৰথৰ সাৰথি হৈ,
সাহিত্য সেৱাৰে বন্তি জ্বলাই
দেশ পোহঁৰাই গ'ল॥

---

বাতে কৰতে কৰতে শো গয়ে হো সাথী
এক ভী বাত পুৰী না হো পায়ে—
আধী বাত, আধী বাত!"

# —দিব্য স্বপ্ন—

শ্ৰীসঞ্জীৱ বড়া।
স্নাতক মহলা ( কলা )
১ম বাৰ্ষিক

যচা নাই আকাশ কুসুম,
তোমাৰ বেদীত!
কৰবীত ফুলৰ থুপা নাই
তোমাক কিহেৰে পূজিম
তুমি সুন্দৰৰ.........ৰ.ক?

জানা,— !!
সুন্দৰৰ, সত্যৰ মই প্ৰতীক
নহয়, মই ৰূপৰ পূজাৰীও
নহয়, মই ফুলৰ সুভাস
নহয় তোমাৰ কৱৰী ভৰাবলৈ।

কিন্তু, !!
মাথোন মই হৃদয়হীন,
মানৱ কাঁয়া কঠিন
শিলেৰে গঢ়া মূৰ্ত্তিৰ
জৰ কঙ্কাল, যাৰ
হৃদয়ত স্পন্দন নাই।

মাথোন?
মোৰ আছে কঠিন দুখন হাত:
কৰ্কশ এবাৰ মাত: তাত
নাই প্ৰেমৰ মিঠা লগা অমিয়া।
মোৰ বাবে তুমি নুৰোবা
সন্ধ্যা শেৱালী। নুতুলিবা
ফুলৰ পাহি।
মৰহি মৰহি শেষ হব নিজেই।

নীলিম আকাশৰ নীলাবোৰ
মোৰ বাবে নহয়।
মোৰ ভাল লাগে মৰুৰ
শুকান বালি। তোমাক
লাগে স্বপ্নিল আভৰণৰ
প্ৰলেপ।

দিনত চন্দ্ৰৰ পোহৰ যেন
লাগে তোমাৰ আশা।
বাৰু সন্ধ্যাৰ সুৰভিৰে
ভৰক ফুলৰ কৱৰী।

---

"আমি সমস্ত জিনিষেৰ বাস্তৱিকতাটুকু স্পষ্ট দেখিতে পাই, অথচ তাৰেই ভিতৰে তাৰ সমস্ত ক্ষুদ্ৰতা এবং সমস্ত আত্মবিৰোধেৰ মধ্যেও আমি একটা অনিৰ্বচনীয় স্বৰ্গীয় ৰহস্যেৰ আভাস পাই।"

— ৰবীন্দ্ৰ নাথ ঠাকুৰ।

# নিৰ্বাসন বসন্তৰ

শ্ৰীলক্ষীনাথ গগৈ।
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

গছে গছে শ্যামলিমা লৈ
বসন্ত আহিব যেতিয়া
এই অৰণ্যানিলৈ
তেতিয়াই শেষ হৈ যাব
মোৰ এই চাৰিও কাষৰ মৌনতা,
শেষ হৈ যাব
শতিকাৰ ক্লান্তিকৰ নিসংগতা
এয়েইতো আছিল কথা
প্ৰবাহ মান যুগৰ
এয়েইতো আছিল চিৰন্তন প্ৰথা।
কোনে যেন কৈছিল
বনফুলৰ সুৰভী, যাযাবৰী পখীৰ গীত আৰু
অৰণ্যানিৰ শ্যামলিমাৰে
বাসন্তী পুৰাবোৰ বৰ মিঠা

শৰ্ব্বৰীৰ প্ৰতীক্ষাৰে এতিয়া
শেষ হ'ল শীতৰ জড়তা,
এতিয়াতো বসন্ত অহাৰেই কথা
এয়েইতো চিৰন্তণ প্ৰথা
মই ও ভাবিছিলো
এয়েইতো আছিল কথা
অথচ
বতাহতো পোৱা নাই মই
বনৰীয়া ফুলৰ সুঘ্ৰাণ
কিম্বা শুনাও নাই
সেই প্ৰতীক্ষাৰত যাযাবৰী পখীৰ গান
তেন্তে কি এই অৰণ্যানিলৈ
নাই নেকি বসন্তৰ আহ্বান?

---

সাম্ৰাজ্যবাদে আমাৰ জনতাক কি কৰিলে, ধনতন্ত্ৰবাদে তাৰ বৈজ্ঞানিক শোষণ-নীতিৰে জনতাক কি কৰিলে বা কৰিছে সি আজি সকলোৰে আগত জল্ জল্ পট্ পট্ কৈ ওলাই আছে।

—জ্যোতি প্ৰসাদ।

# মই এখন পৃথিৱীৰ স্বপ্ন দেখিছো

সপোনত মই পৃথিৱীখনক দেখিবলৈ পাইছো :
য'ত কোনেও কাকো ঘৃণা নকৰে
য'ত প্ৰেমে পৃথিৱীখনক মুক্তিস্নান কৰাব
আৰু শান্তিময় হব মানুহৰ পথ ।
মই এনে এখন পৃথিৱীৰ স্বপ্ন দেখিছো
য'ত মানুহে পাব স্বাধীনতাৰ মিঠা সোৱাদ ,
য'ত লোভে হৃদয়ৰ ৰস শুহি নিনিয়ে
নতুৰা কামনাই আমাৰ দিনৰিলাক
অন্ধকাৰ কৰি নিদিয়ে ।
মই সেই পৃথিৱীৰ স্বপ্ন দেখিছো
য'ত বগা নতুন কলা ,
যি জাতৰেই মানুহ নহওক ,
পৃথিৱীৰ সকলো সম্পদ সকলোৱেই
ভাগ কৰি লব ,
য'ত সকলোৱেই স্বাধীন ,
য'ত পশুবৃত্তিয়ে লাজত মূৰ দোৱাব ,
আৰু য'ত মুক্তিৰ দৰে আনন্দই
প্ৰতিজন মানুহৰ অভাৱ পূৰণ কৰিব ।
সেই পৃথিৱী আমাৰ
মই তাৰেই সপোন দেখিছো ।

---

মূল— ল্যাংস্টন হিউজ ।

# বিদ্ৰোহী

মই নিশ্চিন্ত
মোৰ মৃত্যুৰ পিছত
মোৰ বাবে ৰিৰাট
এটা শোক যাত্ৰাৰ আয়োজন হ'ব
কৌতুহলী মানুহবোৰে
ভিৰ কৰি চাবলৈ আহিব
সঁচাই মই মৰিছো............
নে
আৰু' এবাৰ গণ্ডগোল কৰিবলৈ
চেষ্টা কৰিছো ।

---

মূল—মাৰী ইভান্স ।

অনুবাদ — অঞ্জনা গোস্বামী ।

# ॥ দুটা কবিতা ॥

শ্ৰীযোগেশ বিকাশ সন্দিকৈ।
প্ৰাঃ বিশ্ববিদ্যালয় ১ম বাৰ্ষিক (কলা)

## ( ১ )
### যৌৱন

ইন্দ্ৰজালিক আন্ধাৰৰ ফাঁকে ফাঁকে
কোনো এক অনামী পুৱাত
তাই ফুলিছিল খুউব সংগোপনে
মোৰ ফুলনিত এপাহ
কৰবি হৈ।
কিন্তু হায় !
উদভ্ৰান্ত সময়ে আহি
মায়াবি হাতে কাঢ়ি নিলে
ফুলনিৰ সকলো সৌৰভ
সেইয়েহে তাই গুচি গল
অহাবাটে চাদৰৰ আচল উৰাই।

## (২)
### মৃত্যু

হে মৃত্যু,
তোমাৰ উদেশ্যৰ অন্তৰালত
আছে কি ? সৃষ্টিনাশ প্ৰলয়ৰ মহাগান ?!
আৰু আছে প্ৰতিশোধ পূৰণৰ
দুৰন্ত পিপাশা ???
হব পাৰে।
তথাপিও তুমি হোৱা সত্য
যাউতী যুগীয়া।
হে উদাৰ
হে মহান তোমাৰ বুকুতে আছে
শান্তিৰ অনন্ত বিশ্ৰাম।

"বঙ্গদেশত তাহানি "নীলদৰ্পন" প্ৰভৃতি নাঙ ৰচোতা দীনবন্ধু মিত্ৰ হাঁহিৰ থুনপাক আছিল। তেওঁৰ মৃত্যুৰ সময়ত বিখ্যাত বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ে ওচৰতে বহি দীনবন্ধু মিত্ৰক কৈছিল,— "দীনবন্ধু তুমি হঁহা মতাৰ বজা, আজি দেখুন তোমাৰ মুখত হাঁহি নাই ?" দীনবন্ধুৱে এই কথা শুনি উত্তৰ দিলে, "কোনে ক'লে মোৰ মুখত হাঁহি নাই বুলি ?" এই বুলি তেওঁ মিচিকিয়া হাঁহি এটা মাৰি চিৰকাললৈ চকু মুদিলে।"

—কৃপাৰৰ বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি।

# এপিটাফ

শ্ৰীমীনা কুমাৰী বৰ গোহাঁই।
১ম বাৰ্ষিক ( কলা )

হে বন্ধু !
মই আহিছিলো পৃথিৱীলৈ
কিবা এটা পোৱাৰ আশাত
মৰুভূমিত দেখা ওৱেচিচ্‌ বিছাৰি
দৌৰিফুৰা কিছুমান তৃষ্ণাতুৰ বেদুইনৰ
চঞ্চলা জুৰিয়ে বাধাৰ প্ৰাচীৰ
পাৰ হৈ যোৱাৰ দৰে
মোৰো মন নাচি উঠিছিল
এক অজ্ঞান পুলকত
কিবা এটা পোৱাৰ আশাত।
কুমাৰী পৃথিৱীৰ গৰ্ভ বিদাৰি
বিচাৰি ফুৰিলো
'মই' বিচাৰি ফুৰা বিলাককেই
পাওঁ নেকি বুলি।
কিন্তু—
ভগৱান যেন মোৰ প্ৰতি
ইমান নিষ্ঠুৰ, প্ৰতাৰক, প্ৰৱঞ্চক
মোৰ এমুঠি আশাত যেন
ভাষা দিবলৈ কৃপণালি কৰিলে।
গতিকে বন্ধু !
তুমি যদি মোৰ মৃত্যুৰ পিছত
এপিটাফ্‌ লিখা—লিখিবা তাত
"মই জন্ম লৈছিলো এটা কু-ক্ষণত
আছিলো এক দ্বীপপুঞ্জ সদৃশ
বল্লতো আশাৰ কলিৰে ভৰা
যি জীৱনৰ ধুমুহাৰ আঘাটত সৰ্বশ্ৰান্ত হোৱা
ৰজনী গন্ধাৰ মৃদু সৌৰভেৰে
উপচি থকা ফুলনিত
অকাৰণে গজি উঠা নামহীন গন্ধহীন
এপাহ বনৰীয়া ফুল।
আৰু আছিলো—
প্ৰগতিৰ সেউজী পথত
কণ্টক স্বৰূপ কাইট।"

---

শ্ৰেণী সংগ্ৰামৰ দ্বাৰা বিদাৰিত এখন সমাজত শোষক শ্ৰেণীৰ যদি শ্ৰমিক শ্ৰেণীক শোষণ কৰাৰ স্বাধীনতা থাকে, তেন্তে শ্ৰমিক শ্ৰেণীৰ স্বাধীনতা থাকিব নোৱাৰে, আৰু যদি বুৰ্জ্জোৱাৰ কাৰণে গণতন্ত্ৰ থাকে, তেন্তে সৰ্বহাৰা আৰু শ্ৰমিক শ্ৰেণীৰ কাৰণে গণতন্ত্ৰ থাকিব নোৱাৰে।

—মাও ছে টুঙ।

# "হেগেল ঃ এপিগ্ৰাম"

যিহেতু মই চূড়ান্তক আবিষ্কাৰ কৰিছো ,
(সেয়ে) মোৰ চিন্তাই উপলব্ধি কৰিছে গভীৰতাক
ঈশ্বৰৰ দৰেই মই অমাৰ্জ্জিত ,
মই তেওঁৰ দৰেই ছিন্ন কৰো এন্ধাৰক ।
মই দীৰ্ঘকাল সংগ্ৰামৰত অৱস্থাত
উপঙিছো চিন্তাৰ উত্তাল জলসমুদ্ৰত—
যেতিয়াই মই শব্দৰ সন্তেদ পালো –
(তেতিয়া) যি পাইছো, যতেই পাইছো সাবতি লৈছো।
শব্দৰ পৰা মই শিকো দানবীয় বিভ্ৰম
যাৰ যি ধাৰণা, সেইমতেই লব পাৰে তাৰ অৰ্থ
অন্ততঃ সি সীমাৰ ভিতৰত নহয়— আবদ্ধ ,
(কাৰণ) পাহাৰৰ একাবেকা পথেৰে নামি আহে
জলধাৰা জোৰ গৰ্জ্জন তুলি ।
কবিয়ে প্ৰেমিকাৰ ভাবভঙ্গী ৰচনা কৰে তেওঁৰ কবিতাত ,
যি দেখে সি ভাবে, আৰু যি ভাবে সিহে অনুভব কৰে
সৰ্ব্বজনে পাণ কৰিব পাৰে জ্ঞানৰ সবল ব্যঞ্জনা ।
(আচলতে) কথা মই কলো ।
কিন্তু তোমালোকক একোৱেই কোৱা নাই ।

মূল :—কাৰ্ল মাৰ্ক্স ।

অনুঃ—দ্বীপেন্দ্ৰ নাথ কাকতী ।
সন্ধ্যাধৰ কলিতা ।

ভিয়েটনামী কবিতা :—

## " সুন্দৰ পৰিবেশ "

প্ৰকৃতিৰ আৱৰ্ত্তিত নিয়মত
পৰিবৰ্ত্তন হয় — ঋতু।
বৰ্ষাৰ পাছত শৰতৰ নিৰ্ম্মল আকাশ,
ধৰিত্ৰীয়ে ফালি পেলালে—তাইৰ তিতাঁ বস্ত্ৰ
সুদীৰ্ঘ পৰ্ব্বত মালা আবৃত্ত হ'ল—সেউজীয়া কাৰ্পেটেৰে।
দীপ্ত সূৰ্য্যৰ পোহৰ আৰু মুক্ত বতাহৰ মাজত
ফুলবোৰৰ গালত হাঁহিৰ নিজৰা,
চাৰিও দিশে বনৰীয়া চৰাইৰ সুমধুৰ সম্মিলিত গান;
তেজৰ উত্তাপেৰে পূৰ্ণ হৃদয় জাগি উঠিছে মানৱ মন
অতীতৰ তিক্ত দুৰ্দ্দশাৰ ভিত্তিত—এতিয়া গঢ়ি উঠিছে
মুক্তিৰ পথ। প্ৰকৃতিৰ ইচ্ছা পুৰণ হওঁক।

মূলঃ হো চি মিন।

---

চীনা কবিতা :—

## " নৱবৰ্ষ "

নিং হুয়া, চিং লিউ, কিউ হুয়া।১
কি সংকীৰ্ণ গিৰি পথ! কি ডাঠ নিবিড় হাবি!!
আৰু পিছল শিলৰ দ'ম!!!
আমি আজি কোন পথে যাম?
সৌৱা! উইলান পাহাৰৰ ৰঙা অংশ আমাৰ লক্ষ্য।
কণ্টক ময় ওখচাপৰ পথত
মলয়া বতাহৰ তালে তালে
আমাৰ ৰঙা পতাকা উৰিছে
এখনি ছবিৰ দৰে।

মূল — মাও ছে টুঙ।
অনুবাদ :— লক্ষ্যধৰ কলিতা, দ্বীপেন্দ্ৰ নাথ কাকতী।

[ ১। চীনৰ ফিউকিয়েন অঞ্চলৰ বিভিন্ন ৰাজ্যৰ নাম। ]

বাহিৰ্য়াৰ কৰিতা :—

# " আহ্বান "

হে শ্ৰমিকৰ দল ! আগুৱাই বলা
তোমালোকৰ সৈন্যসকল যুঁজলৈ গৈছে
স্বাধীন শ্ৰমৰ বাবে,
সিহঁতৰ দৃষ্টি জ্বলি উঠিছে ।
আকাশ বতাহ ধ্বনিত হওঁক
তোমালোকৰ শ্ৰমৰ মৃত্যুঞ্জয়ী ঘণ্টাৰ আৱাজন্ত ,
অবিৰাম আঘাট কৰা হাতুৰীৰে জন্‌জনাই
অন্ন ! বস্ত্ৰ !! আশ্ৰয় !!!
আগুৱাই বলা, আগুৱাই বলা কৃষকৰ দল ।
মাটি অবিহনে তোমালোকৰ জীৱন বিফল ,
তোমালোকৰ শোষণ শেষ নহব ?
যুগ যুগ চলিব জানো অত্যাচাৰ—জমিদাৰ হঁতৰ ? ?
হে ছাত্ৰ সকল ! আগুৱাই বলা !
(হয়তো) তোমালোক অনেকে ধ্বংস হবা সংগ্ৰামত ।
(কিন্তু !) লালচালামে সন্মান জনাব
সেই নিহত বন্ধুসৱক ।
আগুৱাই ব'লা ক্ষুধাতুৰ দল ,
আগুৱাই ব'লা নিপিড়িতৰ দল,
আগুৱাই ব'ল লাঞ্চিতৰ দল—জীৱন মুক্তিৰ ফালে ।
ব'লা আগুৱাই ব'লা
পশুহঁতৰ শাসনৰ বাঘজৰা কবৰ দিয়া
সিহঁতৰ নিৰ্দ্দিষ্ট গাতত ।
ব'লা আগুৱাই ব'লা ,
যুঁজলৈ ব'লা হে সৰ্ব্বহাৰাৰ দল !

মূল:—ভি, আই, লেনিন ।

অনু:—লক্ষ্যধৰ কলিতা , দীপেন্দ্ৰ নাথ কাকতী ।

# ॥ যাযাবৰী যাত্ৰী ॥

গালিয়া ! বহুত পলম হ'ল ।

মোৰ কাণৰ কাষত প্ৰেমৰ ফুচফুচনি নুতুলিবা ,

মোৰ পৰা ৰোমান্তিক গীতৰ কলিও আশা নকৰিবা।

বহুত পলম হ'ল, সিহঁতে যাত্ৰা আৰম্ভ কৰিলেই

তোমাৰ প্ৰেম ?

আঃ; সেয়া যেন এটা ধুনীয়া সাধু

এই সময়ত

যি সময়ত সংখ্যা গৰিষ্ঠৰ একমাত্ৰ ধ্যান হ'ল

এটুকুৰা ৰুটি

এইটো সময়ত প্ৰেমৰ কথা সুশুৱায় ।

তোমায জন্মদিনৰ সেই নিশা

সীমাহীন আনন্দ আৰু মুখৰ মুহূৰ্ত্তটোত

কুৰিডাল মমৰ পোহৰ পৰিছিল

কিন্তু তুমি ভাবিব পাৰিছিলানে

একেটা নিশাই তোমাৰ বয়সৰ হাজাৰ জনী গাভৰুৱে

ভোকত শীতল নিশা

নগ্ন ধৰাত ৰাগৰি পৰি আছে ।

তুমি খুউব সুন্দৰ নাচা

তোমাৰ হাতৰ প্ৰতিটো মুদ্ৰাত

গুঞ্জনিত হয় এটা নতুন সুৰৰ

কিন্তু তোমাৰ বয়সৰে হাজাৰ জনী গাভৰুৱে

পিঞ্জৰাবদ্ধ পখীৰ দৰে শৃঙ্খলিত হৈ কাৰখানাত

তেজে তুমৰলি দিয়া হাতেৰে কাম কৰে

তুমি ভিক্ষাৰীটোক দিয়া পইচাকেইটা

সিহঁতে ৰুদ্ধ মজুৰি ।

তুমি যে নাচিছা এই ফুলাম দলিচাখন
ইয়াৰ ৰঙবোৰ লুকুৱাই ৰাখিছে মেহনতী মানুহৰ
জীৱনৰ আশাৰ ৰং
হাজাৰটা যৌৱনৰ জুই নিৰ্ব্বাপিত হ'ল ইয়াতে
হাজাৰ খন হাতৰ গতি স্তব্ধ হৈ গ'ল ইয়াতে
হাজাৰটা সন্ধানী চকুৰ জ্যোতি হেৰাই গ'ল ইয়াতে
নহয় গালিয়া, বহুত পলম হ'ল ।
এয়া সময় নহয় চুম্বন আৰু গীতৰ
প্ৰতিটো বস্তুত এয়া চকু চাট্ মৰা তেজৰ-
জুইৰ পোহৰ
এয়া জীৱনৰ মুক্তিৰ সময়
এয়া কিবা এটা কৰাৰ সময়
এয়া ধ্বংসৰ সময় ।
বন্ধকৰা! নাচাঁহিবা মোলৈ চাই
তোমাৰ সেই মিঠা কোমল চাৱনিয়ে বন্ধ কৰে মোৰ গতি
সেই বাবেই প্ৰেম, মদিৰা আৰু গীতে
—ন্দিত নকৰে হৃদয় ।
মোৰ সঙ্গীসকল বন্দী আজি
সেমেকা বায়ই চাহত
থাৰ্গদ্বীপৰ কোনেবা এটা কোণৰ অন্ধকাৰ চেলত
নিঃসংগ তেওঁলোক ।

মূল-এইচ , চায়েস ।
অনুবাদঃ—মাধুৰীমা বৰুৱা ।

# ॥ ভাস্কৰ প্ৰস্তুতি ॥

শ্ৰীঅনুপমা ভূঞা
স্নাতক ১ম বাৰ্ষিক (কলা)

হে অমৃতপিয়াসী সন্তানসকল !
তোমালোক জাগ্ৰত হোৱা ;
দীপ্ত হওক তোমালোকৰ তেজ, ঘাম, অশ্ৰু বন্যাতে
কালজয়ী এটি নতুন ভাস্কৰ ।
শতাব্দীজুৰি প্ৰতাৰিত, লাঞ্চিত তোমালোক
জাগ্ৰত কৰা তোমালোকৰ হৃদয় সঞ্চিত
অনন্ত শক্তিৰে
মুক্তিৰ দুৰ্ব্বাৰ আকাঙ্খ্যাক ।

অস্থি-চৰ্ম্ম-সাৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শক্তিৰ উঁহ
হৃদয়ৰ তপ্ত কুঠৰীত
ক্ৰোধৰ জ্বলন্ত বহ্নিশিখা ।

মহাৰজাৰ যুদ্ধজয়ৰ কাহিনীৰে প্ৰতাৰিত হ'ম নেকি ?
নেলাগে আমাক সেই ইতিহাস
আমাৰ যাত্ৰা পথৰ অন্তৰায় ;
তাক আমি ভৱিৰে মোহাৰি আগবাঢ়ো ।
আমি লিখো আহা আমাৰ ইতিহাস
শ্ৰমজীৱীৰ সহস্ৰ হাতুৰীৰে

প্ৰাচীৰ ভঙাৰ নতুন ইতিহাস
আলোকৰ ইতিহাস ।

দংশোনোদ্যত কালসৰ্পৰ বিষদন্তবোৰ
উভালি পেলাওঁ সজোৰে
ৰক্ত পিপাসু অক্টোপাচৰ হাতোৰাবোৰ চিঙিবলৈ
প্ৰয়োগ কৰো আহা আমাৰ সমস্ত শক্তি ।
সহস্ৰ পদাঘাটে চূৰ্ণ কৰিবলৈ
আমিতো জড় নহওঁ ।
আমাৰ চেতনাত জাগ্ৰত আজি
সুপ্ত মানৱসত্বা — সুউচ্চ ।

হে অমৃতপিয়াসী সন্তান সকল !
তোমালোক জাগ্ৰত হোৱা ;
ক্ষত বিক্ষত হৃদয়ৰ অনিৰ্ব্বাপিত বহ্নিয়েই
শক্তি হওঁক ।
শ্ৰেণী সংগ্ৰামৰ বলিশালত
প্ৰাণদিয়া সহস্ৰজনৰ
বুভুক্ষ করুণ আৰ্ত্তনাদেই হওক
প্ৰেষণা আমাৰ ।

ভৱিষ্যতে ভুল নহবলৈ অতীতৰ ভুলৰ পৰা শিকা উচিত আৰু ৰোগীৰ প্ৰাণ ৰক্ষা কৰিবলৈ হলে ৰোগৰ নিৰ্মূল কৰা উচিত ।

—মাও ছে টুঙ !

# ক্ষত

শ্ৰীশৈলেন গগৈ।
স্নাতক মহলা প্ৰথম বাৰ্ষিক (বিজ্ঞান)

উত্তৰ দিশত থকা খিৰিকীখিৰ্মেদি ৰবষুণ সোমাইছিল সেইয়ে ডাঃ অপৰা শইকীয়াই নিজেই খিৰিকীখন বন্ধ কৰি দিব বিচাৰিলে প্ৰতিখন খিৰিকী বন্ধ কৰিব যাওঁতে ডাঃ অপৰা শইকীয়াই চকুৰে মুখে পৰা ৰবষুণৰ কনাৱ এক শীতল পৰশ অনুভৱ কৰিলে। গেষ্ট ৰুমটোৰ খিৰিকী কিখন বন্ধ কৰিব আহি অপৰা অকনমাত ৰ'ল। গেষ্ট ৰুমটোত থকা একমাত্ৰ বিচনাখনলৈ চালে। বিচনাৰ ওপৰত বাণীব্ৰতৰ লেন্সৰ চশমা, সোনৰ চেইন এডাল, ধকধকীয়া বগা চেণ্ডো গেঞ্জী এটা পৰি আছে। বাথৰুমলৈ গা ধুব যোৱা বাণীব্ৰতে তেনেদৰেই পেলাই থৈ গৈছে।

গেষ্ট ৰুমটোৰ খিৰিকি কিখনো বন্ধ কৰি খিৰিকীৰ কাষত বৈ কাচঁৰ মাজেৰে অপৰাই বাহিৰলৈ চাই ৰ'ল। বাহিৰত ৰতাহ আৰু ৰবষুণ। অপৰাই খুব ভাবিছিল ৰাতিপুৱা কাঞ্চাৰ হতুৱাই গোলাপজোপাৰ পৰা এগোপা ফুল অনাব সুনন্দাৰ বাবে। অথচ সেই জোপা গোলাপ ৰতাহৰ প্ৰতাপত দো খাই গৈছে। ৰতাহ আৰু ৰবষুণৰ প্ৰচণ্ড প্ৰতাপত সাৰে বাবে সৰি সৰি পৰা গোলাপৰ পাহিবোৰ ৰতাহে বেছ কিছু দূৰলৈ উৰুৱাই নি সেউজীয়া বননিত সিঁচৰিত কৰি পেলাইছে। ৰতাহৰ প্ৰচণ্ড গতিত তাল মিলাই উৰি অহা কিছুমান গোলাপৰ পাহি অপৰাই চাই থকা খিৰিকীৰ কাচঁত লিপিত খাই লাগি ৰৈছেহি।

অপৰাই নিজৰ শোৱা কোঠালৈ আহিও খিৰিকীৰ কাচঁৰ মাজেৰে বাহিৰলৈ চাই ৰ'ল। খিৰিকীৰ কাচঁত আচাৰখাই পৰা ৰবষুণৰ টোপালবোৰে খিৰিকীৰ কাচঁবোৰ ভিতৰফালেও সেমেকাই পেলাইছে। অপৰাই এনেয়ে কাচঁখনৰ ওপৰত আঙুলি এটা ৰাখিলে। সেমেকা কাচঁ-খনৰ ওপৰত এটা দাগ ৰহিল। অপৰাই অঙুলিৰে এটা সৰু নাম লিখি পেলালে কাচঁ-খনৰ ওপৰত 'ৰিঙ্কুন'। অপৰাই চাই ৰ'ল নামটোলৈ, ৰহুদিন আগলৈ উৰি গ'ল অপ-ৰাৰ মনটো।

অপৰাৰ এবাৰ এটা এক্সিডেণ্ট হৈছিল। পিক্‌নিকত। পাহাৰৰ পৰা হঠাৎ ভৰি পিছলি তললৈ পৰি চকু দুটাত আঘাট পাইছিল। মূৰ ফাটিছিল বেয়া ধৰণে। মেডিকেলত পৰি থকা অপৰাৰ তেজৰ প্ৰয়োজন হৈছিল অথচ 'ব্লাড বেঙ্ক'ত অপৰাৰ গ্ৰুপৰ তেজৰ অভাৱ। দেউতাকে উদভ্ৰান্ত হৈ অপৰাৰ বাবে তেজ বিচাৰিছিল। দালাল লগাইছিল অপৰাৰ গ্ৰুপৰ সৈতে মিলা তেজ বিচাৰি। ৰবষুণৰে পিছল পথেৰে বেগেৰে খোজ কাঢ়িব গৈ অপৰাৰ দেউ-তাক পিছলি পৰিছিল পথত। দেউতাকক উঠাত সহায় কৰা লেন্সৰ চশমা পৰিহিত অচি-নাকি যুৱকজনে কৈছিল—"আপোনাক বিভ্ৰান্তৰ

দৰে লাগিছে। ঠিক যেন কিবা বিপদত পৰিছে। আপোনাক সহায় কৰিব পৰা কিবা কথা থাকিলে কব পাৰে।"

কৈছিল। পানীত পৰা মানুহৰ অসহায়তাৰে সকলো কথাই সেইদিনা অপৰাৰ দেউতাকে কৈছিল। যুৱকজনে কৈছিল—"আপুনি চিন্তা কৰাৰ প্ৰয়োজন নাই। মোৰো তেজৰ 'গ্ৰপ্' 'বি'। মই আপোনাক তেজ দিয়াৰ প্ৰতিশ্ৰুতিকণ দিব পাৰো।"

পানীত ডুবিব ধৰা মানুহ এজনে হঠাতে কাঠ এডাল পাই ভাঁহি থকাৰ চেষ্টা কৰাৰ দৰে অপৰাৰ দেউতাকো সেইদিনা বাণীব্ৰতক পাই উশাহ লৈছিল। এইবিলাক কথা পিচত দেউতাকৰ মুখৰ পৰাই শুনিছিল অপৰাই।

অপৰা যথেষ্ট ভাল হৈ উঠিছিল কেৱল অপাৰেশ্যন কৰা চকুৰ 'বেণ্ডেজ' খোলাত দিন লাগিব বুলি কৈছিল ডাক্তৰে। দেউতাকে এদিন অপৰাৰ পেয়িংৱাৰ্ডলৈ লৈ আহিছিল বাণীব্ৰতক। চকুৰে একো নেদেখা অপৰাই কৈছিল—' আপোনাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰাৰ মোৰ ভাষা নাই। আপুনি মোৰ পুনৰ জীৱন দিয়াৰ বাবে ওৰে জীৱন আপোনাৰ ওচৰত ঋণী হৈ থাকিলো।"

বাণীব্ৰতে সেইদিনা সুধিছিল অপৰাৰ নাম, কি পঢ়ে, 'কম্বিনেচন' কি কি ইত্যাদি।

"শ্ৰীঅপৰাজিতা শইকীয়া।" বাণীব্ৰতৰ প্ৰশ্নৰ উত্তৰত নিজৰ নামটো কবলৈ গৈ লাজ লাজকৈ এটা এটা শব্দ উচ্চাৰণ কৰা অপৰাৰ অস্বস্তি লাগিছিল।

" খুব সুন্দৰ তোমাৰ নামটো।"

অপৰাই মাথো বাণীব্ৰতৰ কণ্ঠ স্বৰহে শুনিছিল। সেই কণ্ঠস্বৰ শুনি অপৰাই বাণীব্ৰত মানুহটো কল্পনা কৰিছিল মনৰ চকুৰে। বাণীব্ৰতক যাবৰ সময়ত অপৰাই কৈছিল "ইয়াত অকলশৰে থাকি ভীষণ আমনি লাগে। মাজে মাজে মানুহ আহিলে খুব ভাল লাগে। আহিব চোন আপুনিও মাজে মাজে।"

নহা নহয় বাণীব্ৰত। আহিছিল। বাম ধেনুৰ সকলোবোৰ ৰঙ লৈ অপৰাৰ কল্পনা ৰাঙলৈও আহিছিল বানীব্ৰত। সেই ৰঙৰে বাণীব্ৰতে অপৰাৰ মন পদূলিত বহুতো আলপনা আঁকি দিছিল। প্ৰতিদিনে বাণীব্ৰতে অনা ফুলৰ ৰঙবোৰ তেতিয়া অপৰাই নেদেখিলেও ফুলৰ সুবাসৰ দ্বাৰা মনৰ চকুৰে জানিব বিছাৰিছিল ফুলৰ ৰঙবোৰ।

অপৰাই এদিন কৈছিল—"মোৰ নখ বিলাক বেচ বাঢ়ি গৈছে নহয়? ইচ চকুৰ পৰাযে কি অসুবিধাই নহৈছে"।

বাণীব্ৰতে কৈছিল—ব'ল মই কাটি দিছো।

তাৰ পিচত অপৰাৰ হাতখন নিজৰ হাতৰ মাজত লৈ বাণীব্ৰতে আলফুলে কাটি দিছিল নখ বিলাক। বাণীব্ৰতৰ হাতৰ পৰশত অপৰা এটা নাম নজনা পুলক অনুভূতিত শিহঁৰিত হৈ উঠিছিল। অপৰাই বহু যত্নেৰে ৰখা বাওঁহাতৰ দীঘল দীঘল নখ বিলাক নাকাটিবলৈ অনুৰোধ কৰিছিল। বাণীব্ৰতে কিন্তু কাটি পেলাইছিল নখ বিলাক। অপৰাৰ বাওঁহাতৰ মৰমৰ নখ বিলাক কাটিবলৈ লওঁতে চক্ খাই উঠা অপৰা এতিয়া

দৰে লাগিছে । ঠিক যেন কিবা বিপদত পৰিছে । আপোনাক সহায় কৰিব পৰা কিবা কথা থাকিলে কব পাৰে ।”

কৈছিল । পানীত পৰা মানুহৰ অসহায়তাৰে সকলো কথাই সেইদিনা অপৰাৰ দেউতাকে কৈছিল । যুৱকজনে কৈছিল—“আপুনি চিন্তা কৰাৰ প্ৰয়োজন নাই । মোৰো তেজৰ ‘গ্ৰুপ’ ‘বি’ । মই আপোনাক তেজ দিয়াৰ প্ৰতিশ্ৰুতিকণ দিব পাৰো ।”

পানীত ডুবিব ধৰা মানুহ এজনে হঠাতে কাঠ এডাল পাই তাঁহি থকাৰ চেষ্টা কৰাৰ দৰে অপৰাৰ দেউতাকো সেইদিনা বাণীব্ৰতক পাই উশাহ লৈছিল । এইবিলাক কথা পিচত দেউতাকৰ মুখৰ পৰাই শুনিছিল অপৰাই ।

অপৰা যথেষ্ট ভাল হৈ উঠিছিল কেৱল অপাৰেশ্যন কৰা চকুৰ ‘বেণ্ডেজ’ খোলাত দিন লাগিব বুলি কৈছিল ডাক্তৰে । দেউতাকে এদিন অপৰাৰ পেয়িংৱাৰ্ডলৈ লৈ আহিছিল বাণীব্ৰতক । চকুৰে একো নেদেখা অপৰাই কৈছিল—‘ আপোনাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰাৰ মোৰ ভাষা নাই । আপুনি মোৰ পুনৰ জীৱন দিয়াৰ বাবে ওবে জীৱন আপোনাৰ ওচৰত ঋণী হৈ থাকিলো ।”

বাণীব্ৰতে সেইদিনা সুধিছিল অপৰাৰ নাম, কি পঢ়ে, ‘কম্বিনেচন’ কি কি ইত্যাদি ।

“শ্ৰীঅপৰাজিতা শইকীয়া ।” বাণীব্ৰতৰ প্ৰশ্নৰ উত্তৰত নিজৰ নামটো কবলৈ গৈ লাজ লাজকৈ এটা এটা শব্দ উচ্চাৰণ কৰা অপৰাৰ অস্বস্তি লাগিছিল ।

“ খুব সুন্দৰ তোমাৰ নামটো ।”

অপৰাই মাথো বাণীব্ৰতৰ কণ্ঠ স্বৰহে শুনিছিল । সেই কণ্ঠস্বৰ শুনি অপৰাই বাণীব্ৰত মানুহটো কল্পনা কৰিছিল মনৰ চকুৰে । বাণীব্ৰতক যাবৰ সময়ত অপৰাই কৈছিল “ইয়াত অকলশৰে থাকি ভীষণ আমনি লাগে, মাজে মাজে মানুহ আহিলে খুব ভাল লাগে । আহিব চোন আপুনিও মাজে মাজে ।’’

নহা নহয় বাণীব্ৰত । আহিছিল । ৰামধেনুৰ সকলোবোৰ ৰঙ লৈ অপৰাৰ কল্পনা ৰাজ্যলৈও আহিছিল বানীব্ৰত । সেই ৰঙেৰে বাণীব্ৰতে অপৰাৰ মন পদূলিত বহুতো আলপনা আঁকি দিছিল । প্ৰতিদিনে বাণীব্ৰতে অনা ফুলৰ ৰঙবোৰ তেতিয়া অপৰাই নেদেখিলেও ফুলৰ সুবাসৰ দ্বাৰা মনৰ চকুৰে জানিব বিছাৰিছিল ফুলৰ ৰঙবোৰ ।

অপৰাই এদিন কৈছিল—“মোৰ নখ বিলাক বেচ বাঢ়ি গৈছে নহয় ? ইচ চকুৰ পৰাযে কি অসুবিধাই নহৈছে” ।

বাণীব্ৰতে কৈছিল—ৰ’ব৷ মই কাটি দিছো ।”

তাৰ পিছত অপৰাৰ হাতখন নিজৰ হাতৰ মাজত লৈ বাণীব্ৰতে আলফুলে কাটি দিছিল নখ বিলাক । বাণীব্ৰতৰ হাতৰ পৰশত অপৰা এটা নাম নজনা পুলক অনুভূতিত শিহঁৰিত হৈ উঠিছিল । অপৰাই বহু যত্নেৰে ৰখা বাওঁহাতৰ দীঘল দীঘল নখ বিলাক নাকাটিবলৈ অনুৰোধ কৰিছিল । বাণীব্ৰতে কিন্তু কাটি পেলাইছিল নখ বিলাক । অপৰাৰ বাওঁহাতৰ মৰমৰ নখ বিলাক কাটিবলৈ লওঁতে চক্ খাই উঠি৷ অপৰা এতিয়াও

নোৱাৰো নহয়। তুমিয়েই বুজাবাচোন অপৰা। তোমাৰ কথা সি শুনেও।”

অপৰাই সঙ্কল্প কৰিছিল মাক নথকা অপৰাই দেখুঁৱা যেন লগা বাণীব্ৰতৰ মাকৰ কথাষাৰ অন্ততঃ ৰাখিব। বাণীব্ৰতৰ মাকৰ মনত আঘাত সানিব নোৱাৰে অপৰাই। সেইয়ে এদিন অপৰাই বাণীব্ৰতৰ হাতখন নিজৰ হাতত লৈ খুব লাহে লাহে কৈছিল — “ জানা বাণী তুমি তোমাৰ মাৰ পছন্দমনে বিয়া কৰোৱা। সচাঁ মই খুব সুখী হম। এই জন্মত নহলেও অহা জন্মত মই তোমালৈ বাট চাই ৰম।”

বাণীব্ৰতে হাতখন এককাই খঙেৰে কৈছিল— “অপৰা! তুমি কি পাগল হৈছা। মই বুজিছো তুমিও মাৰ দলত ষড়যন্ত্ৰত যোগ দিছা।”

বাণীব্ৰতলৈ চাই অসহায় চাৱনীত দৃঢ়তা আনি অপৰাই খুব লাহে লাহে কৈছিল—“খঙ নকৰিবা। চোৱা ভালপোৱা মানেইতো বিয়া নহয় আৰু বিয়াইতো সকলো নহয়। সকলো ভাললগা বস্তুকে কোনেও পোৱা নাই আৰু নিবিচৰা বস্তুও কেতিয়াবা পোৱা যায় সেইবুলি অসন্তুষ্টি লভা উচিত নহয় আৰু চোৱা তোমাৰ কৰ্ত্তব্যখিনি তুমি পাহৰি যোৱা উচিত নহয়।”

“মোৰ কৰ্ত্তব্যখিনি তোমাৰ পৰা শুনিব লাগিব নেকি? তোমাৰ কৰ্ত্তব্যনো কি শুনোচোন।”

চেন্টি মেণ্টাল বাণীব্ৰতক ভয় কৰি থকা অপৰাই সেইদিনা ভয় কৰিলেও সাহেৰে কৈছিল “চোৱা বাণী ভুল নুবুজিবা। আজিৰ বাদে কালিলৈ মই ডাক্তৰ হম। আৰ্ত্ত ৰোগীৰ সেৱাত নিজকে বিলাই দিম যদিও তোমাৰ কথা কোনোদিন পাহৰি নাযাওঁ! তোমাৰ ভালপোৱা মই নীৰৱে অনুভৱ কৰিম। সেইয়ে হব মোৰ জীৱনৰ পাথেয়। চোৱা বাণী বিয়াই জানো সকলো শেষ। আমাৰ বিয়া নহলেই জানিবা সেই বুলি জানো আমাৰ মৰম ভাল পোৱা শেষ হৈ যাব। অন্তৰৰ গভীৰতম প্ৰদেশত থকা আমাৰ গভীৰ ভালপোৱা সদায় থাকি যাব বাণী সেইয়েই জানো যথেষ্ট নহয়। সচাঁ বাণী তুমি বিয়া কৰোৱা মই খুব সুখী হম।”

“ইমান বিলাক ডাঙৰ ডাঙৰ কথা মই নুবুজো অপৰা। মাত্ৰ চেষ্টা কৰিম তোমাৰ কথা ৰাখিবলৈ।”

সচাঁকৈ এদিন বাণীব্ৰতে অপৰাৰ কথা ৰাখিছিল বাণীব্ৰতে অৱশেষত সন্মতি দিছিল বিয়াত সুনন্দাৰ সৈতে বাণীব্ৰতৰ বিয়া হৈ গৈছিল আৰু অপৰা এম, বি, বি এচ পাচ কৰি সোমাই পৰিছিল মিশ্যনেৰী 'নাৰ্চিং হোম' এখনত ডাক্তৰ ৰূপে। হিন্দুধৰ্ম্মৰ অধ্যাত্মিক চিন্তা ধাৰাত পুষ্ট, পুৰ্ণজন্ম বিশ্বাস কৰা অপৰা আছিল তেনে ধাতুৰে গঢ়া। উমা, শকুন্তলাৰ আদৰ্শৰে সঞ্জীৱিত অপৰা আদৰ্শবাদী হব খোজা অপৰাই অকলশৰীয়া জীৱনটো পাৰ কৰি দিয়াৰ চেষ্টা কৰিছিল ৰোগীৰ মাজত ব্যস্ত হৈ। বহুতদিন বাণীব্ৰতৰ খবৰ পোৱা নাছিল অপৰাই। মাত্ৰ যোৱাকালি বাণীব্ৰতে ফিৰেট এখনত সুনন্দাক নাৰ্চিং হোমলৈ আনি অপৰাক কৈছিল—

“সুনন্দাক তোমাৰ হাতত গটালো।”

অপৰাই অশেষ কষ্টেৰে সহযোগী কিজাইনৰ সতে যুক্তি সুনন্দাক অপাৰেশ্যনৰ দ্বাৰা দিছিল এ

সুন্দৰ দেৱশিশু। অপাৰেশ্যন থিয়েটাৰৰ বাহিৰত অধীৰ আগ্ৰহৰে উদগ্ৰীৱ হৈ থকা বাণীব্ৰতক কৈছিল—"এটা সুন্দৰ ল'ৰা হৈছে তোমাৰ। কংগ্ৰেচুলেশ্যন।"

"ধন্যবাদ অপৰা।" আবেগেৰে কৈ উঠিছিল বাণীব্ৰতে।

ৰাতি বাণীব্ৰতে অপৰাৰ সৰু কোৱাৰ্টাৰটোতে থাকিব লগা হৈছিল। বাকী থকা ৰাতিকণ শুবৰ বাবে চেষ্টা কৰি কৰি অপৰাই জানিছিল পিতৃত্বৰ গৌৰৱে গৌৰান্বিত বাণীব্ৰত কাষৰ কোঠাটোত পৰম শান্তিৰে শুই পৰিছে। অপৰা কিন্তু শুব পৰা নাছিল। কিবা এটা নোপোৱাৰ বেদনাই অপৰাক বাৰে বাৰে টোপনিৰ কাষৰ পৰা আতৰাই আনিছিল।

ৰৱষুণজাক আকৌ জোৰৰে অহাত অপৰাই খিৰিকীখন বন্ধ কৰি দিলে। অপৰাই মনে মনে ভাবিলে তাই স্বপ্ন হৈ ৰোৱা মৰমৰ নাম ৰিক্কুমণিক একেবাৰে হেৰাই যাবলৈ নিদিয়ে। তাই বাণীব্ৰতক কব বাণীব্ৰতৰ সন্তানটিৰ নাম যাতে ৰিক্কুমণি দিয়ে। তাই জানে বাণীব্ৰতে তাইৰ কথা কেতিয়াও উপেক্ষা নকৰে। অপৰাই খিৰিকীৰ কাঁচত নজনাকৈয়ে ৰিক্কুমণি নামটো কেইবাবো লিখি পেলালে। অপৰাই নামটো চাই ৰল। ৰৱষুণৰ ঘন ঘন টোপালবোৰে সেমেকাই তোলা কাঁচখনত নামকিটা বাষ্প হৈ নাইকীয়া হৈ গল। অপৰাই আকৌ লিখিলে নামটো। আকৌ হেৰাই গল নামটো ক্ৰমান্বয়ে বাষ্প হৈ।

অপৰাই কাঞ্চাক ডাইনিং টেবুলত চাহ দিবলৈ কৈ বাণীব্ৰতৰ ৰুমলৈ সোমাল। চুলি খিনি ব্ৰাচ কৰি থকা বাণীব্ৰতে মিৰৰ খনত প্ৰতিবিম্বিত হোৱা অপৰাক দেখি কলে—"আহা অপৰা।"

বিচনাখনত তেতিয়াও পৰি থকা চশমাখন উঠাই অপৰাই এনেয়ে এবাৰ নিজৰ চকুত লগাই চালে! তাৰপিছত বাণীব্ৰতৰ হাতত দি কলে—"ব'লা চাহ দিছে"।

ডাইনিং টেবুলত দুয়ো নীৰৱেই চাহ খালে। অপৰাৰ কোৱাৰ্টাৰৰ পৰা নাচিংহোম কাষতেই। বাণীব্ৰতে অপৰাকো একেলগে যাবলৈ অনুৰুধ কৰিলে।

"চোৱা তোমাক কিমানদিন লগ পোৱা নাই। ব'লানা একেলগে যাওঁ। আৰু তোমাক এবাৰ কথাও কবলৈ আছে।" বাণীব্ৰতে অন্তৰঙ্গ তাবে কলে কথাষাৰ!

অপৰাই আপত্তি নকৰিলে। বাণীব্ৰতে শান্ত পথটোৰে নিম্ন গতিত ড্ৰাইভ কৰি কৰি নীৰৱতাখিনি ভঙ্গ কৰি কলে "অপৰা তুমি কি বিয়া নকৰোৱা?

"কিয় এইয়াতো বেচ সুখৰেই আছো। বিয়াৰ কথা মই কোনোদিন ভবা নাই, ভবাৰ প্ৰয়োজন বোধো কোনোদিন নকৰো"।

"নহয় জীৱনৰ এটা স্তৰত সকলো যেতিয়া সংসাৰী হয় তুমি কিয় ব্যতিক্ৰম হবলৈ যোৱা। সচাঁ অপৰা তুমি বিয়া কৰালে মই খুউব সুখী হলোহেতেন।"

"ভগবানৰ দোহাই তুমি আৰু তেনে কথা নকবা। মোৰ মনৰ শান্তিখিনি শেষ হৈ যাবলৈ নিদিবা বাণী। এইয়াই মোৰ জীৱন দৰ্শন।"

" এইবিলাক তোমাৰ ডাঙৰ ডাঙৰ কথা মই নুবুজো অপৰা আৰু বুজাও নাছিলো কোনো-দিন। তোমাৰ ভালেই মই সদায় বিচাৰি আহিছো। তোমাৰ ভালৰ বাবে যদি মই নীৰৱে থাকিব লাগে মই তাকেই কৰিম "।

তাৰপিছত আৰু বাণীব্ৰতে কোনো কথা নকলে। ফিয়েটৰ পৰা নামি বাণীব্ৰত গুচি গল সুনন্দাৰ কাষলে আৰু অপৰা গ'ল নিজৰ অফিচ কমলৈ।

এটা সময়ত অপৰাই কষ্ট কৰি সংগ্ৰহ কৰা গোলাপ ফুলথিনি হাতত লৈ আগবাঢ়িল সুনন্দা থকা কোঠাটোলৈ। দুৱাৰৰ কাষত ৰৈ অপৰাই শুনিলে সুনন্দাই কৈছে —

"সুদীপ্ত ! সুদীপ্ত ! জানে ইয়াৰ নাম সুদীপ্ত ৰাখিম। আপোনাৰ কেনেকুৱা লাগিছে নামটো !"

"খুব সুন্দৰ !' বাণীব্ৰতৰ কণ্ঠস্বৰ।

অপৰা চিত্ৰাৰ্পিত হৈ থিয় হৈ ৰ'ল। অপৰাৰ চকুৰে দুটোপাল চকুলো ওলাই আহিল। অপৰাৰ স্বপ্নত খেলা বিষ্ণুমণি নামৰ দেৱশিশুটো আৰু কোনোদিন পৃথিবীৰ পোহৰৰে আলোকিত নহব পৃথিবীৰ বায়ুৰে স্পন্দিত নহব অপৰাই মনতে ভাবিলে। অপৰাই জানিলে বাৰে বাৰে সাচঁ ৰাখি যাব খোজা অপৰাৰ সৰু স্বপ্ন এটা কাঁচত লিখা নামটোৰ দৰেই বাৰে বাৰে মচ খহৈ যাব। অপৰাই ভাবিলে তাই বাণীব্ৰতক আৰু কেতিয়াও অনুৰোধ নকৰে বাণীব্ৰতৰ সন্তান-টোৰ নাম বিষ্ণুমণি ৰাখিবলৈ। বাণীব্ৰতৰ সন্তান-টোৰ নাম সুদীপ্তই হওক। অপৰাই চকুপানীখিনি মচি ললে তাৰপিচত সোমাই গ'ল ভিতৰলৈ।

---

আমি আমাৰ চিন্তাৰ বৈপ্লৱীকৰণ কৰিব লাগিব, আমাৰ কৰ্ম্মৰ বৈপ্লৱীকৰণ কৰিব লাগিব আৰু পৃথিবীৰ দেশসমূহৰ মাজত থকা সম্পৰ্কবিলাক বৈপ্লৱীকৰণ কৰিবলৈ আমাৰ সাহস থাকিব লাগিব। কালিৰ কথা আজি নাখাটে আৰু কাইলৈ সি নিৰাশজনক ভাবে পুৰণি কলীয়া হৈ পৰিব। পৃথিবীৰ সমস্ত মানুহক এই কথা বুজাই দিয়াটো বুদ্ধিজীৱী সকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ভাগ্যবিধায়ক সামাজিক কাম।

—আই ষ্টাইন্।



# EDITORIAL BOARD 1976-77



Sitting : A. Gogoi, S. K. Borah (Editor), J. Baruah (In-Charge)
C. Baruah.
Standing : D. Gogoi, K. Sahu, K. Goswami, L. D. Kalita.

# ধুমুহা !!

শ্ৰীকানাই লাল চাহ।
স্নাতক কলা বিভাগ।

হঠাতে ফেঁচাৰ মাতত ৰাতিৰ নিস্তব্ধতা ভঙ্গহৈ গল। আজি কৃষ্ণ পক্ষৰ ৪ৰ্থ দিন। চাৰিও ফাঁলে ঘোপ আন্ধাৰত যেন জোনে বহুত দিনৰ বাবে পৃথিবীৰ পৰা বিদায় লৈছে।

জীতেনৰ মাকৰ অন্তৰ এক অজানিত ভয়ত কঁপি উঠিল। তেওঁ যেন অনুভৱ কৰিলে ৰাতিৰ আন্ধাৰ আৰু গভীৰতৰ হৈ আহিছে।

আজি জীতেনৰ মাক মাধৱী দেৱীয়ে নিজৰ অতীতৰ বেদনাসিক্ত জীৱনৰ বিষয়ে ভাবিবলৈ বাধ্য হৈ পৰিছে। বহি থকা চকীখনৰ পৰা একেথিৰে বেৰত আঁৰি থোৱা ফটো ছবিটিলৈ চাই আছে। চকুৰ পৰা অজানিত ভাৱে অশ্ৰুধাৰা বৈ আহিছে। কোৱাল সোতৰ বানক যেনেকৈ বান্ধদি তাৰ গতিক ৰুদ্ধ কৰিবলৈ ব্যৰ্থচেষ্টা কৰা হয় তেনেকৈ মাধৱী দেৱীয়ে বহু চেষ্টা কৰিছিল চকুলোৰ গতিক বন্ধ কৰিবলৈ, কিন্তু সকলো বাধাক নেওঁচি অশ্ৰুধাৰা অবাৰিত ভাৱে দুই গালেদি বৈ আহিল। জীতুৰ ফুলৰ দৰে পুষ্পিত সুঠাম চেহেৰা —আৰু পিতৃ ৰায় বাহাদুৰ গৌতম বৰুৱা—যাৰ নামে একসময়ত গোটেই অঞ্চল জুৰি সম্বৰ্দ্ধনা লাভ কৰিছিল।

হঠাতে যেন বেৰও আঁৰি থোৱা ছবিৰ ফ্ৰেমটো লৰিবলৈ ধৰিলে। যেন তাত প্ৰাণৰ সন্চাৰ (সঞ্চাৰি) হ'ল। গৌতম বৰুৱাই মৰমেৰে নিজৰ একমাত্ৰ পুত্ৰ জীতেনৰ মূৰত হাত বুলালে আৰু জীতেনে মূৰ তুলি খুউব সৰলতাৰে সুধিলে —

"দেউতা ......! আমি বাগিচাতগৈ খেলোঁ ?

বৰুৱাৰ পিতৃ সুলভ স্নেহ ভৰা মাত শুনা গ'ল, 'মোৰা সোণ; মোৰা খেলা।"

হঠাত এটি কৰ্কশ মাত শুনা গ'ল—মহয়, নোৱাৰা ···!'

জীতুৱে ঘূৰি চালে। মাধৱী দেৱী গম্ভীৰ হৈ পৰিল। জীতুৱে মাকক সুধিলে—"কিয়মা, কিয় নেখেলোঁ ?"

"তুমি ভাতখালা এতিয়া আৰাম কৰাৰ সময়।"

"মাধৱী।" বৰুৱাই কলে, "লৰাৰ কাৰে। সকলো সময়—খেলাৰ সময়।"

মাধৱীয়ে গম্ভীৰ সুৰেৰে কলে, "লৰা ছোৱালীক বেছিমৰমত থলে অবাটে যায়, তাৰোপৰি এদিনাখন জীতুক আপোনাৰ স্থান লব লাগিব।"

মাধৱীয়ে আদেশৰ সুৰত কলে, "যোৱা নিজৰ কোঠাত গৈ আৰাম কৰা।"

যেতিয়া জীতু কোঠাৰ পৰা চকুৰে নেদেখা হ'ল, তেতিয়া মাধৱীৰ প্ৰাণ আটাহ

পাৰি উঠিল। তেওঁ তত্তালিকে হাত দাঙি কলে, "ৰ'ৱা, মোৰ সোণ, যোৱা খেলা ·· মোৰ সোণ যোৱা খেলা।"

দ্বিতীয়ক্ষণতে মাধৱী আচৰিত হৈ উঠিল। তেওঁ ইফালে সিফালে চালে ...... তেওঁ নিজকে প্ৰকাণ্ড কোঠাটোত অকলশৰীয়াকৈ আৱিস্কাৰ কৰিলে। আৰু বেৰত আঁৰি থোৱা ছবিৰ ফ্ৰেমটো আগৰ দৰে অলৰ অচৰ হৈ আছে। একেবাৰে ...... নিষ্প্ৰাণ ·· স্থিৰ।

মাধৱীয়ে দীঘলীয়াকৈ হুমনিয়াহ কাঢ়িলে— আৰু বেৰত আঁৰি থোৱা আন এটি সুন্দৰ যুৱকৰ ছবিৰ ফ্ৰেমটোলৈ দৃষ্টি নিক্ষেপ কৰিলে। মুখত এমোকোৰা হাঁহি, উজ্জ্বল চকু আৰু হাতত টেনিচৰ ৰেকেট্। যুৱকজনে হঠাতে মাধৱীলৈ সম্বোধিত হৈ কলে, "মা. মা, !"

"কি কব বিচাৰিছা ?"

ফ্ৰেমটোৰ পৰা যুৱকজন ওলাই আহি- মাধৱীলৈ চাই ৰ'ল। সি কিবা এটা কবলৈ চেষ্টাত ওঠ লৰালে আৰু মৌন হৈ ৰ'ল। মাধৱী দেৱী তালৈ চাই স্নেহহীন মাতেৰে সুধিলে, —

"তুমি প্ৰণতিৰ বিষয়ে কিবা ক'ব বিচাৰিছা ?"

"হয় ......!" জীতুৱে ভয়ে ভয়ে কলে।

"তুমি ভাবিছা, আমি তোমাৰ ফালৰ পৰা অজ্ঞান হৈ আছোহক আৰু তুমি আজি কালি কোন সংসাৰত মগ্ন হৈ আছা ?

"মা ...'

"আমি শুনিছো তুমি প্ৰণতি নামৰ কোনোবা ছোৱালী এজনী ভাল পাব ধৰিছা — যাৰ দেউতাক সাধাৰণ এজন কেৰাণী।"

"হয় ...... ।"

"তুমি তাই বিষয়ে কি কব বিচাৰিছা ?"

"মই তাইক বিয়া কৰাবলৈ কথা দিছো"

"আৰু তুমি হয়তো এইটো জানা যে আমি প্ৰণতিক কোনো মূল্যতে নিজৰ বোৱাৰী কৰি নোৱাৰো। কাৰণ তোমাৰ বিয়া আনন্দ বৰুৱাৰ জীৰ লগত হবলৈ ঠিক কৰা হৈছে।"

"কিন্তু মা, আপুনি ভাবি চাওকচোন মোৰ প্ৰণতিৰ কি হব ?"

"সেইটো কোনোধৰণৰ প্ৰতিজ্ঞা নহয়। যুৱাৱস্থাত সকলোৱে তেনে ভুল কৰে"।

"কিন্তু মা, মই প্ৰণতিক অন্তৰৰে ভাল পাওঁ।"

"মই জানো — প্ৰত্যেক যুৱকে তেনে সপোন দেখে। কিন্তু ইয়াৰ পৰিণতি বৰ বেদনা দায়ক"।

"কিন্তু মই প্ৰণতিৰ বিনে এখন্তেকো জীয়াই থাকিব নোৱাৰো '।

"হব সেইটোহে যিটো আমি বিচাৰো। আমাৰ কথাৰ সিফাল ইফাল হব, নোৱাৰে '।

"মা, আজিলৈকে সেইটোহে হৈছে, যিটো আপুনি বিচাৰে। কিন্তু মোৰ জীৱনত ধুমুহা— আহিব নিদিওঁ। মই প্ৰণতিক ভাল পাওঁ আৰু তাইৰ বাবে মোৰ জীৱন দিবলৈও কুণ্ঠাবোধ নকৰো"

"তোমাৰ কথাত বিদ্ৰোহৰ গোন্ধ পোৱা গৈছে"

"এনে অবাধ্যতাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী কিন্তু মই বাধ্য হৈ পৰিছো।"

"তুমি জানা ----- তুমি কি কৈছা ?

"জানো, বহুত দিন ভাবি চিন্তিহে মই এনে সিদ্ধান্তত উপনীত হৈছো।'

"তোমাক ঘৰৰ পৰা ওলাই দিয়া হব !"

মা, মই তোমাৰ স্নেহময়ী কল্পনাৰ ছাতেঁ জীৱন কটাই দিম ”।

“ তোমাক সম্পৰ্ত্তিচ্যুত কৰি দিয়া হ’ব ।’

“ পৃথিবীত ধন সম্পদে সকলো নহয়। মোৰ জীৱন বিক্ত হৈ যাব প্ৰণতিৰ দিনে ।’

“ জীতু …… ।” মাধৰী দেৱী চিঞৰি উঠিল ।

“ জীতু …… !’ মাধৱীৰ সুৰকপি উঠিল “ সোণ, মোৰ সোণ, তুমি যাকে ভাল পোৱা বিয়া কৰোৱা । মোৰ একো আপত্তি নাই ।’

তেওঁ বিচলিত হৈ ইফালে সিফালে চাব ধৰিলে । জীতুৰ ছবি নিজৰ স্থানত মিচিকিয়াইছিল আৰু তেওঁৰ অন্তৰৰ কোনোবা এটা ভাগ বিষাই গৈছিল ।

“জীতু, মোৰ জীতু মোৰ সোণ, তই কত আছ ?” মাধৱী হিয়া ধাকুৰী কান্দিবলৈ ধৰিলে। তেওঁ একমাত্ৰ পুতেকক হেৰুৱাই, আউলি বাউলী হৈ কান্দি ৰলৈ ধৰিলে। পাগলীৰ দৰে—চিঞৰি বলৈ ধৰিলে—

“জীতু, মোৰ কলিজা, তুমি কত আছা?”

মাধৱী পাগলীৰ দৰে হৈ গোটেই ঘৰ চলাথ কৰিবলৈ ধৰিলে—হঠাতে মাধৱী দেৱীৰ ভৰি পিচলি খালে আৰু খট্ খটীয়েদি বাগৰি পৰিলে চিৎকাৰকৰি তেতিয়াও কোঠাটোত ভাঁহি আছিল এটি নাৰী কণ্ঠ “জীতু—তই কত আছ ?” আৰু বেৰত আঁৰি থোৱা ফটোটোত তেতিয়াওঁ মিচিকিয়াই আছিল জীতু ।

“সকলো অৱস্থাতেই যি জনৰ চৰিত্ৰৰ মহত্ব লক্ষিত হয়, তেওঁহে প্ৰকৃত মহৎ লোক। মহৎ লোকৰ আদৰ্শ অনুসৰি চৰিত্ৰ গঠন কৰিবলৈ চেষ্টা কৰিবা।”

বিবেকা নন্দ ।